REFERENCE
NOT FOR ISSU
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

सत्यमेव जयते

1989

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

## NO. 23

The 26th March, 1979

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 23

Dated the 26th March, 1979.

## CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 49 |
| 2. | Statement by Minsiter ... ... ... ... | 50— 51 |
| 3. | Voting demand for ... ... | 52— 146 |
| 4. | Miscellaneous ... ... ... | 146— 154 |
| 5. | Cojlsng Atteniton ... ... ... | 155— 158 |
| 6. | Matter under rule 301 ... ... ... | 158—161 |
| 7. | Statement by Minster ... | 162—167 |
| 8. | Adjournment ... ... ... ... | 168 |

Proceeding of the third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Monday, the 26th March, 1979 with the Hon: Deputy Speaker in the Chair, 12 (twelve) Ministers, 4 (four) Ministers of State, 4 (four) Parliamentary Secretries and 60 (sixty) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 26th March, 1979

(To which oral answers were given)

—

Mr. Deputy Speaker :– Pending question No. 298.

শ্ৰীপ্ৰেমধৰ বৰা—উপাধ্যক্ষ মহোদয়, ১৯৬৬ চনৰে ১৪ হাজাৰ টকাৰ

বিল চাপ্লায়াৰ শ্ৰীযশপাল দাসগুপ্তক পেমেণ্ট কৰা হৈছে ১২ বছৰৰ পিচত। ১২ বছৰৰ মুৰত কিয় পেমেণ্ট কৰিব লগীয়া হল এই কথা জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—আচলতে ১৪ হাজাৰ নহয়, ১৩ হাজাৰহে। ৭ হাজাৰ টকা আগতেই দিয়া হৈছিল আৰু ৬ হাজাৰ টকা ইতিমধ্যে দিয়া হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা :—১৩ হাজাৰেই হওঁক বা ১৪ হাজাৰেই হওঁক তেখেতক ১২ বছৰে এই পইচা পেমেণ্ট নকৰি পেলাই ৰখাৰ কাৰণ কি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—যিজনে এই টকা ধাৰে লৈছিল তেখেত বদলি হৈ অহাৰ কাৰণে কেন্টিনৰ পৰা দিবলৈ কোৱা হৈছিল। এডিচনেল আই, জি, পি, ক এই বিষয়ত অনুসন্ধান কৰিবলৈ দিয়া হৈছিল।

শ্ৰীপ্ৰেমধৰ বৰা :—এই বিষয়ত তদন্ত হৈ থকাৰ কাৰণেহে ১২ বছৰেই পেমেণ্ট কৰা নহয়, এইটো হয়নে ? যদি হয় এই তদন্তৰ ৰিপৰ্টটো সদনক জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—তেখেতে কোনটো তদন্তৰ ৰিপৰ্টৰ কথা কৈছে মই নাজানো। জনালে দিব পৰা হব।

শ্ৰীছামচুল হুদা :—মন্ত্ৰী মহোদয়ে জনাবনে যে ১৯৬৬ চনৰ মে' আৰু জুন মাহত বেটেলিয়ানৰ ৰেচন ড্ৰ' কৰিব নোৱাৰিলে আৰু আই, জি, পি, লালা বি, কে দেক তদন্ত কৰিবলৈ দিছিল যদিও তেখেতে তদন্ত কৰি নথি-পত্ৰবিলাক চাপ্ৰেচ কৰে। তাৰ ফলতেই ১৪ হেজাৰ টকা ১২ বছৰেই দিব নোৱাৰিলে। কিন্তু জনতা চৰকাৰ গাদীলৈ অহাৰ ৬ মাহৰ ভিতৰতেই এই টকা পেমেণ্ট কৰিবলৈ দিলে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—যি টকা লোৱা হৈছিল সেইটো

কেন্টিনৰ কাৰণে ধাৰে লোৱা হৈছিল। সেই ভিত্তিতেই এইটো বিবেচনা কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—ফোৰ্থ আসাম পুলিচ বেটেলিয়ানৰ জোৱান সকলে নিয়ম মতে বেচন পাইছে বুলি তেওঁলোকৰ পৰা চহী লোৱা হৈছিল এইটো সচানে ?

শ্ৰীকেশ্বৰ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—মোৰ হাতত যিটো অনুসন্ধানৰ ৰিপৰ্ট আছে সেইটোৰ পৰা দেখা যায় যে প্ৰথমতে A. C. B. ৰ তদন্তৰ যিটো ৰিপৰ্ট দিছিল তাৰ ওপৰত ভিত্তি কৰি প্ৰচিডিংচ ড্ৰ' কৰা হ'ল আৰু তাৰ ওপৰত ভিত্তি কৰি চ' কজ দিবলৈ কোৱা হ'ল।

শ্ৰীপ্ৰেমধৰ বৰা :—এই বিষয়টো আজি ১২ বছৰে বিধান সভাত সময়ে সময়ে উত্থাপন হৈ আহিছিল আৰু বিভাগৰ পৰা প্ৰচিডিংচ ড্ৰ' কৰাৰ পিচত বৰ্ত্তমানে চৰকাৰে লৰালৰিকৈ কিয় পেমেণ্ট কৰিলে আমি বুজি পোৱা নাই। গতিকে এই অনুসন্ধানৰ গোটেই নথি-পত্ৰবিলাক প্ৰকৃত কাৰণ সহ সদনৰ বিশ্বাসৰ কাৰণে দাখিল কৰিব লাগে।

শ্ৰীকেশ্বৰ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—মই কৈছোৱেই যে প্ৰচিডিংচ এজনৰ নামতহে হৈছে। সেইজন হৈছে শ্ৰী আৰ, চি, দত্ত। এই বিষয়ে তদন্ত কৰিবলৈ লালা বি, কে, দেক দিয়া হৈছিল। কিন্তু তেখেত নিজে আই, জি, পি, থকা অৱস্থাত চাৰ্জচীট দিছে গতিকে তদন্ত কৰিবলৈ অমাত্তি হল। তেখেতৰ পিচত Add I.G.P. শ্ৰীপাঠকক তদন্ত কৰিবলৈ দিয়া হল। তেতিয়া তেখেতে অনুসন্ধান কৰিছিল।

শ্ৰীপ্ৰেমধৰ বৰা :— হোম ডিপাৰ্টমেণ্টৰ ডেপুটি চেক্ৰেটাৰীয়ে "প্ৰচিডিংচ ড্ৰপ" কৰিব নোৱাৰো বুলি ৰিপৰ্ট থকা স্বত্তেও কেনেকৈ "প্ৰচিডিংচ ড্ৰপ" কৰা হল ?

শ্রীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— তেনেকুৱা কথা মই ফাইলত পোৱা নাই। হোম বিভাগৰ সচীবে যি পৰামৰ্শ দিছে আমি সেই মতেই কাম কৰিছো।

শ্ৰীপ্ৰেমধৰ বৰা :— এইটো হেপাচাৰ্ডলি কৰিব নোৱাৰে We demand enquiry. We are against corruption. We want justice. This is a long pending case since 1966. The hon'ble Chief Minister being the Home Minister could not personally look into the matter. সেইকাৰণে এই গোটেই কথাটো আমি বিধান সভাত বহুত বছৰ দাবী কৰি আহিছো আৰু এই সন্দৰ্ভত ১২ বছৰ অনুসন্ধান চলিছিল। গতিকে এনে ক্ষেত্ৰত মুখ্য মন্ত্ৰী তথা গৃহ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এইটো তদন্ত কৰি আমাক বিশ্বাসত লব লাগে। সেইকাৰণে এই বিষয়ে পুনৰ বিবেচনাৰ কাৰণে আশ্বাস বিচাৰিছো।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :—মই আগতেই কৈছো যে লাল৷ বি, কে, দেক অনুসন্ধান কৰিবলৈ দিয়া হৈছিল যদিও তেখেতে অনুসন্ধান নকৰি পেলাই ৰাখিলে। পেলাই ৰখা অৱস্থাতে জনতা চৰকাৰ অহাৰ পিছত এডিচনেল আই, জি, পি, শ্ৰীপাঠকক অনুসন্ধান কৰিবলৈ দিয়া হ'ল। তেখেতে যি ৰিপোৰ্ট দিলে তাৰ ওপৰত ভিত্তি কৰি আৰু গৃহ সচীবে যি পৰামৰ্শ দিছে তাৰ ওপৰত ভিত্তি কৰিয়েই আমি এপ্ৰুভ কৰিছো।

Shri Premodhar Bora :- Our Home Minister is not properly enlightend.

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :—এইটো অনুসন্ধান কৰা হৈছে আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই ব্যৱস্থা লোৱা হৈছে। ইয়াত সন্দেহৰ স্থল

কি থাকিব পাৰে।

শ্ৰীপ্ৰেমধৰ বৰা :— এইটো ১২ বছৰীয়া কথা। আমাৰ মুখ্যমন্ত্ৰীয়ে দায়িত্ব লোৱাৰ বেছি দিন হোৱা নাই। আমি এইটো কথা জানিব বিচাৰিছো যে বৰ্ত্তমান মন্ত্ৰী সভাত থকা কেইবাজনো মন্ত্ৰী আৰু প্ৰবীন নেতাই বিৰোধী দলত থাকোতে এই সম্পৰ্কত তদন্ত কৰিবলৈ দাবী কৰিছিল। এতিয়া তেখেত সকল তালৈ যাওঁতে কি সকলো বিগাক তল পৰি গ'ল নেকি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— অনুসন্ধান চৰকাৰে নকৰা নহয়। তদন্ত কৰিবলৈ যিজন বিষয়াক দিয়া হৈছিল তেখেতে তদন্ত নকৰাৰ কাৰণে তেওঁৰ পিচৰ বিষয়াজনক তদন্ত কৰিবলৈ দিয়া হ'ল। তাৰ ওপৰত ৰিপৰ্টও দিলে। আৰু সেই ৰিপৰ্ট মতে ব্যৱস্থা লোৱা হৈছে। দুৰ্নীতি সম্পৰ্কত তদন্ত হব নালাগে বুলি মই নকওঁ। এতিয়া য'ত য'ত তেনেকুৱা তদন্ত কৰিবলগীয়া হৈছে সেইমতে তদন্ত কৰিবলৈ দিয়া হৈছে আৰু সেইমতে বিহিত ব্যৱস্থাও লোৱা হৈছে।

( সদনত বিৰাট হুলস্থুল )

Mr. Deputy Speaker :— Now starred questton No. 33?.

(Noise—interruption)

Mr. Deputy Speaker :—No, no my point is that I hope if you want a discussion regarding the same question then you can have another half an hour discussion and I do not have any objection to that. But

now that other questions are here and we should take them up. So if you apply for that I will do accordingly.

Shri Premadhar Bora :— Sir, we bow down to your rulling. But I have a humble submission particularly from this side the hon'ble Minister should not have any hesitation to enlighten the members in the house about the whole thing. সেই কাৰণে উপাধ্যক্ষ মহোদয়, আপোনাৰ ৰুলিঙক সন্মান জনাই মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিহেতুকে এই কেচটো ১২ বছৰ ধৰি চলি আছে। সেই কাৰনে গোটেই নথি-পত্ৰ বিলাক সদনত দাখিল কৰিব লাগিব।

Mr. Deputy speaker :— I will allow half an hour discussion.

বিষয় ঃ নতুন উদ্যোগ নীতি

শ্ৰীনগেন বৰুৱাই সুধিছে ঃ

*৩৩০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰে নতুন উদ্যোগ নীতি গ্ৰহণ কৰিছেনে?

(খ) যদি কৰিছে নতুন নীতি কাৰ্য্যকৰি কৰাৰ দিশত কিমান দুৰ অগ্ৰসৰ হৈছে?

শ্রীজগন্নাথ সিংহ (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৩৩০। (ক)— এতিয়াও আনুষ্ঠানিক ভাবে গ্ৰহণ কৰা নাই।

(খ)—(ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

শ্রীনগেন বৰুৱা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, এই আনুষ্ঠানিক ভাবে চৰকাৰৰ নতুন নীতি ঘোষনা কৰিবলৈ কিমান সময় প্ৰয়োজন ?

শ্রীজগন্নাথ সিংহ (মন্ত্ৰী) ঃ— বেচি সময় নালাগে।

শ্রীমুকুট শৰ্ম্মা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ যিটো উদ্যোগ নীতি গ্ৰহণ কৰা হৈছে তাৰ লগত সামঞ্জস্য ৰাখি অসম চৰকাৰে এই উদ্যোগ নীতি কেতিয়া ঘোষণা কৰিব আমাক জনাব লাগে, আৰু ইতিমধ্যে ১ বছৰ পাৰ হৈ গল, এই ১ বছৰৰ ভিতৰত উদ্যোগ নীতি কিয় ঘোষণা কৰিব পৰা নাই সেইটো জনাবনে ?

Shri Jagannath Sinha, (Minister, Industries) :— Sir, we were waiting for the policy of the Central Government. Now, since the policy of the Central Government has been announced we are also going to announce our policy very soon but, Sir, announcing of policy is not a single process;it has to be processed through certain stages. We have crossed so many stages and it is now at the ultimate stage and it will be done very soon.

শ্রীমুকুট শৰ্ম্মা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, ভেৰেখেতে কৈছে

কেন্দ্ৰীয় মন্ত্ৰী সভাত ১৯৭৭ চনৰ ডিচেম্বৰ মাহত উদ্যোগ নীতি ঘোষণা কৰিছে, অসম চৰকাৰে কিয় ইমান দেৰি কৰিছে আৰু কেতিয়া ঘোষণা কৰা হব সেইটো জনাবনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— যিমান সোনকালে পৰা যায় সিমান সোনকালে ঘোষণা কৰা হব।

শ্ৰীমুকুট শৰ্ম্মা :— তেওঁ ভেইগ ৰিপ্লাই দিছে।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— তিনি মাহৰ ভিতৰত হব লাগে।

শ্ৰীকিৰণ বেজবৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়, এমাহৰ আগতে তেখেতে এটা পেপাৰত ষ্টেটমেণ্ট দিছিল তাৰ ওপৰত গুৰুত্ব কৰি অসম চৰকাৰে উদ্যোগ নীতি কৰা হব। অৱশ্যে সিদিনা তেখেতে কৈছিল, পাগলে নকয় কি ছাগলে নাখায় কি ? আৰু সুধিব বিচাৰিছো তেখেতে এই ষ্টেটমেণ্ট দিছিলনে নাই ? আৰু কিমান বছৰ দেৰি হব ?

Shri Nagen Chandra Barua : Sir, it was expunged. Why now there should be a reference to that statement ?

Shri Kiron Chandra Bezbarua :— Sir, my question has not been answered. I want to know why he is taking such a long time.

Shri Jagannath Singha, (Minister) :— Sir, it is in the final stage and it will be done very soon.

Shri Kiron Chandra Bezbarua :— Sir, will it be

contrary to the national policy ?

Shri Jagannath Singha, (Minister, Industries) :— It will be at par with the national policy ?

Shri Kiron Chandra Bezbarua :— And the national policy has been given one year back.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, এই যে উদ্যোগ মন্ত্ৰীয়ে কৈছে যে "উদ্যোগ নীতি ঘোষিত হোৱা নাই। অসম ৰাজ্যখন লাহে লাহে ৰাজ্য" তেনে অৱস্থাত উদ্যোগত পিছপৰা কিছুমান জিলাৰ কথা ঘোষণা কৰা হৈছে নে ? নগাওঁ জিলাত শ্যাম সুন্দৰ শৰ্মা, দে ৰাম আগৰৱালা, বিজয় থাইটন আৰু পি, দি গুপ্তক ৩ কোটি টকাৰ ইমপট লাইচেঞ্চ দিয়া কথাটো সঁচা নেকি ?

Shri Jagannath Sinha (Minister) :— Sir, the question is on Industrial policy. If the hon. Members put a separate question on that then I will come prepared with facts and figures and reply to their questions :

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, ইন্দাষ্ট্ৰীয়েল পলিচি ঘোষণা নকৰাৰ আগতে এই ইমপট লাইচেঞ্চ দিয়া কথাটো সঁচা নেকি ?- এমাহৰ ভিতৰত নগাঁৱত উদ্যোগ কৰিবলৈ তিনিচ কীয়াৰ পৰা অহা (তাৰে এজন মানুহৰ ইনকম টেক্স ফাকি দিয়া লোক আছে) সেই মানুহ কেইজনক ৩ কোটি টকা ইমপট লাইচেঞ্চ দিয়া কথাটো সচানে ?

Shri Jagannath Sinha (Minister, Industries) : — Industrial policy is there. The Hon. Members have brought

certain allegations. Definitely I will make enquiries about them and if anything wrong is found definietily drestric action will be taken against the wrong doers.

Shri Noorul Huda :— Sir, the Hon' Member, Shri Atul Goswami put a specific question and there is no earthly reason why the Minister should avoid it. He should say 'Yes,' or 'No'.

Shri Jagannath Sinha (Minister, Industries) :— Sir, the question is about industrial policy. Now it is with regard to allotment of raw materials and these are two different things.

( Noise )

Mr. Deputy Speaker :— Order please. Mr. Dutta.

Shri Noorul Huda :— No, Sir, we submit, Sir, that the Minister cannot get protection from the Chair. It will be very unfortunate ...... ( Noise in the House )

Mr. Deputy Speaker :— I am very sorry because I am not giving any protection to anybody. All the Hon'ble Members including the Ministers will get equal treatment from me.

Shri Noorul Huda :— In view of the policy whether the Minister has given licences or permits to the people

named by the Hon'ble Member, Shri Goswami :— It is a simple question.

Mr. Deputy Speaker :— I hope the Hon'ble Members will understand the point; The main thing is that when a question is put to a Minister he supposed to reply as he thinks necessary but if he does not have the information available with him he may inform the House accordingly and he can ask for time so that he can reply properly after all the information are collected by him.

Shri Jagannath Singha, (Minister) :— Sir, my point is that the question is on Inustrial policy and here the question has been raised about allotment of raw materials. That is why I have said that if a specific question is raised or put then I will give the detailed answer.

( Noise )

Mr. Deputy Speaker :— The Hon'ble Minister is stating that at present he is not in a position to reply but he will give the reply after he is prepared with all the information and I request the Hon'ble Minister to furnish the reply accordingly.

Shri Jagannath Singha ( Minister, Industries ) :— If a specific qustion is put I will definitely give the reply.

( Noise )

Mr. Deputy Speaker :— My point is this. I have requested the Hon. Minister that if he requires time he can take time but he must reply properly. That is the point.

Shri Benoy Kumer Basumatari :— Sir, a point of order. According to rule 35 of the rules of procedure and conduct of Business in Assam Legislative Assembly, "When a supplementary question is asked at any meeting of the Assembly and the Minister-in-charge askes for notice, the member who puts the question shall, if he desires to have an answer during session, supply copy of the question to the Secretary of the Assembly. If the question is not disallowed by the speaker, it will be immediately forwarded to the administrative department concerned with the request that it may be answered as soon as possible within the session".

( Noise )

Shri Mukut Sharma :— The point of order is out of order.

Shri Noorul Huda :— Sir, Minister may take sometime, but what about your ruling? Let him say that

he would take sometime to furnish the information which has been sought by Hon'ble Member Shri Atul Goswami :

Shri Jagannath Sinha ( Minister ) :— As I have already said Sir, the question is on industrial policy and not on supply of raw materials.

( Noise —— Noise )

Mr. Deputy Speaker :— First of all, please hear the Minister and then you can speak.

Shri Noorul Huda :— Sir, he has been repeating the same thing adnauseam.

Shri Dulal Chandra Barua (Minister) :— Sir, the question is very simple because in one sense the Minister is also correct. This is specific question regarding policy matter but that is about the allotment of raw materials. Since you have ordered, definitely from our side we should submit the information, but this is completely a saparate question, even then Govt. is ready to furnish the reply.

Shri Samsul Huda :— Sir, about the industrial policy we want further information. Whether those licences were granted according to the new policy of the

Janata Government or according to the old industrial policy of the out-going Govt ?

শ্ৰীনৰেন দত্ত :— উপাধ্যক্ষ মহোদয়, যি কোনো নীতি নিৰ্দ্ধাৰণ কৰা হোৱা নাই, তাৰ ফলত লাইচেন্স দিয়াটো নীতিৰ ভিতৰত নপৰিব নেকি ? এইটো সম্পূৰ্ণ নীতিৰ ভিতৰত পৰে। যদিহে নীতি নিৰ্দ্ধাৰণ কৰা হোৱা নাই তেনেহলে কেনেকৈ চেল্‌চ টেক্স দিবলৈ বাকী থকা মানুহক লাইচেন্স দিব পাৰিলে ?

Shri Jagannath Sinha, ( Minister ) :— Sir, at the moment the whole industrial policy which was declared on 8th March, 1979 is still there. Now till it is replaced by a new policy, it can not be said that Govt. can not do anything. Sir, the industrial policy mainly deals with the guidelines in respect of fiscal incentives, provision of infrustructure, marketing facilities, suitable power inventory expaniosn, financial assistance, taxation, plantation etc. and raw materials also.

শ্ৰীচিৰাজুল হক :— প্ৰশ্ন নং ৩৩০ (ক) ত কোৱা হৈছে যে আনুষ্ঠানিক ভাবে গ্ৰহণ কৰা হোৱা নাই। কিন্তু এতিয়া যি ব্যৱস্থাৰে কাম কৰি আছে এই দুয়োটা বৈষম্যৰ কথা নহয় নে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— নতুন উদ্যোগ নীতিৰ কথাহে কোৱা হৈছে।

শ্ৰীনৰেন দত্ত :— চৰকাৰৰ নতুন নীতি অনুসৰি ক্ষুদ্ৰ উদ্যোগ আৰু কুটিৰ শিল্প বিকাশ আৰু বিস্তাৰ সাধন কৰা নীতিৰ পৰিপ্ৰেক্ষিতত

নলবাৰী মহকুমাৰ নলবাৰী আৰু টিহু অঞ্চলত জাপি, বাহ-বেতৰ কাম, কমাৰ, কুমাৰ, ৰাঁহ, চিলাই আৰু এমব্ৰয়ডেৰী শিল্প বিলাকত প্ৰায় ১৫ হাজাৰ মানুহৰ অন্ন সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা যায়। এই কথাটো চৰকাৰে জানে নে? এই অঞ্চলৰ উক্ত শিল্প সমূহৰ বিকাশ সাধনৰ বাবে বিত্ত যোগান ধৰাৰ চৰকাৰে চিন্তা কৰিব নে?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী) :— গোটেই বস্তুটো পৰীক্ষা কৰি চোৱা হ'ব। and Govt. of India as well as the policy of the Janata party is that from city and capitals industries will be shifted in to the rural sector and definitely it will be looked into.

Shri Debananda Bora :— How the present district industries centres are formed ?

Shri Jagannath Sinha, (Minister) :— As per the decision of the Govt. of India.

Mr. Deputy Speaker :— I want to proceed to the next question, 331 -- Shri Nishit Ranjan Das.

(Noise) (Noise)

If we continue one question will take one hour. So, I cannot allow it to go like this. I am extremely sorry.

(NOISE) (NOISE)

I hope the Hon'ble Members will understand that

if we continue like this, one question may take such a long time that the whole question hour will be over in discussing one question only. Moreover, I have also expressed my desire to take up the pending questions.

(Noise)

Sorry, sorry, Mr. Hamen Das. Now Shri Nishit Ranjan Das.

Re: Extension of Assam State Transport Service up to Dharmanagar/Agartala

Shri Nishith Ranjan Das asked:

* 331, will the Minister, Transport be pleased to state—

(a) Whether Government propose to extend the Assam State Transport Service upto Dharmanagar/Agartala of Tripura to facilitate Inter State journey?

(b) If so, what is the probable time for commencement of this service?

(c) If the reply to (a) above is in negative. whether Government will consider the above matter?

Shri Zahirul Islam (Minister, Transport) replied:

331. (a) and (b)— A proposal is under consideration of the Goverment. As the matter has not yet been finalised it is not possible to indicate any probable time for commencement of this service.

(c) — The matter is under consideration.

শ্রীনিশীথ রঞ্জন দাস :— উপাধ্যক্ষ মহোদয়, ত্রিপুরার সঙ্গে আমাদের রাজ্যের যোগাযোগ ব্যবস্থার উন্নতি করার জন্য আমাদের রাজ্যিক পরিবহন সংস্থা বাস চলাচলের কাজের বিলম্ব হওয়ার কারণ কি ? বাস চলাচল ব্যবস্থা তরান্বিত করার জন্য কি ব্যবস্থা গ্রহণ করা হবে মন্ত্রী মহোদয় জানাবেন কি ?

শ্রীজহিরুল ইসলাম (মন্ত্রী) :— চুড়াইবাড়ী-করিমগঞ্জ, এই রাস্তাটি ন্যাশনেলাইজ করার জন্য ব্যবস্থা নেওয়া হচ্ছে এবং তা আগামী মার্চ মাসের ভিতর শেষ হবে বলে আশা করা যায়। তাছারা ত্রিপুরার সঙ্গে যোগাযোগ ব্যবস্থার ব্যাপারে রিসিপ্রকেল এগ্রিমেন্ট করার জন্য ড্রাফট তৈরি করা হয়েছে। সেটা হওয়ার সঙ্গে সঙ্গে ত্রিপুরা সরকারের আলোচনা করার ব্যবস্থা করা হবে।

Shri Abdul Muqtadir Choudhury :— Sir, whether the proposal is for extending the service to Dharamnagar or to Agartala ?

শ্রীজহিরুল ইসলাম (মন্ত্রী) :— দুটোই হতে পারে। ধর্মনগর আগরতলা দুটোই হতে পারে।

Shri Abdul Muqtadir Choudhury :— Sir, it is no

use extending the service to Agartala. This matter may be taken up with the Govt. of Tripura.

শ্ৰীজহিৰুল ইসলাম (মন্ত্ৰী) :— বৰ্ত্তমানে ধৰ্মনগৰ পৰ্যন্ত ব্যৱস্থা আছে। আগৰতলা পৰ্যন্ত হ'ব পাৰে।

শ্ৰীঅতুল গোস্বামী :— ৰাস্তা ৰাষ্ট্ৰীয়কৰণতে অকল ব্যস্ত নাথাকি যাত্ৰীসকলৰ সা-সুবিধাৰ কাৰণে যে বাছবিলাক ভাল ধৰণে ৰাখিব লাগে আৰু যাত্ৰীৰ প্ৰয়োজন অনুসৰি যাতে বাছবিলাক পোৱা যায় তাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— বাছৰ প্ৰয়োজন ভিত্তিত পুজিৰ অভাৱত বাছ কিনিব পৰা নাই সম্ভৱ নহয়। তথাপি মেইণ্টেনেন্স ইম্প্ৰুভ কৰাৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীঅজয় দত্ত :— ৰেচিপ্ৰকেল এগ্ৰিমেণ্ট অকল ত্ৰিপুৰাৰ লগতেই নহয়, ভুটান, অৰুণাচলৰ বাছ আমাৰ ইয়ালৈ আহে। গতিকে তেওঁলোকৰ লগতো এগ্ৰিমেণ্ট কৰিব নে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— আমাৰ ওচৰ-চুবুৰীয়া সকলোৰে লগতে কৰা হব। ইতিমধ্যে মেঘালয়, অৰুণাচল, মিজোৰাম, পশ্চিমবঙ্গ আদিৰ লগত এই এগ্ৰিমেণ্ট কৰাৰ ব্যৱস্থা চলাই থকা হৈছে।

শ্ৰীবীৰেণ চৌধুৰী :— মন্ত্ৰী মহোদয়ে কৈছে যে আৱশ্যকীয় অনুপাতে বাছ কিনিব লাগিব। কিন্তু ১৯৭৮-৭৯ চনত ৰাজ্যিক পৰিবহণৰ কাৰণে কৰ পৰা কিমানখন বাছ কিনা হল ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— চৰকাৰৰ মিবিলাক এজেণ্ট আছে

সেই বিলাকৰ পৰা কিনা হয়। যোৱা এক বছৰৰ ভিতৰত এই নিগমক ৭০ খন বাছ কিনিবলৈ দিয়া হৈছে।

শ্ৰীকিৰণ বেজবৰুৱা :— যিহেতু অসমৰ ভিতৰত্তে এই পৰিবহণ নিগমৰ বাছ বিলাকৰ যোগাযোগ ভাল নহয় তেনে ক্ষেত্ৰত এই নিগমৰ বাছ বিলাক কি উদ্দেশ্যৰে আন্তঃৰাজ্যিক কমিউনিকেশ্যনৰ কাৰণে যেনে ভুটান, অৰুণাচল আদিত দিয়াৰ ব্যৱস্থা কৰিছে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— এইটো ৰাইজৰ দাবী সাপেক্ষে কৰিবলৈ লোৱা হৈছে।

Shri Narendra Narayan Basumatari :— Sir, I want to know from the Hon'ble Minister that the Bhutan Govt. has been playing State buses upto Borkikhat district headquarters. Will the Assam Govt. also make an agreement with the Govt. of Bhutan to ply Assam State buses up to Bhutan area ? Will the Hon'ble Minister inform the House ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— সেইটোৰ কাৰণে ভুটানৰ লগত যোগাযোগ কৰি থকা হৈছে।

শ্ৰীছামচুল হুদা :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই বাচ কিনা ক্ষেত্ৰত পুঁজিৰ কথা উল্লেখ কৰিছে। পুঁজিৰ অভাৱত বাচ বঢ়োৱাৰ ব্যৱস্থা কৰিব পৰা নাই যদি অসমত থকা নেচনেলাইজড বেঙ্ক সমূহৰ পৰা ঋণ লৈ বাচ কিনাৰ ব্যৱস্থা কৰিব নোৱাৰে নেকি ?

শ্ৰীজহিৰুল ইছলাম ( মন্ত্ৰী ) :— সেইটোত ইন্টাৰেষ্ট বেছি সেই

কাৰণে চিন্তা কৰিব পৰা হোৱা নাই।

শ্ৰীচামচুল হুদা:— মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ইণ্টাৰেষ্ট বেছি হয়। প্ৰফিটতকৈ ইণ্টাৰেষ্ট বেছি হয় নেকি? অন্যান্য ওৱেলফেয়াৰ ষ্টেটৰ সমানে সমানে যাবলৈ হলে আমাৰ ইয়াতো শিল্পৰ উন্নতি, নিয়োগৰ ব্যৱস্থা আদি সকলোবিলাক ইয়াৰ লগত জড়িত হৈ আছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰো নেকি যে ছয় মাহমানৰ ভিতৰতে এনেধৰণৰ বিশেষ ব্যৱস্থা লব?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন মন্ত্ৰী):— বাচৰ বডি চাপ্লাই কৰিব পৰা নাই। এজেণ্ট বিলাকে গোটেইখিনি চাপ্লাই কৰিব পৰা নাই। কাৰণ কিছুমান বস্তু বাহিৰৰ পৰা আনিব লগা হৈছে। এই বছৰতেই টকা যথেষ্ট ধৰা হৈছে। অহা বছৰলৈ আৰু পুজি ডাঙৰ কৰা হব।

(সদনত গোলমাল হয়)

শ্ৰীদেৱান জয়নাল আবেদীন:— অসমৰ গোটেই বিলাক সমষ্টিৰ ভিতৰেদি ষ্টেট ট্ৰেন্সপোৰ্টৰ বাচ চলাচলৰ ব্যৱস্থা হৈছে নেকি?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন মন্ত্ৰী):— উপযোগী হলে নিশ্চয় চলোৱা হব।

Re : Directorate of Evaluation and Monitoring

Shri Noorul Huda asked :

*332. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that in the Directorate of Evaluation and Monitoring, as many as 18 (Eighteen) Officers took charge as Directors during the year 1965 and 1979.

(b) Since the above stated frequent changes have impeded smooth functioning of the Directorate, whether the Government would appoint a wholetime Technical Director in the Directorate ?

(c) Whether the Government would consider strengthening the Directorate of Evaluation and Monitoring ?

(d) Whether sanctions of some new posts in the Directorate have been accorded by the Planning Commission and if so, when these posts will be filled up ?

(e) How many field units (with their locations) are there in the Directorate ?

(f) Whether the Government proposes to set-up new field units ?

Shri Golap Borbora (Chief Minister) replied :

332. (a)— Yes.

(b)— It is not proposed to reserve this post for a technical officer. The post is filled up with officers ha-

ving wide administrative experience as the work involves over-all appreciation of schemes in different sectors. Every effort is made to keep an Officer in every post for a sufficiently long time. But it is a fact that in case of this post, relatively more frequent transfers took place due to exigencies of service. Effort will be made to avoid too frequent transfars in future.

(c)— Government is considering the strengthening of the Directorate of Evaluation and monitoring, particularly, in the context of the recent formation of the Planning Board.

(d)— Planning Commission have approved some new posts in the Directorate and as and when considered necessary, these will be filled up after the State Planning Board starts functioning.

(e)— There are three field units located at Jorhat, Tezpur and Silchar.

(f)— There are no immediate proposale to set-up new field units. However the draft plan (78-83) proposes to establish one more field office at Dhubri and establish sub-units under an Assistant Research Officer at Dibrugarh, Diphu, North Lakhimpur, Nowgong and Barpeta. A decision on this will be taken only after

the draft plan (78-83) is finalised.

Shri Noorul Huda :— Sir, I would like to know from the hon'ble Chief Minister as to what are the new posts which have been santioned in the Directorate of Evaluation and Monitoring ?

Shri Golap Borbora (Chief Minister) :— The new posts are :—

| | | | |
|---|---|---|---|
| 1. | Chief of Division | — | 1 |
| 2. | Dy. Chief of Division | — | 3 |
| 3. | Research Officer | — | 3 |
| 4. | Asstt. Research Officer | — | 2 |
| 5. | Research Assistant | — | 13 |
| 6. | Statistical Investigator | — | 6 |
| 7. | Computor | — | 4 |

Starred Question Nos. 333 and 334 were not put, the Members being absent.

### Re : Veterinary Dispensaries and Sub-centres of Barpeta Subdivision

Shri M. Ibrahim Ali asked :

* 335. Will the Minister, Veterinary be pleased to

state—

(a) What are the total numbers of Veterinary Dispensaries and Veterinary Sub-Centres in Barpeta Subdivision that comprises about 14 lakhs of population at present ?

( Constituency wise figure to be shown. )

(b) Whether the condition of Veterinary Sub-centres in the most backward and flood affected-Baghbar Constituency is very bad ?

(c) If so, what steps the Govenment have taken for the improvement of their condition to provide better service to the Cattle population of the area ?

(d) Whether it is a fact that Baghmara Veterinary Sub-centre of Baghbar has no Field Officer and medicine ?

Shri Samar Brahma Choudhury ( Minister, Veterinary ) replied;

335. (a)— There are 17 Veterinary Dispensaries, 2 Veterinary Hospitals and 39 Veterinary Aid Centres in Barpeta Subdivision ( A Statement showing the Constituency wise figure is placed on the Table of House).

(b)— The conditions are not satisfactory.

(c)— Staps are being taken for reconstruction of the buildings.

(d)— It is not a fact.

Shri M. Ibrahim Ali :— Mr. Deputy Speaker, Sir. In reply to (c) it is said that steps have been taken to construct the sub-centres. Will the Minister please state whether placing of doctors and supply of medicines have provisioned or not ?

Shri Samar Brahma Choudhuri (Minister):— According to present pattern doctors are not placed in sub-centres only V.F.As. are ptaced.

Shri M. Ibrahim Ali :— Whether these 39 sub-centres have been furnished with field officers or not ?

Shri Samar Brahma Choudhury (Minister) :— Yes.

Shri M. Ibrahim Ali :— Then may I bring to your notice that in Baghmara sub-centre there is no field officer for last three years ?

Shri Samar Brahma Choudhury (Minister) :— I shall look into it.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই যে চাব-চেণ্টাৰ ভেটেনাৰী হস্পিতাল বিলাক আছে, এইবিলাকত গৰু-মহ চিকিৎসা কৰিবলৈ কৃষক সকল আহে।

এইবিলাকত ইনজেকচন, ঔষধ-পাতি আদি হস্পিতালৰ পৰা দিয়ে। এই-বিলাকৰ কাৰণে তেওঁলোকে দাম দিব লাগে নেকি? যদি লাগে এনে ব্যৱস্থা কিমান হস্পিতালত চলি আছে? সেইটো মন্ত্ৰী মহোদয়ৰ দৃষ্টি-গোচৰ হৈছে নেকি?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— যিবিলাক ঔষধ-পাতি চৰকাৰৰ পৰা যোগান ধৰা হয়, সেইবিলাকৰ কাৰণে দাম দিব নালাগে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অসমত সাধাৰণতে ফুট এণ্ড মাউথ ৰোগ বেচি হয়। খুৰা ফাটে। ইয়াৰ ঔষধ ইটালীৰ পৰা অনা হয়। বহু বছৰ ধৰি এই হস্পিতাল বিলাকত এনে ঔষধ পোৱা নাই। চৰ-কাৰৰ ফালৰ পৰা কিবা ব্যৱস্থা লবনে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী):— বিবেচনা কৰি চোৱা হব।

Shri Abdul Muqtadir Choudhury :— Is it a fact that medicines are not available almost throughout the year in the veterinary dispensaries?

Shri Samar Brahma Choudhury (Minister) :— It is not a fact. But it may inform the hon'ble House that as per present pattern roughly Rs. 2500/- is available per dispensary and each dispensary more or less covers 25 sq. miles. So with this meagre amount it is not possible to provide all the necessary medicines to needy people.

Shri Abdul Muqtadir Choudhury :— Whether

Govt. will try to allot sufficient fund?

Shri Samar Brahma Choudhury (Minister) :— This time we have requisitioned for more fund.

শ্ৰীজয়নাল আবেদিন :— আজি কালি বহু ধৰণৰ বেমাৰৰ ঔষধ তৈয়াৰ কৰা হয়, কিন্তু এইটো কথা সচাঁনে ভাৰতীয় হস্পিতাল বিলাকৰ চাব-চেণ্টাৰবোৰত ঔষধৰ কোনো ধৰণৰ যোগান ধৰা নহয় বিশেষকৈ চৰকাৰৰ ফালৰ পৰা ?

Shri Samar Brahma Choudhury (Minister) :— I shall look into it.

বিষয় : মাহমৰা সমষ্টিৰ ব্লেকটপিং কৰা ৰাস্তা.

শ্ৰীবুদ্ধ বৰুৱাই সুধিছে :

* ৩৩৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গত ১৯৭৮ চনৰ শীত কালিন বিধান সভাৰ অধিবেশনত এটা প্ৰশ্নৰ উত্তৰত মাহমৰা সমষ্টিৰ অন্তৰ্গত ১৫৭.১৭ কিলোমিটাৰ ৰাস্তাৰ ভিতৰত ৩০.৩০ কিলোমিটাৰ ৰাস্তা ব্লেকটপিং কৰা হৈছে বুলি জনোৱা বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে কোন কোন ৰাস্তাত কিমান কিলোমিটাৰ

ব্ৰেকটপিং কৰা হৈছে তাক বেলেগে বেলেগে দেখুৱাবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৩৬। (ক)— হয়, জানে।

(খ)— ব্ৰেকটপিং কৰা ৰাস্তা কেইটা তলত দিয়া হল—

| | | |
|---|---|---|
| (১) | ৩৭ নং ঘাইপথ | ৯.০০ কিঃ মিঃ |
| (২) | ধোদৰ আলি বাজ্যিক ঘাইপথ | ৪.৫০ কিঃ মিঃ |
| (৩) | মৰাণহাট ষ্টেচন ফিডাৰ ৰড | ০.৪০ কিঃ মিঃ |
| (৪) | মৰাণ বনমালী ৰড | ০.৪০ কিঃ মিঃ |
| (৫) | বাঁজগড় আলি | ১৫.০০ কিঃ মিঃ |
| (৬) | গড়গাওঁ এপ্ৰচ ৰড | ১.০০ কিঃ মিঃ |
| | মুঠ— | ৩০.৩০ কিঃ মিঃ |

শ্ৰীবুদ্ধ বৰুৱা :— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে যিটো ৰাজগড় আলি আছে সেইটো ব্ৰেকটপিং কৰা হৈছে কিন্তু এইটো গড়কাপ্তানী বিভাগৰ জৰিয়তে কৰা হৈছে নে অ', এন,জি, চি'ৰ জৰিয়তে কৰা হৈছে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) :— আমাৰ নিজৰ টকা আছে কিন্তু পিচত খবৰ কৰি গম পালো যে অ, এন, জি, চি, য়ে অলপ টকা মেৰামতিৰ কাৰণে দিছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— ১৯৭৮-৭৯ চনত আটাইবিলাক সমষ্টিতকৈ মন্ত্ৰী ডাঙৰীয়াৰ সমষ্টিত বেছি ব্ৰেকটপিং হৈছে এইটো সচাঁনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) :— সেইটো সত্য নহয়।

শ্ৰীবুদ্ধ বৰুৱা :— যিটো ৰাষ্টা নাজিৰাইদি নামৰূপলৈ গৈছে সেই ৰাষ্টাটো আমি মাহমৰা সমষ্টিৰ ৰাষ্টা বুলি ধৰিম নে নাজিৰা সমষ্টিৰ ৰাষ্টা বুলি ধৰিম ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) :— লিংক ৰাষ্টা বিলাক যিটোকে ইচ্ছা সেইটোকে ধৰিব পাৰি।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কেৱল মাননীয় সদস্য শ্ৰীবুদ্ধ বৰুৱাৰ মাহমৰা সমষ্টিৰ কথাই নহয় তাৰ উপৰিও অসমত ১২৬ টা সমষ্টি আছে গতিকে সকলো মাননীয় সদস্যৰ সমষ্টি বিলাকতো অলপ অলপ ব্লেকটপিং কৰাৰ কাৰণে আশ্বাস দিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) :— আমাৰ দায়ীত্ব মতে কেৱল আশ্বাস দিয়াই নহয় কাৰ্য্য প্ৰয়োজনীয় সকলো বিলাকে ব্লেকটপিং কৰিবলৈ ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। যিমানবোৰ নতুন ৰাষ্টা আৰু এক্জিচটিং ৰাষ্টা আছে সেই বিলাককো সম্পূৰ্ণ উন্নত কৰাৰ কাৰণে চৰকাৰে সিদ্ধান্ত লৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া :— উপাধ্যক্ষ মহোদয়, ৰাজগড় আলিটো গড়কাপ্তানী বিভাগে ব্লেকটপিং কৰাৰ কথাটো মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে; কিন্তু ৰাজগড় আলিটো মেৰামতি কৰাৰ দায়িত্ব অ, এন, জি, চিয়ে লৈছে নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী মন্ত্ৰী) :— অ,এন,জি,চিয়ে কেৱল টকাহে দিয়ে ৰাষ্টাৰ সকলো মেৰামতিৰ দায়িত্ব ৰাজ্যিক বিভাগত থাকে।

শ্ৰীনজমুল হক :— কিছুমান সমষ্টিত ব্লেকটপিং আছে আৰু কিছু-

মান সমষ্টিত মুঠেই নাই তাৰ ফলত মানুহৰ মাজত এটা বেয়া অৱস্থাৰ সৃষ্টি হৈছে। গতিকে এই বেয়া অৱস্থাটো দূৰ কৰিবলৈ চৰকাৰে চেষ্টা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী মন্ত্ৰী ) :— দূৰ কৰিবলৈ চেষ্টা কৰা হব।

শ্ৰীবীৰেশ মিশ্ৰ :— মহোদয়, লংকা থেকে গৰমপানী হয়ে শিলচৰে যে ৰাস্তা গিয়েছে সেটা অত্যন্ত গুৰুত্বপূৰ্ণ ৰাস্তা। কিন্তু এই ৰাস্তা দিয়ে গাড়ি চলা একেবাৰে অসম্ভব হয়ে গিয়েছে। সেই ৰাস্তাৰ ব্লেক-টপিংএৰ কাজ হতে নেওয়া সম্পৰ্কে মন্ত্ৰী মহোদয় আমাদেৰে কিছু বলবেন কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী, গড়কাপ্তানী) ঃ— ব্লেক টপিঙৰ কাম দ্ৰুত গতিত চলাবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীউমেশ দাস ঃ— ব্লেকটপিং কৰিবলৈ দিয়া স্বত্বেও বিভাগে নকৰো বুলি সিদ্ধান্ত কৰিছে এইটো সচাঁনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী গড়কাপ্তানী) ঃ— বিভাগে সিদ্ধান্ত লব নোৱাৰে গতিকে কৰা হব।

Starred Question No. 337 was not put, the member being absent.

বিষয় ঃ অসমীয়া কথাছবিৰ বাধ্যতামূলক প্ৰদৰ্শন

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

* ৩৩৮। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ চিনেম' প্ৰযোজক সন্থাই অসমৰ ছবি ঘৰসমূহত বছৰি অসমীয়া কথাছবিৰ ৮৪ টা বাধ্যতামূলক প্ৰদৰ্শন কৰিবৰ কাৰণে সাংস্কৃতিক মন্ত্ৰী মহোদয়ৰ হাতত এখন স্মাৰক পত্ৰ দিয়া কথাটো সচাঁনে ?

(খ) যদি সচাঁ, এই সম্পৰ্কে চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৩৩৮। (ক)— হয়, সঁচা।

(খ)— হয়, ৮৪টা প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীমুকুট শৰ্মাঃ— মন্ত্ৰী মহোদয়ে জনাবনে— অসমত কেইটা চিনেমা হল আছে ? বছৰি ৮৪ টা চিনেমা প্ৰদৰ্শিত কৰাৰ হিচাপ চৰকাৰৰ হাতত আছেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক মন্ত্ৰী) ঃ— সেই হিচাপ যোৱা ফেব্ৰুৱাৰী মাহত দিছো। গতিকে এতিয়া আৰম্ভই কৰিব পৰা নাই। সেইটো অহা বছৰলৈ প্ৰশ্ন কৰিলেহে ভাল হব।

শ্ৰীমুকুট শৰ্মাঃ— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অহা বছৰত প্ৰশ্ন কৰিবৰ কাৰণে কৈছে। কিন্তু যোৱা বছৰত এনেকুৱা এটা প্ৰশ্ন তোলা হৈছিল তেতিয়াও মন্ত্ৰী মহোদয়ৰ উত্তৰত কোৱা হৈছিল অসমীয়া চিনেমা ইমান ওলোৱা নাই। গতিকে ৮৪ খন চিনেমা কৰিব পৰা নাই। কিন্তু অসমীয়া চিনেমা বছৰি কেইবাখনো ওলাই আছে। আৰু ৮৪ খন চিনেমা কৰি আছে। সেইবিলাক চিনেমা হলে— তেওঁলোকৰ লাইচেন্স ৰিনিউ

কৰি আছে আৰু কেনে অৱস্থাত কৰি আছে — মন্ত্ৰী মহোদয়ে চাইছেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক মন্ত্ৰী) :— সেইটো চোৱা হৈছে- কিন্তু এইটোও কওঁ যে— আগতে অসমীয়া কথাছবি বেছি হোৱা নাছিল। এতিয়া কিন্তু কব নোৱাৰো কিয় জনতাচৰকাৰ হবৰ পৰা অসমীয়া কথা- ছবি বেছি হব ধৰিছে।

শ্ৰীমুকুট শৰ্ম্মা :— মন্ত্ৰী মহোদয়ে কৈছে— আগতে চিনেমা বেছি হোৱা নাছিল। কিন্তু কিয় হোৱা নাছিল ? মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি চাবনে ? কি অসুবিধাৰ কাৰণে অসমীয়া চিনেমা হব পৰা নাছিল ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক মন্ত্ৰী) :— আগতে চিনেমা প্ৰযো- জনা কৰা লোক সকলক যি ধৰণে মৰমৰ চকুৰে চাব লাগিছিল সেইদৰে চোৱা নাছিল। এতিয়া জনতা চৰকাৰে মৰমৰ চকুৰে চোৱাৰ উপৰিও ভেওঁলোকৰ চৰণ চুই মাতিছো।

শ্ৰীইব্ৰাহিম আলি :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে বাধ্যতামূলক কাৰ্য্য কেতিয়া ঘোষণা কৰা হৈছিল আৰু দ্বিতীয়তে যি সকলে বাধ্যতামূলক নীতি উলংঘা কৰিছিল সেইসকলক কেনে ধৰণৰ শাস্তি দিয়া হৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী, সাংস্কৃতিক বিভাগ) :— কেনেধৰণৰ শাস্তি সেইটো ইয়াত আছে যে বিনিউ কৰা সকলৰ প্ৰতি বিবেচনা কৰা হব। এইটো আগতেই হৈ আছে। কিন্তু মই নাজানো এইবোৰ কিয় পালন কৰিব পৰা নাই। কোনো কোনো ক্ষেত্ৰত আমাৰো দুৰ্ব্বলতা আছিল — যিহেতুকে আমাৰ উপযুক্ত আৰু ভাল ছবি নথকাৰ কাৰণে। ছবি ভাল হলে মই ভাবো এনেকুৱা কোনো প্ৰদৰ্শনৰ ব্যৱস্থা নাথাকিব। অসমত অসমীয়া আৰু বঙালী ছবিহে প্ৰদৰ্শন হব বুলি আশা কৰো।

শ্ৰীবীৰেণ চৌধুৰী :— আমাৰ সদনৰ মাননীয় সদস্য সকলৰ যি সকলৰ চিনেমাৰ অভিনেতা বা অভিনেত্ৰী হোৱাৰ ইচ্ছা আছে সেই সকলক লৈ চিনেমা কৰাৰ কথা বিবেচনা কৰিবনে ?

মঃ ছামছুল হুদা :— এইটো কথা চৰকাৰৰ পৰা জানিব পাৰোনে যে— অসমত অসমীয়া কথাছবি নিৰ্ম্মাণৰ কাৰণে জ্যোতি চিত্ৰবনত যেনে প্ৰয়োজনীয়তা আছে তাৰ আৱশ্যকীয় বস্তু-বাহানিৰ একেবাৰে অভাৱ। এই অভাৱ গুচোৱাৰ ক্ষেত্ৰত চৰকাৰে এই ষ্টুডিঅ'টোত যিবিলাক বাধা আছে সেইবিলাক সমাধা কৰিবলৈ বাধ্য হবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী, সাংস্কৃতিক বিভাগ) :— এইটো কথা ঠিক যে— এখন ছবি সম্পূৰ্ণ ভাবে কৰিবলৈ যিখিনি সুবিধা লাগে সেইখিনি জ্যোতি চিত্ৰবনত নাই। মই এইটো কব পাৰো যে ভগবানে ৰাখিলে সেই অসুবিধা দূৰ হব। যিহেতু এই বিষয়ত মোৰ অন্ততঃ কিছু জ্ঞান হৈছে। সেই কাৰণে কেনেভাবে ছবি সম্পূৰ্ণ হয় তাৰ ব্যবস্থা কৰা হৈছে আৰু আমাৰ আন এজন শিল্পৰসিক ডাক্তৰ তাৰিণী বৰুৱাৰ নেতৃত্বত এটা কমিটি গঠন কৰি দিয়া হৈছে। লগতে অসমৰ যিসকল কলা-কুশলী আছে সেইসকলকো সংযোগ কৰি এই কমিটি কৰা হৈছে। তেওঁলোকে ডেমক্ৰেটিক সিদ্ধান্তলৈ গোটেই বিলাক কৰি লব পাৰে।

শ্ৰীনিশিথ ৰঞ্জন দাস :— উপাধ্যক্ষ মহোদয়, এক শ্ৰেণীর চিত্র প্রযোজক তাদের প্রযোজিত চিত্র প্রদর্শনিতে অপসংস্কৃতি প্রচার করছে। এই সব অপসংস্কৃতিমূলক ও যৌন উত্তেজক ছবি প্রদর্শনী বন্ধ করার ব্যাপারে কোনও পরিকল্পনা আমাদের সরকারের আছে কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক মন্ত্ৰী) :— এইটো চেঞ্চৰ দিয়াৰ পিচত কোনেও বাধা কৰিব নোৱাৰে। চেনচৰত পাছ হৈ যোৱাৰ পিচত

প্ৰদৰ্শনৰ বাবে চৰকাৰে বাধা কৰিব নোৱাৰে।

Starred Question Nos. 339 and 340 were not put, the Members being absent.

## Re : Hats and pounds

Shri Mathias Tudu asked :

* 341. Will the Minister, Panchayat be pleased to state—

(a) Whether Government is aware that the Hats and pounds lying within the Goan Panchayats in Reserve Forest area are still under Forest Department ?

(b) If so, whether Government proposed to transfer the said Hats and pounds to the Gaon Panchayat in order to strengthen the financial condition of Panchayat in Forest Area ?

Shri Zahirul Islam (Minister, Panchayat) replied :

341. (a)— Yes.

(b)— Reserved forest are so long not recorded as villages as envisaged in Section 2 (28) of the Assam Panchayati Raj Act, 1972. As such the Act does not

extend to cover the reserved forests. The question of transferring the Bazars or cattle pounds located in the reserved forests to the Goan Panchayat therefore does not arise.

শ্ৰীমিথিয়াচ টুডু :— উপাধ্যক্ষ মহোদয়, যিহেতুকে গাওঁ পঞ্চায়ত বিলাকৰ চঁচ অৱ ইনকাম এটাই সেই কাৰণে ফৰেষ্ট ৰিজাৰ্ভৰ ভিতৰত থকা গাওঁ পঞ্চায়ত বিলাক এই ইনকামৰ পৰা বঞ্চিত হৈ আছে তাৰ ফলত আয় কম হোৱা বাবে উপযুক্ত ভাবে উন্নয়নমূলক কাম কৰিব পৰা নাই। গতিকে এই বিষয়ে চৰকাৰে চিন্তা কৰিব নে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :— এইটো ফৰেষ্ট বিভাগৰ লগত আলোচনা কৰি বিবেচনা কৰা হব।

Shri Ranendra Narayan Basumatari:— Mr. Deputy Speaker Sir, the hon'ble Minister himself is very much aware of the district where the Panchayats are very much financially weak and cannot run the administration of the Gaon Panchayat apart from doing any welfare work for the people in the Panchayat jurisdiction. So, when the Minister himself is aware, will the Minister in the Government examine further possibility for transferring of hats and Bazars lying in reserve forests for the welfate of the people? Will the Minister do something expeditiously on this matter?

Shri Zahirul Islam (Minister):— Sir, this is being

considered by the Forest Department itself.

Shri Ranendra Narayan Basumatari :— Will the Minister take up immediately with the Minister, Forest in this regard and come to a decision early ?

Shri Zahirul Islam (Minister) :— I have already answered this question.

Shri Premodhar Bora :— Sir, may I know what is the executing agency for collecting revenue from the hats and bazars of reserve forest areas ?

Shri Zahirul Islam (Minister) :— This is collected by the Forest Department.

বিষয় ঃ বয়ন শিল্প কেন্দ্ৰ

শ্ৰীনৰেন্দ্ৰ নাথ দত্তই সুধিছে ঃ

* ৩৪২। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নিবনুৱা সমস্যা সমাধানৰ অন্যতম পথ হিচাবে আটাইতকৈ বৃহত্তম কুটিৰ শিল্প হিচাবে বয়ন শিল্পত নিবনুৱা শিপিনী নিয়োগ কৰাৰ কাৰণে প্ৰতি মৌজাত একোটা বয়ন শিল্প কেন্দ্ৰ খোলাৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

(খ) যদি কৰা নাই, এই আঁচনি অহা বিত্তীয় বছৰত চৰকাৰে গ্ৰহণ কৰিবনে ?

শ্ৰীগান্ধীৰাম টিমুং ( ৰেচম আৰু বয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৪২। (ক)— প্ৰত্যেক মৌজাত বয়ন শিল্পৰ কেন্দ্ৰ খোলাৰ কোনো আঁচনি বৰ্ত্তমানে লোৱা হোৱা নাই।

(খ)— যথেষ্ট পৰিমাণ অৰ্থৰ অভাৱত তেনে কোনো আঁচনি লব পৰা নহব।

শ্ৰীনৰেণ দত্ত :— উপাধ্যক্ষ মহোদয়, ১৯৭৩ চনতে গঠিত ভাৰত চৰকাৰৰ ৰিপৰ্টত অসমৰ ৫ লাখ ৯০ হাজাৰ ৪০৮ খন তাতশালৰ কথা থকাটো উল্লেখ আছে। সেই তাতশাল বিলাকৰ কিমান বিলাক চালু অৱস্থাত আছে ? এই গোটেই বিলাক তাঁতশাল যদি ভাল অৱস্থাতে থাকে তেনেহলে ৩০ লাখ মানুহৰ সমস্যা সমাধান হব। যিহেতুকে কুটিৰ-শিল্পৰ বিকাশৰ কাৰণে যথেষ্ট সম্ভৱনা আছে। মহামানৱ গান্ধীজীৰ মতে শিপিনীয়ে কাপোৰতে সপোন ৰচনা কৰিব পাৰে। আজি আমাৰ চৰকাৰে ১০ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান হব বুলি কৈছে। এই লুম বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে যদি ব্যৱস্থা লোৱা হয় তেনেহলে আমাৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত ই সহায় নকৰিবনে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— মাননীয় সদস্যই যিটো ৰিপৰ্টৰ কথা কৈছে সেইটো মোৰ হাতত পৰা নাই। এইটো অনুসন্ধান কৰি বিবেচনা কৰিম।

শ্ৰীপ্ৰেমধৰ বৰা :— উপাধ্যক্ষ মহোদয়, আমাৰ মহামানৱ মহাত্মা গান্ধীয়ে কুটিৰ শিল্পৰ সম্প্ৰসাৰণ কৰি গ্ৰাম্য অৰ্থনীতি উন্নত কৰাৰ কথা

কৈছিল। আমাৰ মাননীয় মন্ত্ৰী গান্ধীৰাম টিমুং ডাঙৰীয়াইও এই সম্পৰ্কে বৃহৎ পৰিকল্পনা কৰি গোটেই ৰাজ্যকে সামৰি লৈ প্ৰতি অঞ্চলতে কুটিৰ শিল্পৰ কাম বয়ন বিভাগে কৰিব পৰাকৈ এটা দীঘলীয়া আঁচনি কৰাৰ চিন্তা মন্ত্ৰী মহোদয়ে কৰিবনে?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— এইটো কৰিবলৈ ইচ্ছা আছে। কিন্তু আমি সকলো আঁচনি কৃতকাৰ্য্য কৰিব পৰা নাই। বিশেষকৈ আমাৰ কুটিৰ শিল্পৰ আৰু চেৰিকালচাৰ উইভিংৰ ক্ষেত্ৰতো তেখেত সকলে সহায় কৰিলে কৃতকাৰ্য্য হব পাৰিম।

Starred Question Nos. 343, 344 and 345 were not put, the Members being absent.

বিষয় ঃ কাটাখাল রেলওয়ে ব্রীজের পাশে Electrical line wire জব্দ

শ্রীরামেন্দ্র দে জিজ্ঞাসা করিয়াছেন ঃ

* ৩৪৬। মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি—

(ক) ১৭.১১.৭৯ ইং রাত্রে কাটাখাল রেলওয়ে ব্রীজের পাশে হাইলাকান্দি পুলিশ কিছুটা Electrical line wire চোরাইভাবে পাচার হওয়ার সময় আটক করেছিল কি?

(খ) যদি করে থাকে, চোরাই তারের পরিমাণ কত আর তার মূল্য কত, এর ট্রাকের নম্বর কত?

(গ) চোরাই তারের সঙ্গে যুক্ত ঐ ট্রাকে থাকা ব্যক্তিদেরকে গ্রেপ্তার করা হয়েছে কি এবং তারা কোন সরকারী বিভাগে কাজ করে কি?

(ঘ) কোন Electric Division থেকে কি ভাবে কখন এই তার চুরি হয়েছে?

(ঙ) এটা কি সত্য যে, বহুদিন যাবৎ এ ধরণের ঘটনা ঘটে আসছে এবং কিছু সংখ্যক বিভাগীয় পদস্থ অফিচার এসবের সঙ্গে যুক্ত?

(চ) সরকার এসব ব্যাপারে একটা তদন্ত করবেন কি?

শ্রীগোলাপ বরবরা (মুখ্যমন্ত্রী) উত্তর দিয়েছেন ঃ

৩৪৬। (ক)— জব্দ করা হয়েছিল।

(খ)— পুলিশে জব্দ করা তারের ওজন ও মূল্য যথাক্রমে আনুমানিক ৭০০ কেজি ও ৪০,০০০ (চল্লিশ হাজার) টাকা হবে। এই ঘটনার সঙ্গে জড়িত মালগাড়ীর নম্বর এ, এস, সি, ৪৪১৮।

(গ)— এই ঘটনার সঙ্গে জড়িত আটজন ব্যক্তিকে ইতিমধ্যে গ্রেপ্তার করা হয়েছে এবং তাদের কেউই সরকারী কর্ম্মচারী নন।

(ঘ)— এই তার বদরপুর বিদ্যুৎ সংমণ্ডল এলেকা থেকে চুরি করা হয়েছিল বলে সন্দেহ করা হচ্ছে। কারণ ঐ গুলি পূর্ব্ব থেকে রাস্তার পাশে খোলা জায়গায় জমা করে রাখা হয়েছিল।

(ঙ)— এ সম্বন্ধে এখনও কোন প্রমাণ পাওয়া যায়নি।

(চ)— (ঙ) এর বিপরীতে দেওয়া জবাবের পরিপ্রেক্ষিতে তদন্তের কোন প্রশ্ন উঠে না। উক্ত তার সংক্রান্ত ঘটনাটি বর্ত্তমানে পুলিশের তদন্তাধীন

আছে।

শ্রীরামেন্দ্র দে :— উপাধ্যক্ষ মহোদয়, সারা আসামে যত তার চুরি হয়, তার মধ্যে কাছাড়ের সংখ্যা বেশী। সারা আসামে ১৯৭২-৭৯ পর্য্যন্ত তার চুরির সংখ্যা কত? কাছাড়ে তার চুরির সংখ্যা কত? তার হিচাব মন্ত্রী মহোদয় সদনে দিতে পারবেন কি?

আমার দ্বিতীয় প্রশ্ন হলো এই মন্ত্রী মহোদয় বলেছেন যে তদন্তের কোনও প্রয়োজন নাই। কিন্তু গত মার্চ মাসে যে তার চুরি হয়েছে তা শিলচরে ধরা পড়েছে। গত ২৯ শে ফেব্রুয়ারী তারিখে যে তার চুরি হয়েছিল তাও ধরা পড়েছে। সুতরাং কাছাড়ে যে প্রায়ই তার চুরি হয় তার কারণ ও পরিমাণ সম্পর্কে সরকার তদন্ত করে দেখবেন কি?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— তাৰ চুৰি কেচ ধৰা পৰিছে। অৱশ্যে তাৰ চুৰি কি ৰকমে হৈছে সেইটো আমাৰ মাননীয় সদস্য সকলে বিচাৰ কৰিব। তাৰ চুৰি কম বেছি পৰিমানে অন্যান্য জিলাতো হৈ আছে।

শ্রীনিশিথ রঞ্জন দাস :— এই ব্যাপারে অফিসারগণ যুক্ত আছেন কি না তদন্ত করে দেখবেন কি?

(উত্তর নাই)

শ্রীরামেন্দ্র দে :— মুখ্যমন্ত্রী মহোদয় বলেছেন যে বদরপুর থেকে তার চুরি হয়েছে বলে সন্দেহ করা হচ্ছে। এই সন্দেহের অবসানের জন্য তদন্ত করা হবে কি? আর কোন এই অফিচার এই ব্যাপারে জড়িত আছেন বলে সন্দেহ থাকে তাদের আরও প্রমোশন দিওয়া হবে না শাস্তিমূলক ব্যবস্থা নেওয়া হবে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— সেটা দেখতে হবে।

Undisposed Starred Question deted 26-3-79

বিষয় ঃ হাজো প্ৰাইমাৰী স্বাস্থ্য কেন্দ্ৰত পানী যোগান ব্যৱস্থা

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে :

* ৩৪৭। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) হাজো প্ৰাইমাৰী স্বাস্থ্যকেন্দ্ৰত পানী যোগানৰ কি ব্যৱস্থা আছে ?

(খ) এই কথাটো সচাঁনে যে, হাজো প্ৰাইমাৰী স্বাস্থ্যকেন্দ্ৰত বৃটিছ যুগৰ কুৱা এটাৰ পৰাহে পানী যোগান ধৰা হয় আৰু এই পানী দুষিত পানী ?

(গ) যদি সচাঁ, তেন্তে এই স্বাস্থ্যকেন্দ্ৰটোত বিজ্ঞান সন্মত পানী যোগানৰ কিবা ব্যৱস্থা কৰিবলৈ কিবা আঁচনি চৰকাৰে লৈছে নেকি ?

ডাঃ কোমেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী )য়ে উত্তৰ দিছে :

৩৪৭। (ক)— হাজো প্ৰাথমিক কেন্দ্ৰৰ চৌহদত থকা এটা কুৱাৰ পৰা যোগান ধৰা হয়।

(খ)— নহয়।

(গ)— লোৱা হৈছে।

UNSTARRED

Questions and Answers

Date : 26th March, 1979

( To which answers were laid on the table )

বিষয় ঃ পঞ্চায়েত নির্ব্বাচন

শ্রীআব্দুল কায়ুম চৌধুরী জিজ্ঞাসা করিয়াছেন ঃ

২৭। মাননীয় পঞ্চায়েত বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি—

(ক) বর্ত্তমান ১৯৭৯ ইং বৎসরে সমগ্র আসামের পঞ্চায়েত নির্ব্বাচনে কি পরিমাণ টাকা সরকারের তহবিল হইতে খরচ হইয়াছে ?

(খ) ১৯৭৪ ইং পঞ্চায়েত নির্ব্বাচনে কি পরিমাণ টাকা সরকারের তহবিল থেকে খরচ হইয়াছে ?

শ্রীজহিরুল ইছলাম (পঞ্চায়ত বিভাগৰ মন্ত্রী ) যে উত্তৰ দিছে :

২৭। (ক)— ১৯৭৯ চনৰ পঞ্চায়ত নিৰ্ব্বাচনৰ বাবে এতিয়ালৈকে ৬৯, ৫৭,৫০০ টকা মঞ্জুৰী দিয়া হৈছে। সম্পূৰ্ণ খৰচৰ হিচাব এতিয়াও কৰিব পৰা হোৱা নাই।

( ১৯৭৯ ইং সনের পঞ্চায়ত নির্ব্বাচনের জন্য এখন পর্য্যন্ত ৬৯,৫৭, ৫০০ টাকা মঞ্জুরী দেওয়া হইয়াছে। সম্পূর্ণ খরচের হিসাব এখন পর্যন্ত করা সম্ভব হয় নাই)।

(খ)— ১৯৭৪ চনৰ পঞ্চায়ত নিৰ্ব্বাচনত ৬৬,০২,৫৫৯:৪৮ টকা খৰচ কৰা হৈছিল।

( ১৯৭৪ ইং সনের পঞ্চায়েত নিৰ্ব্বাচনে মুঠ ৬,০২,৫৫৯.৪৮ টকা খরচ হইয়াছিল ) .

## বিষয় ঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ

শ্ৰীযোগেন গগৈয়ে সুধিছে :-

২৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) Deptt. of Historical and Antiquarian Studies কোন চনত স্থাপিত হয় ?

(খ) এই বিভাগৰ তত্বাবধানত ১৯৪৮ চনৰ পৰা ১৯৭৮ চনলৈকে কিমান কিতাপ প্ৰকাশ কৰা হৈছে আৰু ইয়াৰ মূল প্ৰকাশৰ সংখ্যা কিমান আৰু পুনৰ প্ৰকাশৰ সংখ্যা কিমান ?

(গ) এই বিভাগে ১৯৪৮ চনৰ পৰা আজিলৈকে কোনো নতুন বুৰঞ্জী প্ৰকাশ কৰিছে নেকি আৰু যদি কৰিছে তেন্তে সেই নতুন বুৰঞ্জীৰ নাম কি কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৮। (ক)— ১৯২৮ চনত।

(খ)— এই বিভাগে ১৯৪৮ চনৰ পৰা ১৯৭৮ চনলৈকে মুঠ ২৭ (সাতাইশ) খন কিতাপ প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত মূল প্ৰকাশৰ সংখ্যা ১২ (বাৰ) আৰু পুনৰ প্ৰকাশৰ সংখ্যা ১৭ খন। এই ১৭ খনৰ ভিতৰত ২

খনৰ মূল প্ৰকাশ এই সময়ছোৱাৰ ভিতৰতে হৈছে।

(গ)— এই বিভাগে ১৯৪৮ চনৰ পৰা আজিলৈকে ৩ (তিনি) খন বুৰঞ্জী প্ৰকাশ কৰিছে।

(১)— এংলো এচামিছ ৰিলেচনচ্। লিখক— ডঃ সূৰ্য্য কুমাৰ ভূঞা। প্ৰকাশ— ১৯৪৯ চন।

(২)— আৰ্লি বৃটিচ ৰিলেচনচ্। লিখক— ডঃ সূৰ্য্য কুমাৰ ভূঞা। প্ৰকাশ— ১৯৪৯ চন।

(৩)— হিষ্টৰী অৱ চিভিলাইজেচন অৱ আচাম। লিখক— ডঃ প্ৰতাপ চন্দ্ৰ চৌধুৰী। প্ৰকাশ— ১৯৫৯ চন।

Re : Delegation of Powers of inspection, supervision and Control of Mahkuma Parishads

Shri Ramendra De asked :

29. Will the Minister, Panchayat be pleased to state—

(a) Whether it is a fact that the D. Cs and S. D. Os were delegated power under section 129 of Assam Panchayati Raj Act, 1972 to inspect, to supervise and to control the functions of the Mohkuma Parishads and Gaon Panchayats ?

(b) If so, whether it is a fact that many Mohkuma

Parishads opposed such control on Local Administration ?

(c) Whether the Government will clearly define the extent of such control ?

(d) Whether it is a fact that some Mohkuma Parishads were informed that the aforesaid position would be reviewed ?

(e) If so, whether Government propose to review the position immediately and if not, why not ?

Shri Zahirul Islam (Minister, Panchayat) replied :

29. (a)— Yes, the D. Cs/S. D. Os were delegated the general powers of inspection, supervision and control over the performance of the administrative duties of Mohkuma Parished ?

(b)— A few Mohkuma Parishads objected to such delegation of power.

c)— The delegation is for general inspection, supervision and control over the performance of the administrative duties of the Mohkuma Parishad.

(d)— Yes, The Chief Executive Councillor of Silchar Mohkuma Parished was informed that the matter was

under further examination.

(e)— The position was reviewed by Government and decided to allow the present system to continue.

## STATEMENT BY MINISTER

Mr. Deputy Speaker :— The question hour is over.

Before I go to the next item, I would request Mr. Barua, Minister, Supply who went to Bombay to know about the condition of Shri Jay Prakash Narayan with the desire and knowledge of this House, to inform the House about the matter.

Shri Dulal Chandra Barua :— Mr. Deputy Speaker, Sir, with your permission and of the House, I went to Bombay day before yesterday to carry the best wishes of this House and the people of this State to Lok Nayak Jay Prakash Narayan who is under treatment now in the Jaslok Hospital, Bombay.

শ্ৰীগোলক কাকতী :— মাননীয় মন্ত্ৰী মহোদয়ে অসমীয়াতে কলে ভাল পাম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়, সদনৰ অনুমতি সাপেক্ষে আৰু আপোনাৰো অনুমতি সাপেক্ষে মই পৰহি বোম্বাইলৈ আমাৰ লোক নায়ক জয়প্ৰকাশ নাৰায়নক আমাৰ সদনৰ সদিচ্ছা আৰু

অসমৰ জনগনৰ সদিচ্ছা জনাবলৈ গৈছিলো। কালি গোটেই দিনটো তেখেতৰ লগত আমি আছিলো।, মই সদনক জনাবলৈ পাই সুখী হৈছো যে কালি এবাৰ তেখেতে মাত মাতিছে আৰু কালিৰ অৱস্থা সুস্থ। নিজে পানী খুজিও খাইছে। মই যোৱাৰ দিনাখন পৰহি দিনা তেখেতৰ যিটো অৱস্থা আছিল সেই হিচাপে কালিৰ অৱস্থা বৰ সন্তোষজনক। আমি আশা কৰিছো তেখেত আৰোগ্য হব। লগে লগে কালি আমাৰ উপ প্ৰধান মন্ত্ৰী চৌধাৰী চৰণ সিংও আহিছিল আৰু অন্যান্য ৰাজ্যৰ মুখ্য মন্ত্ৰী সকলো আছিল আৰু তেখেত সকলৰ আলোচনামৰ্মে লগে লগে লণ্ডনৰ পৰা বিশেষজ্ঞ অনাৰ কথা আছিল আৰু সেইমতে বন্দোবস্ত কৰা হ'ল। আজি পুৱা তেখেত পাবহি আৰু তেখেতে চিকিৎসা আৰম্ভ কৰিব। ডাক্তৰ সকলৰমতে তেখেত লাহে লাহে ভাল অৱস্থালৈ আহিছে যদিও এতিয়াও বিপদমুক্ত হোৱা নাই। আমি ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে তেখেত সোনকালে আৰোগ্য হয়। তাত এটা অদ্ভুত ধৰণৰ কথা হ'ল—মই ইয়াৰ পৰা যাওতে এখন শৰাই আৰু গামোছা এখন নিছিলো, প্ৰথমতে মোক ভিতৰত সোমাব দিয়া নাছিল—কিন্তু পাচত যেতিয়া তেখেতৰ ব্যক্তিগত সচিবে কলে যে মই এনেকৈ অসমৰ পৰা আহিছো—যেতিয়া সোমাই যোৱাত আৰু তেখেতক কোৱাত তেখেতে এটা আৱাজ কৰিলে অৰ্থাৎ তেখেতৰ কনচাচনেচ আছে। ৰাতিপুৱা ৭ বজাৰ পৰা গধুলী ৪ বজালৈ তাত আছো, সেইখিনি অৱস্থাত তেখেতৰ অৱস্থা ভালেখিনি সন্তোষজনক। আশাকৰো ভগবানৰ কৃপাত তেখেতে আমাক পুনৰ সেৱা আৰু দিহা পৰামৰ্শ দিব পাৰিব।

শ্ৰীঅজয় দত্ত :— মাননীয় উপাধ্যক্ষ মহোদয়.........

Mr. Deputy Speaker :— No question would be raised now ; if there is something you can raise after 6 P. M. There is a Calling Attention motion also.

শ্ৰীনীশিথ দাস :— চাৰ........

Mr. Deputy Speaker :— Sorry, I cannot allow now.

## VOTING ON DEMANDS FOR GRANTS

Shri Benoy Kumar Basumatari :— Sir, the day before yesterday, I spoke on matters relating to tribals. When we speak on the problems of the tribals, sometimes, we are branded as communals. So, I like to refer to the Land Revenue Manual, page-4 of 'Introduction' which states— "large areas in the plains districts are inhabited by plains tribal people. Simple in nature these people were living in primitive conditions, and due to lack of education and material advantages, they could not look after their own welfare and were incapable of protecting their own interest. A large number of outsiders mostly from East Bengal began to pour in large numbers into Assam from the beginning of the present century. They began to spread into the areas occupided by these tribal people. The tribal people being naturally shy and unable to live in peace with these new comers began to recede into the interior". There is a feeling that the tribal peolpe have developed a migratory habit and this habit was there when these rules were framed. These are the

provisions for the protection of tribals. Now if we go to Chapter-10 of the Land Revenue Manual which was added in the year 1947 and was amended in 1950, what were the provisions for the protection of the tribals. There are a number of clauses under this Rule, particularly clause 162 (4) is very relevant which reads—"The State Government may in like manner direct that the provisions of this Chapter shall cease to apply to any area or areas or protions of any area or areas, to which they have been applied under the provisions of sub-section (1). Clause— 162 (5) (a) says— "land settled for special cultivation or purposes ancillary to special cultivation ( including grants made for tea cultivation )".

If you go a little further you will find in Clause—163, sub clause -(d)—"If the extent of cultivable land available for settlement in the belt or block be large enough, the bonafide needs of the other classes of persons residing in the neighbour-hood of the belt or block. Preference shall be given to persons whose religion, mode of life, agricultural customs and habits are more akin to those of the classes for whose protection the belt or block was constituted." In this manner, these clauses have sabotaged the provisions of Chapter-10. These clauses have diluted the provision of Chap-

ter-10, and Sir, if you go to clause-162, the beggining part, there is provision that the State Government may give all these powers to the Dy. Commissioners, But my personal experience is that the DCs and the SDOs are not fully conversant with the provisions of this Act. And in regard to sub-clause-5 of clause-162, i.e., the special cultivation, as a result of this provision, the previous Government had constituted various agricultural farms in the tribal belts and blocks; but in these farms, the tribals were not at all employed, but other people were engaged to run these farms. The tribals and the aboriginals who are covnersant with the agricultural practices,—I do not see any reason why they—cannot be employed in these farms. Again in Clause—162, and 166, protection to the officers have been given. Clause-166 says—"no suit shall lie against any public servant for anything done by him in good faith under this Chapter." But we find that they are not very keen to enforce the provision of this Act.

C ause—167 says— "No civil court shall exercise jurisdiction in any of the matters covered by this Chapter". These provisions for tribals are inviolable. What is the position of tribal belts and blocks? If we refer to the Second Report of the Fifth Assembly (The report of the Committee on Welfare of Scheduled Castes

and Scheduled Tribes ), in their report on the Revenue Department, in para 6.2, it is stated—"The Committee therefore recommends that the non-tribal ineligible encroachers should be forthwith evicted from the Tribal Belts and Blocks and the lands thus vacated should be settled with the landless persons belonging to Scheduled castes and Scheduled tribes". And in their report at para 6.7 ( Revenue Deptt ) it is stated—"The Committee, therefore, recommends that delivery of physical possession should be made to the allottees forthwith and that the allotment should be made free of premium."

Sir, this is the recommendation made by the commitee of the House. At page 22 of this Report it says in para (1) " It has come to the notice of the commitee that a large number of displaced persons of East Pakistan and immigrnt Muslims made illegal infiltration into almost all the Belts and Blocks even after constitution of Tribal Belts and Blocks. The commitee hereby urges the Government for taking immediate measures for evicting the infiltrants and for giving direction to Deputy Commissioners and Sub-Divisional Officers not to issue any patta to such infiltrants and to cancell pattas if issued after constitution of the Tribal Belts and Blocks". In para (2) of the Report is says "It has also been brought to the notice of the commitee

that in spete of the specific provision that no Civil Court shall exercise jurisdiction in any of the matters covered by Chapter X, some of the Civil Courts tried such cases and passed orders allowing transfer of lands falling within certain Tribal Belts and Blocks from Tribals to non-Tribals". Sir, there are innumerable instances of injustices done to the Tribals. Again Sir, during the emergency we heard about 20-point programmes. In the Report of the Commissioner for Scheduled Castes and Scheduled Tribes from 1975-77 it appears that Assam has not given any report about implementation of the 20 point programme. At page 132 there is a paragraph in relation to Assam which only relates to District Council areas and it is like this "The District Councils of the Autonomous districts of Mikir Hills and North Cachar Hills had taken up the work of completion of land records. It was, however, noticed that preparation of record of rights in accordance with the provision of the Assam Land & Revenue Regulations in hilly areas was not a practical proposition." When the Government says that the provisions of the Act are not practical proposition we fail to understand how the Tribal can be protected. Therefore, Sir, I close my speech wlth an appeal to the present Government that the problem of the Tribels will be seriously considered

and at the same time I also make a demand that the provisions of clause 152 sub-clause 4 & 5 and also clause 163 under Chapter X of the Assam Land Revenue Manual which are obnoxious clauses should be immediately deleted.

With these suggestions I support the demand and conclude my speech.

Mr. Deputy Speaker :— Now Mr. Ibrahim Ali:

শ্ৰীপ্ৰেমধৰ বৰা :— কোন কোন কৰলৈ বাকী আছে নাম কেইটা কলে ভাল হয়।

মাননীয় উপাধ্যক্ষ :— ইব্ৰাহীম আলি, মঃ ছামচুল হুদা, শ্ৰীবিষ্ণুলাল উপাধ্যায়, শ্ৰীআফাজুদ্দিন আহমেদ, শ্ৰীনেপাল দাস, দেৱান জয়নাল আবেদিন। It was decided to allow 2 from each group: Two members from Janata party have already spoken— one Mr. Fakrul Islam who spoke day before yesterday and Shri Benoy Bashumatari started day before yesterday and concluded today. So none from Janata party will be allowed to speak today. Yes, Mr. Ibrahim Ali?

শ্ৰীইব্ৰাহীম আলি :— উপাধ্যক্ষ মহোদয়, অসম ৰাজ্যখনৰ ৰাজহ, ভূমি সীমিতকৰণ আৰু অন্যান্য সেৱাৰ শিতানত ৰাজহ মন্ত্ৰীয়ে ৫ কোটি ৫৯ লাখ ৩৬ হাজাৰ ৩ শ টকাৰ যি দাবি উত্থাপন কৰিছে সেই পৰিপ্ৰেক্ষিতত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি কেইটামান কথা আঙুলিয়াই দিব খুজিছো। ৰাজহ শিতানৰ লগত আমাৰ কৃষি প্ৰধান প্ৰদেশৰ জীৱন-মৰণ

সমস্যা আৰু ঘনিষ্ঠ সম্পৰ্ক। এই সম্পৰ্ক ৰক্ষা কৰিবলৈ গৈ এটা ব্যৱস্থাত আমি ইমান দিনে সমৰ্থন কৰি আহিছো আৰু এতিয়া আশা কৰিছিলো পৰিবৰ্ত্তিত ব্যৱস্থাৰ ইঙ্গিত দিয়া হব। সেইটো হল মৌজাদাৰী ব্যৱস্থা। এই চৰকাৰ ক্ষমতালৈ অহাৰ কিছুদিনৰ পিছত মৌজাদাৰী পদ্ধতি সম্পৰ্কত প্ৰশ্ন উঠিছিল; আমি আশা ৰাখিছিলো যে বাজেটৰ সময়ত এই মৌজাদাৰী পদ্ধতিত ৰাজহ বিভাগৰ লগত কেনেকুৱা ধৰণৰ সম্পৰ্ক আৰু সেই সম্পৰ্কৰ দ্বাৰা ৰাজহ বিভাগৰ ওপৰত কেনেকুৱা শক্তিৰ প্ৰভাৱ পৰিছে তাৰ এটা ইঙ্গিত পাম। কিন্তু সেই ইঙ্গিত নাই। ইংৰাজ সকলে ভূমিৰ পৰা যিথিনি ৰাজহ পাব লাগে তাৰ কাৰণে এটা মধ্য স্বত্ব শ্ৰেণীৰ তৈয়াৰ কৰিছিল। সেই শ্ৰেণীটোৰ অৱশিষ্ট ত্ৰুটিপূৰ্ণ ব্যৱস্থা ওৰ পেলাবলৈ চৰকাৰে নিশ্চয় কিছু ইঙ্গিত দিব বুলি আশা কৰিছিলো। মৌজাদাৰী ব্যৱস্থাৰ ফলত বহুত উদাহৰণ আছে, ৰাইজৰ পৰা চৰকাৰী নিৰিখত যিথিনি ধন সংগ্ৰহ কৰে— তাক আদায় নিদিয়ে। তাৰ উপৰিও বিভিন্ন শিতানত বেনামী ভাবে বহু ধন সংগ্ৰহ কৰে। ভাৰতৰ শতকৰা ৭০জন মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। এই মানুহ বিলাকৰ পৰা চৰকাৰী নিৰিখ মতে ৰাজহ সংগ্ৰহ কৰাত আপত্তি নাই। কিন্তু চৰকাৰৰ নাম লৈ বেনামী ভাবে ধন সংগ্ৰহ কৰি মুষ্টিমেয় মানুহে আত্মসাৎ কৰাটো নিশ্চয় এই ব্যৱস্থাৰ এটা দিশ। ৰূপশ্ৰীৰ মৌজাদাৰ ডাঙৰীয়াই ২ বছৰমান আগতে ৰাজহৰ খেলি-মেলি লগাৰ কাৰণে অফিচ পুৰি পেলাইছিল। সেই সন্দৰ্ভত তেওঁ বৰ্খাস্ত হৈছিল। সেই একেখন মৌজাকে কেন্দ্ৰ কৰি চাব্ ৰেজিষ্টাৰ অফিচত একেধৰণে দুৰ্নীতি সোমাইছে। গতিকে মধ্যস্বত্ব ব্যৱস্থা ৰখাৰ কাৰণে দৰিদ্ৰ মানুহখিনিৰ ওপৰত বাৰুকৈ শোষণ চলিছে। ৰাজহৰ পৰা আমাৰ ৰাজ্যখনে ১ কোটি ২৫ লাখ ধন পায় আৰু তাৰ কাৰণে ফিৰত দিয়া হব ৮০ হাজাৰ টকা। এই ৮০ হাজাৰ টকা সেইসকলে পাব যিসকলে দৰিদ্ৰ শ্ৰেণীৰ ভিতৰতে নপৰে। এই ৰাজহৰ লগত যিথিনি নীতি-নিয়ম চলি আছে সেই বিষয়ত কেইটামান কথা

আঙুলিয়াই দিব খুজিছো। ভূমিৰ সম্পৰ্কত আমাৰ চৰকাৰৰ আইন আছে। জনতা চৰকাৰে এবছৰৰ ভিতৰত গোটেইখিনি কৰি দিব পাৰিব সেইটো নকওঁ। কিন্তু তাৰ কাৰণে প্ৰস্তুতিৰ ইঙ্গিত নাইবা জনসাধাৰণৰ দাবীক সন্মান জনোৱা আভাষ ৰখা নাই। (২) অসম লেণ্ড ৰেগুলেচন এক্টৰ মৌলিক গাঠনিত শোষণ নীতিৰ প্ৰভাৱ আছে। এটা স্বাধীন চৰকাৰে ইয়াৰ পৰিৱৰ্ত্তন কৰা উচিত।

এই আইনখনৰ যিটো মৌলিক গাঠনি তাত এটা বিদেশী চৰকাৰৰ শোষণ নীতিৰ প্ৰভাৱ পৰিছে, এই কথা মই স্বীকাৰ কৰিম। মাটি, মানুহ আৰু চৰকাৰ এই তিনিওটাৰ সম্পৰ্ক ওতঃপোত ভাবে জড়িত। মাটিৰ লগত জড়িত থকা মানুহখিনি চৰকাৰৰ তেনেই ওচৰ চাপি আহিব পৰা এটা পদ্ধতিৰ আশা আমি কৰিছিলো। কিন্তু চৰকাৰে তাৰ কোনো ইঙ্গিত দিব পৰা নাই। বৰং ইয়াৰ তৎপ-প্ৰয়োগ কৰি জন-গণৰ প্ৰচুৰ অন্যায় চৰকাৰে কৰিছে।

উপাধ্যক্ষ মহোদয়, আচাম ৰায়তী আইনমতে ৰায়তৰ যি দুৰ্গতি আৰু এই দুৰ্গতি কেন্দ্ৰ কৰি সেই সম্পৰ্কে এই সদনত বহুতো বাক-বিতণ্ডা আৰু অভিযোগ উত্থাপন হৈছিল উপাধ্যক্ষ মহোদয়, আমাৰ ৰায়ত সকলৰ কাৰণে কিবা এটা কৰিব বুলি এই চৰকাৰে যি ঘোষণা কৰিলে, সেইটো ঘোষণাহে কৰিলে। ৰায়তী আইনমতে ২০, ২৭৮ খন গাওঁ সাঙোৰা হৈছে আৰু ৩, ২০, ৭১ জন মানুহ সাঙোৰা বুলি কোৱা হৈছে। উপাধ্যক্ষ মহোদয়, আচল সমস্যাটো ঢাকি ৰখা হৈছে। এই সত্য যদি কেতিয়াবা ওলাই আছে তেন্তে তাক নুই কৰিব পৰা নহব। ৰায়ত সকলৰ ৰায়তীস্বত্ব ৰেকৰ্ড কৰাৰ প্ৰতিশ্ৰুতি জনতা চৰকাৰে দিছিল। মই বিনীত ভাবে এটা প্ৰশ্ন কৰো যে যোৱা বাৰটা মাহত কিমান বিঘাক দৰিদ্ৰ মানুহক চৰকাৰী মাটিৰ পৰা উচ্ছেদ কৰা হল? উপাধ্যক্ষ মহোদয়, উত্তৰ

হব—"আইনৰ পৰামৰ্শ মতে মানুহখিনিক উচ্ছেদ কৰা হৈছে। মই দাবী জনাব খুজিছোঁ যি আইন কৰা হল সেই আইন ব্যৱস্থাই দৰিদ্ৰ মানুহক আশ্ৰয় দিব নোৱাৰে। সেই আইনখন যদি চৰকাৰে খামুচি ধৰি থাকে তেন্তে সেই চৰকাৰক জন বিৰোধী বুলি কোৱাৰ অধিকাৰ আমাৰ আছে। চৰকাৰী মাটিৰ পৰা উচ্ছেদ কৰাৰ মেলা চলিছিল। সেই সময়ত বিভিন্ন ধৰণেৰে আবেদন-নিবেদন জনোৱা হৈছিল। গোৱালপাৰাৰ বিভিন্ন ঠাইত, বৰপেটা, আৰু নগাৱৰ ঠায়ে ঠায়ে কাচাৰ জিলাৰ বিভিন্ন ঠাইত এই উচ্ছেদ মেলা চলিছিল। যুক্তি হল আইন যিহেতু পৰিবৰ্ত্তন হোৱা নাই উচ্ছেদ হবই। "কেৱল গোবিন্দপুৰ ৰিজাৰ্ভত চাৰি হেজাৰ বিঘা সৰিয়হ ধ্বংশ কৰিলে। যি সৰিয়হৰ মাজেদি জীপ এখন সোমাব নোৱাৰে সেই সৰিয়হ ধংশ কৰি পেলালে। ৰেভিনিউ আইনে এনেদৰে শস্য শ্যামলা ধ্বংশ কৰি পেলাইছে। ইয়াৰ বাবে আজি ৫ কোটি ৫৯ লাখ ৩৬ হেজাৰ ৩ শ টকা বিচৰা হৈছে। ভোটৰ মাধ্যেমেদি নিশ্চয় এই বিল পাছ হৈ যাব। আগৰ পৰাই অসমৰ ১। কোটি মানুহক শোষন কৰাৰ ব্যৱস্থা চলি আহিছে। কোন চৰকাৰ, কোৰ আইন আৰু কেতিয়া শোষণ কৰা হৈছে—এইটো আমাৰ বিচাৰ্য্য নহয়। ব্যক্তিগত ভাবে আমি কাৰোবাক আক্ৰমণ কৰিলে আন সমস্যাৰ সমাধান নহব।

উপাধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ জৰীপ আৰু বন্দৱস্তীৰ শিতানত ১,২০,০০০ টকা ধৰা হৈছে। জৰীপ আৰু বন্দৱস্তীৰ শিতানত যি সকলক বন্দৱস্তী দিয়া হৈছে সেই সকলৰ কিমানখিনি ভূমিহীন মানুহ—ই এটা প্ৰশ্ন। জৰীপ যিখিনি কৰা হৈছে তাত অসমৰ মাটিৰ তিনি ভাগৰ এক অংশ ৰাজহ আইনৰ বাহিৰত। জৰীপহীন পট্টাহীন অঞ্চলত আৰু সেই মানুহখিনি মুষ্টিমেয় কেইজনমান ধনী মানুহৰ বলিৰ পঠাৰ দৰে হৈ আছে। এই কামটো এদিনতে নহব, দুই বছৰ, তিনি বছৰ আনকি চাৰি বছৰৰ ভিতৰতো সমাধা নহব। কিন্তু শাসনৰ পৰি-

বৰ্ত্তন হোৱাৰ লগতে যিটো বিৰোধী পক্ষই এই কথা এদিন বহু ধৰ-পেৰে কৈছিল সেই পক্ষটোৰেই সৌভাগ্য বশতঃ আজি চৰকাৰী গাদীত বহিছে। শাসনত বহাৰ লগে লগে ইয়াৰ কিছু প্ৰতিকাৰ কৰা দৰকাৰ আছিল। জমিদাৰী সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ কাৰণে আমাৰ জনসাধাৰণে আজি ২০ হেজাৰ টকা দিব লগা হৈছে। উপাধ্যক্ষ মহোদয়, ইয়াৰ এটা মাত্ৰ উদাহৰণ মই দাঙি ধৰিব খুজিছোঁ। বিজনী ৰজাৰ চৌহদত কিমান হাজাৰ বিঘা মাটি আছে। পুৰণি ভাঙি যোৱা অনেক ঘৰ দুৱাৰ তাত পৰি আছে। তাৰ কি ব্যৱস্থা চৰকাৰে কৰিছে ? আমাৰ চৰকাৰে পতিত মাটি বিক্ৰীৰ শিতানত ১,৩৫০০০ টকা। প্ৰশ্ন হ'ল এই মাটি কোন নীতিৰ ভিত্তিত বিক্ৰী কৰিছে, কিমান দামত বিক্ৰী কৰিছে আৰু কি উদ্দেশ্যে কৰিছে ? এই পতিত মাটি কিনা সকল নিশ্চয় অসমৰ দৰিদ্ৰ ভূমিহীন মানুহ নহয়। এই সকল হৈছে অনেক সম্পত্তি আৰু বিত্ত থকা মানুহ। যি সকল দৰিদ্ৰ কৃষকক মুক্তি দিয়াৰ কাৰণে সমাজবাদী আহিবৈ আগ বাঢ়ি যোৱাৰ প্ৰতিশ্ৰুতি এই চৰকাৰে দিছিল ইয়াৰ ইঙ্গিত ইয়াত আছে নেকি ? উপাধ্যক্ষ মহোদয়, এই মাটি কিনা লোক সকল হৈছে ডাঙৰ ডাঙৰ কোম্পানীৰ ব্যৱসায়ী মানুহ

উপাধ্যক্ষ মহোদয়, আৰু এখন আইন হ'ল চিলিং আইন। এই আইনত এটা পৰিৱৰ্ত্তন আহিব বুলি আমি আশা বান্ধিছিলো। কিন্তু ডাঙৰ ডাঙৰ খৌ ৰৱালী এৰি দিয়াৰ দৰে এই আইনৰ মাজেৰে ধনী সকলে পঞ্চাশ বিঘালৈকে কেইবাটাও গোটত মাটি একেটা পৰিয়ালতে ৰাখিলে। কিন্তু চাৰিও ফালৰ জনসাধাৰণে বিচাৰিছে যে নাঙলৰ মুঠি যাৰ হাতত আছে সেই সকলক আৰ্থিক পোটৰ মাটি দিব লাগে। ৫০ বিঘাৰ ঠাইত ২৫ বিঘা কৰক। এই ক্ষেত্ৰত শ্ৰীশৰৎ সিংহ ডাঙৰীয়াই এটা বলিষ্ঠ পদক্ষেপ লৈছিল। নাঙল যাৰ হাতত থাকে তাৰ হাতত মাটি থকা উচিত। এই সুন্দৰ ব্যৱস্থাটোৰ কোনো প্ৰত্যক্ষ উল্লেখ নথকাটো

অতি পৰিতাপৰ বিষয়। উপাধ্যক্ষ মহোদয়, ভূমি চিলিং সংক্ৰান্তত যিমান-বিলাক গোচৰ হৈছে তাৰ বেছি ভাগ খালাচ পাইছে ৰেভিনিউ বিভাগত থকা, প্ৰশাসনত থকা মানুহৰ পৰিয়াল বিলাকে। যিসকলে মাটি পাই-ছিল চিলিং এক্টত পেলাই দিছে আৰু পৰিয়ালৰ মাজত ভাগ হৈছে। মাটি পাব লগা সকলৰ ক্ষেত্ৰত ইয়াৰ ধাৰাটো থকা নাই। চিলিংৰাহী মাটি দৰিদ্ৰক দিয়া হোৱা নাই। এই দিশত লক্ষ্য আৰু পৰিমান নাই। এই খিনিতে এটা নিৰ্দ্দেশ দিব লাগে যেতিয়া ৰেভিনিউ অফিচাৰ বা মণ্ডল কানানগুৱে চিলিং কেচ দাখিল কৰে তেতিয়া এফিদএভিটত স্পষ্ট ভাবে দিব লাগে যে কোন যুক্তি আৰু ধাৰাৰ কেচ ইত্যাদি। এই বিলাক অজ্ঞ মানুহখিনিয়ে বুজিব পৰাকৈ স্পষ্ট কৰি দিব লাগে আৰু যাতে বৌ-বৰালি বিলাক সৰকি যাব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। সহজ লোকৰ পৰা ধন ঘটাৰ কাৰণে বিষয়া সকলে ফন্দি পাতে।

উপাধ্যক্ষ মহোদয়, মই এই বিলৰ সম্পৰ্কত কৰ বিচাৰিছো যে জৰিপৰ বন্দবস্তিৰ সলনি মাটি বিলাক বিক্ৰী হৈ আছে। মাননীয় উপা-ধ্যক্ষ মহোদয়, ইয়াত আছে Fees— এই মাচুল কাৰ পৰা লোৱা হয়, কি ৰেটত লোৱা হয়, এই ৰেটৰ কেতিয়াবা সংশোধন হৈছে নেকি বা সংশোধন কৰাৰ প্ৰয়োজন আছে নেকি, যিহেতুকে এই ৰেট অতি পুৰণী। যি সকলে এই কৰ দিয়ে সেইসকল যথেষ্ট ধনী মানুহ। এই ধনী মানুহ সকলক সামান্য ৰেটত মাটি বিতৰণ কৰাটো প্ৰশাসন দুৰ্নীতিৰ লগত লিপ্ত থকা ব্যৱস্থা। মই ৰাজহ মন্ত্ৰীৰ পৰা এই ক্ষেত্ৰত ব্যাখ্যা বিচাৰিছো। আৰু এটা শিতান আছে সেইটো হল Rates on lands— ৫০ হাজাৰ। ইয়াত যি ফাইন কৰা হয় ফৰফেইট কৰা হয় সেই বিলাক কাৰ পৰা আছে? ৰাজহ বিভাগে যি বিলাক দৰিদ্ৰ মানুহ, অজ্ঞ মানুহ সেই সকলৰ পৰা এই টকা অধিক আদায় কৰে। ধনী মানুহক ইয়াৰ জালত পেলাব নোৱাৰে। এই ক্ষেত্ৰত আমাৰ ৰাজহ বিভাগে গভীৰ ভাবে

চাই যাতে যিবিলাক চতুৰ মানুহ, যিবিলাক ধনী মানুহ সেই সকলক ধৰাৰ কাৰণে লক্ষ্য ৰাখে।

আজি ৪-৫ টা গৰু মহৰ কাৰণেই হাজাৰ হাজাৰ বিঘা মাটিৰ ৰিজাৰ্ভ ৰখা হৈছে। মোৰ ঘৰৰ কাষৰে গোবিন্দপুৰ ৰিজাৰ্ভত ৭ হাজাৰ বিঘা মাটি নিৰ্দ্ধাৰিত আছে। কিন্তু এভিকচন কৰিছে ৯ হাজাৰ বিঘা মাটি। তাত ১২০ টা মহ, ৩০ টা ছাগলি আৰু ৭০ টা গৰু আছে। ইয়াৰ কাৰণেই ৯ হাজাৰ বিঘা মাটি এভিকচন কৰা হৈছে। তাত ১৫ শ টা পৰিয়ালক উচ্ছেদ কৰা হৈছে। এই ১৫শ পৰিয়ালক মাটি দিবৰ কাৰণে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই বাৰে বাৰে নিৰ্দেশ দিছে যদিও এই বিলাক বৰপেটাৰ এচ দি অলৈ অতি লাহে লাহে গৈ আছে। আৰু চৰকাৰে এইটোও লক্ষ্য ৰাখিব লাগিব যে ইয়াত এটা বাহিৰৰ চক্ৰও জৰিত আছে। যিটো চক্ৰই এই ১৫ শ মানুহক বাংলাদেশী বুলি কাগজত প্ৰকাশ কৰিছে। এই ১৫শ টা পৰিয়ালে যোৱা ৩ বছৰ ধৰি বাঘবৰৰ মথাউৰিত আশ্ৰয় লৈ আছে। পতিত মাটি বেদখল কৰা বুলি অভিযোগ উঠিছে। কিন্তু এই দৰিদ্ৰ মানুহখিনিৰ কথা কোনেও চিন্তা কৰা নাই। মই ৰাজহ মন্ত্ৰীক অনুৰোধ জনাইছো তেখেত এই বিভাগৰ দায়িত্বত থকাৰ কাৰণে বহুতো সমালোচনাৰ সন্মুখীন হবলগীয়া হৈছে। অৱশ্যে তেখেত মানসিক ভাবে মুক্ত। অসমৰ ৰাজহ বিভাগে এক কোটি ৬২ লাখ দৰিদ্ৰ মানুহৰ স্বাৰ্থত আহিব লাগিব। ৰাইজৰ স্বাৰ্থতে তেখেতে এই আইন বিলাক লাহে লাহে পৰিবৰ্ত্তন কৰি অসমৰ দৰিদ্ৰ জনসাধাৰণক বঞ্চিত কৰাৰ পৰা মুক্ত কৰিব বুলি মই আশা কৰিলো। ইয়াকে কৈ মই সামৰণি মাৰিলো।

শ্ৰীআফাজুদ্দিন আহমেদ:— মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাজহ মঞ্জৰী শিতানত মই দুআষাৰ মান কবলৈ থিয় হৈছো। গতানু-

গতিক ভাবে মঞ্জুৰী আহিছে আৰু এই মঞ্জুৰী বিলাক নিশ্চয় গৃহীত হবই। আলোচনাৰ এটা ব্যৱস্থা আছে কাৰণেই আমি এই বিষয়ে বিভিন্ন ধৰণে কিছুমান কথা আনিব খুজিছো আৰু আমাৰ মাননীয় বহুত কেই-জন সদস্যই এতিয়ালৈকে বহুতো কথা কৈ গৈছে।

উপাধ্যক্ষ মহোদয়, ৰাজহ বিভাগটো সম্পূৰ্ণৰূপে আমাৰ ৰাজ্যৰ দৰিদ্ৰ কৃষকৰ লগত সম্পৰ্ক আছে। আৰু এই সম্পৰ্কত স্বাধীনতাৰ পিচৰে পৰা আমাৰ ৰাইজে যথেষ্ঠ ভুগী আহিছে। কথাতে ওলায় যে ৩০ বছ-ৰীয়া কংগ্ৰেছ শাসন কালত ৰাইজক শোষণ কৰিলে। ৰাইজে আশা কৰি এতিয়া বৰ্তমানৰ নতুন চৰকাৰক গাদীত বহুৱাইছে আৰু সেই বাবে ৰাইজে বিশেষ আশা আকাংশাৰে চাই আছে যে ৰাইজৰ দুখ নিবাৰণ নিশ্চয় হব। এতিয়া আমাৰ বিভিন্ন শিতানত যি টকা পইচা ধৰা হৈছে, যোৱা ২ বছৰৰ তুলনাত এইবাৰ বেছিকৈ টকা ধৰা হৈছে। আমি ভাল পাইছো। কিন্তু উন্নয়ণৰ ক্ষেত্ৰত বা ৰাইজৰ দৰিদ্ৰতা নিবাৰণৰ ক্ষেত্ৰত, দুৰিকৰণৰ ক্ষেত্ৰত এই বিভাগৰ বিষয়া, কৰ্ম্মচাৰী সকলক মাননীয় মন্ত্ৰী মহোদয়ে চেষ্টা কৰিও সম্পূৰ্ণৰূপে নিয়োজিত কৰিব পৰা নাই যেন লাগে। এই বিষয়ত মই আমাৰ জৰিপ বিভাগৰ কথাকেই কব খুজিছো। আমাৰ জিলাখনত অসমৰ অন্যান্য জিলা কেইখনমানৰ সৈতে আজি ১০-১২ বছৰৰ পৰা পুনৰ জৰিপৰ কাম আৰম্ভ হৈছে। আৰু এই পুনৰ জৰিপৰ কাম আৰম্ভ কৰিবলৈ যাওঁতে এইটো এতিয়াও সম্পূৰ্ণ হোৱা নাই বুলি আমি জানো। এই জৰিপ কামত যিসকল কৰ্ম্মচাৰী, বিষয়াক নিয়োজিত কৰিছিল, সেই বিষয়া, কৰ্ম্মচাৰী সকলে ৰাইজৰ যি অসুবিধাৰ সৃষ্টি কৰিছে সেই বিষয়ে মই দুই এটা কথা কম।

উপাধ্যক্ষ মহোদয়, জৰিপৰ কাম ৩০ বছৰৰ পিচত বোধকৰো কৰা হয়। এইটো কৰিবলৈ যাওঁতে আমি দেখিবলৈ পাইছো যে মণ্ডল

কানানগো সকলে জৰিপ কৰাৰ নামত যিসকল মানুহৰ পট্টা আছিল সেই-বিলাক নাইকীয়া কৰিলে, বহুতৰ পট্টাৰ মাটি চৰকাৰী হ'ল আৰু বহুতো মানুহৰ ৰেজিষ্টাৰৰ নামেই নাই।

উপাধ্যক্ষ মহোদয়, এই বন্দৱস্তি আজিলৈকে নহল। পট্টনৰ বন্দ-বস্তিৰ কাৰণে বন্দৱস্তি প্ৰাধিকাৰী (চেটেলমেণ্ট অফিচাৰ) আৰু উপায়ুক্তলৈ আবেদন কৰা হ'ল যদিও আজিলৈকে ৰাইজৰ অসুবিধা নিবাৰণ নহল। উপাধ্যক্ষ মহোদয়, লক্ষীমপুৰৰ কথাকে কৈছো। বিহপুৰীয়াত এটা চাৰ্কোল আছে কিন্তু ত্ৰিশ চল্লিশ মাইল দূৰৰ পৰা লোক ইয়ালৈ আহে যদিও কোনো কাম হৈ নুঠে। উপপ্ৰতিসমাহৰ্ত্তা আছে এজন কিন্তু বিহপুৰীয়া আৰু নাওবৈচা এই দুইটা সমষ্টিৰ মানুহে উত্তৰ লক্ষীমপুৰৰ এই এজন লোকৰ ওপৰত আহিবলগীয়া হোৱা কাৰণে ৰাইজ ক্ষতিগ্ৰস্ত হৈছে আৰু ৰাইজৰ অসুবিধা আঁতৰ কৰিব পৰা নাই। এচ-ডি-চিৰ তাত ৰেকৰ্ড নাই কাৰণে তদন্ত আদি কৰিবলৈ হলেও অসুবিধাৰ সন্মুখীন হবলগীয়া হয়। এ-এচ-অ' আৰু এচ-ডি-চি অফিচ এটা বহুৱাবৰ কাৰণে ইমানদিন ধৰি আবেদন আদি কৰা হৈছে যদিও কিয় এতিয়ালৈকে হোৱা নাই কি ৰহস্য আছে তাৰ বিষয়টো আমি বুজিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰি এনেকুৱা বহুত মানুহ আছে ভোগী-বাহী খাজনা দি আছে। পট্টা আছে কিন্তু ৰেকৰ্ডত যি আছে সেয়েই হৈ আছে। ৰেকৰ্ড ৰেকৰ্ড হৈয়েই আছে। আমাৰ বৰ্ত্তমান চৰকাৰৰ ৰাজহ মন্ত্ৰী ৰাইজৰ আস্থাৰ লোক আমাৰো আস্থা আছে। আশাকৰো এই ৰাজহ বিভাগৰ বদনাম বিলাক আঁতৰাবলৈ চেষ্টা কৰিব। বাজেট বক্তৃতাত বিত্ত মন্ত্ৰী ডাঙ-ৰীয়াই প্ৰশাসনীয় যন্ত্ৰ শক্তিশালী কৰাৰ কথা উল্লেখ কৰিছে। শক্তিশালী কৰা হৈছে আৰু কৰা হব কিন্তু আচলতে আঁচনি সমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত কৃতকাৰ্য্যতা লাভ কৰাত কোনো পৰিৱৰ্ত্তন আমি দেখিবলৈ পোৱা নাই। উদাহৰণ স্বৰূপে মই কব খোজো যে যিবিলাক ঠাইত মাটিৰ ডিচপিউট

আছে- সেইবিলাক এতিয়াও ঠিক হৈ উঠা নাই। চাবি মাহৰ আগতে মাননীয় মন্ত্ৰী মহোদয়ে হুকুম দি অহা কামো এতিয়ালৈকে হৈ উঠা নাই। মন্ত্ৰী ডাঙৰীয়াই চালিজাবি চাই বেদখলকাৰী হলেও কেইঘৰমান মানুহক বন্দৱস্তি দিয়াৰ কাৰণে হুকুম দিছিল কিন্তু বিভাগীয় কৰ্মচাৰী সকলে এতিয়ালৈকে পট্টন দিয়া নাই কাৰণে ছুয়োটা দলৰ মাজত সংঘৰ্ষৰ স্থষ্টি হৈছে। ঘৰত জুই দিয়া মানুহৰ মাজত মৰামৰি আদিও সংঘটিত হৈছে। ৰাজহ বিভাগৰ কৰ্মচাৰীয়েই এই ঘটনাত ইন্ধন যোগাইছে। মন্ত্ৰীৰ পৰা হুকুম দিয়াৰ পিচত আকৌ কিয় কাম হোৱা নাই আমি আচৰিত হৈছো। আৰু কাৰ পৰা হুকুম বা অৰ্ডাৰ নিয়া যায়।

উপাধ্যক্ষ মহোদয়, বহুদিনৰ আগেৰে পৰা ভোজীবাৰী পাই অহা সত্বেও কেবাপুৰুষ ধৰি সেই মাটিৰ পট্টা দিয়া হোৱা নাই আৰু ফলত উত্তৰাধিকাৰী সকলে বেংক আদিৰ পৰা সাহায্য বা ঋণ পোৱাৰ পৰা বঞ্চিত হবলগীয়া হৈছে। কাগজে পত্ৰে বহুত কাম কৰাৰ কথা আমি দেখিবলৈ পাইছো কিন্তু প্ৰকৃততে সিমানখিনি আমি দেখা নাই। চিলিং আইনৰ জৰিয়তে উদবৃত্ত মাটি ভেটিহীন পৰিয়ালক ভেটিৰ কাৰণে দি ঘৰ সজাৰ কাৰণে তিনিশকৈ টকা দিয়াৰ কথা কাগজে পত্ৰে প্ৰকাশ পাইছিল। কিন্তু দৰিদ্ৰ মানুহক এম-এন-পি আঁচনিৰ অধীনত ক'ৰবাত ছুই এবিঘা মাটি দিয়া হ'ল যদিও ন্যূনতম চাহিদা পুৰণৰ কাৰণে যি টকা সাহায্য দিয়াৰ কথা আছিল সেইটো নিদিয়াৰ ফলত সেইসকলে উপকাৰ পোৱা নাই। ইয়াত পৰিসংখ্যা দিয়া হৈছে মই পঢ়ি দিবলৈ নাযাওঁ। এই কথাও ঠিক যে আমি সকলোৱে সমালোচনা কৰা কংগ্ৰেছী চৰকাৰেই সেই ভাৱে মাটি দিয়াৰ ব্যৱস্থা কৰিছিল। ১৯৭৭-৭৮ চনৰ আগতেই তেনে ভাৱে মাটি দিয়া হৈছিল। ঘৰ সাজিবলৈ দিয়া সাহায্যও সকলো বিলাক পৰিয়ালে পোৱা নাই। কিছুমানে পাইছে যদিও বহুত বঞ্চিত হৈছে। বিভাগীয় কৰ্তৃপক্ষক সকলো কথা দাখিল কৰা সত্বেও

বঞ্চিত হৈ আছে।

উপাধ্যক্ষ মহোদয়, ৰিহপুৰীয়া সমষ্টিৰ মাননীয় বিধায়ক গৰাকীয়েও এই কথা জানে যে মৰনৈ ৰিজাৰ্ভত আশী ঘৰ মানুহ বহিছিল। সেই সকল অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক। আন মানুহো আছে। তাৰ ভিতৰত পয়ত্ৰিশ ঘৰ মানুহক ঘৰ সজাৰ কাৰণে আৰু পট্টা পোৱাৰ কাৰণে আজি ইমানদিন ধৰি টকা পইচা আদি বিভাগক যিথিনি জমা দিব লাগে দিয়া সত্বেও কাম হৈ উঠা নাই। ইয়াৰ কাৰণে চৰ-কাৰৰ বদনাম হৈছে আৰু বিধায়ক হিচাবে আমাৰো বদনাম হৈছে। বঞ্চিত হৈ থকা এই পয়ত্ৰিশ ঘৰ মানুহৰ কথালৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, দুৰ্নীতি কথা মই সাধাৰণতে কমকৈ আলোচনা কৰো। যিহেতু আমি দুৰ্নীতি আতৰ কৰিব পৰা নাই। চৰ-কাৰে এই ব্যৱস্থাত ব্যৰ্থ হৈ আছে। আৰু কিমান দিন এই বিষয়ে কৃতকাৰ্য্য হবলৈ সময় লাগিব সেইটো কব নোৱাৰো। এই ক্ষেত্ৰত মই দেখিছো, এঠাইত ৬০ ঘৰ মাছ-মৰীয়া লোকক এবিঘাকৈ মাটি দিছিল। এইটো মোৰ সমষ্টিতে। সেইসময়ত কৰ্ত্তৃপক্ষৰ পৰা মাটি দিয়া হৈছিল। বহু যুদ্ধ কৰাৰ পিচত এই মাটিখিনি যদিও দিয়া হল সেই ৬০ ঘৰ মানুহ যিসকলে তাত বসতি কৰি আছিল সেই সকলৰ মাত্ৰ ১৬ ঘৰেহে পালে। বাকী বিলাক অইনে পালে। ইয়াত এটা চক্ৰ সোমাই পৰিছে। এই চক্ৰৰ কবলত পৰি দিন দুখীয়া অনুন্নত সম্প্ৰদায়ৰ মানুহে এবিঘাকৈ মাটি পোৱা সত্বেও আজি তেওঁলোক সেই বিত্তীয় সাহায্যৰ পৰা বঞ্চিত হৈছে। আমি বিধায়ক হিচাবেও এই বিষয়ত যুঁজ বাগৰ কৰি একো কৰিব পৰা নাই। আশাকৰো মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে নিশ্চয় ব্যৱস্থা লব। কিন্তু আমি নিৰাশ হৈ পৰিছো। আমি নিৰাশ হৈছো

এই বিভাগৰ লগত। এই বিভাগৰ যি সকল বিভাগীয় বিষয়া কৰ্ম্মচাৰী তেওঁলোকৰ যি পৰিমাণ সহায়-সহযোগিতা থাকিব লাগে সেই পৰিমাণে নাই। জিলাৰ সদৰ মহকুমাধিপতি দি, চিয়ে ৰাজহ বিভাগৰ ওপৰত একেবাৰে চকু দিব নোৱাৰে কাৰণ দি, চি বিভিন্ন কমিটিৰ চেয়াৰমেন, বিভিন্ন ঠাইলৈ যাব লাগে। বিভিন্ন খা-খবৰ কৰিব লাগে। গতিকেই কোনো কামত দি, চি, এচ, দি, অ'ক তদাৰক কৰিলে তেওঁলোকৰ পৰা বিশেষ সহায় পোৱা নাযায়। কেতিয়াবা তেওঁলোকৰ তলৰ বিষয়া বা দন্দাধিশক দায়িত্ব দি যায়। কিন্তু তেওঁলোকে ফাইনেল কৰিব নোৱাৰে। আগৰ কংগ্ৰেছৰ দিনত বিভিন্ন চক্ৰ, কমিটি, ৰাজহ কমিটি আছিল। এতিয়াও আমাৰ মন্ত্ৰী ডাঙৰীয়াই এটা কমিটি কৰি দিছে বুলি কৈছে। কিন্তু মোৰ নামটো বোলে সেই কমিটিত আছে। কিন্তু সেই কমিটিত আজিলৈকে আমি আলোচনা কৰিবলৈ সময় পোৱা নাই। যিহেতু দি, চি উপস্থিত নাথাকে মোৰ যেতিয়া সময় বেচি নাই, তাৰোপৰি বক্তৃতা মই বেচি দিব নোৱাৰো, কথা হৈছে আমি সহযোগ কৰিম। কিন্তু জনসাধাৰণ আৰু কৃষকৰ লগত মাটি বিভাগৰ যি সম্পৰ্ক তাক উন্নত কৰিবৰ কাৰণে সুব্যৱস্থা যেন লয় আৰু দূৰ্নীতি গুচায়। জনতা চৰকাৰ অহাৰ কাৰণে ৰাইজৰ আশা আকাংখা বৰ বেচি হৈছে আৰু সেইটো নিশ্চয় পূৰণ হব বুলি আশা কৰো। তুবছৰৰ পৰা প্ৰতি বছৰে এম, এন, পিট কৃষক সকলক মাটি দিয়াৰ কাৰণে ভূমি সংস্কাৰ কৰি ব্যৱস্থা কৰা হব বুলি ঘোষণা কৰিছিল। কিন্তু আজি সেই ঔষধ মোকৰধচ খাই আছো আমি। তাৰ পৰা কোনো নিৰাময় হোৱা নাই। কিমানদিন এই ব্যৱস্থা সীমাহীন হৈ পৰি থাকিব কব নোৱাৰো। গতিকেই আশা কৰো ৰাইজক আগুৱাই নিয়াৰ কাৰণে সকাহ দিয়াৰ কাৰণে তৎকালীন ব্যৱস্থা লয় তাৰ বাবে অনুৰোধ জনাই মই সামৰণি মাৰিলো।

শ্ৰীবিষ্ণুলাল উপাধ্যায় :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজহ শিতা-

নত অনা কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত ভুআষাৰ মান কৰলৈ মই ঠিয় হৈছো। ৰাজহ বিভাগ বৰ ডাঙৰ বিভাগ, আৰু ব্যাপক। সেই কাৰণে ৰাজহৰ এই মাটি বিষয়টোৰ কৃষকৰেই নহয়, মজদুৰ কৰ্ম্মচাৰী ব্যবসায়ী, ৰাষ্ট্ৰপতিৰ পৰা আৰম্ভ কৰি গাঁৱৰ নিচলা মানুহ পৰ্য্যন্ত সকলোৰে সম্পৰ্ক থাকে। বেলেগে বেলেগে মানুহৰ বেলেগ বেলেগ ক্ষেত্ৰত মাটিৰ লগত বিভিন্ন সমস্যা আছে। এই সকলো বিলাক সমস্যাই ঘোষনা কৰামতে চৰকাৰে নিয়াৰিকৈ সমাধান কৰাটোও টান। তথাপিতো আমি আশা কৰো যদি চৰকাৰে ক্ষিপ্ৰ গতিৰে সিদ্ধান্ত লয় আৰু বিষয়া কৰ্ম্মচাৰী সকলে আন্তৰিকতাৰে ৰাইজৰ সেৱাৰ কামত মনোযোগ দিয়ে তেন্তে এই ক্ষেত্ৰত বহুদূৰ সমস্যা সমাধান হব আৰু ৰাইজৰ উপকাৰ হব বুলি আমি আশা কৰো। কিন্তু যোৱা ৬-৭ বছৰ পূৰ্ব্বে মাটিৰ পূণৰ বণ্টন বন্দবস্তিৰ যিটো কাম হাতত লোৱা হৈছে তাৰ প্ৰায় বিলাকেই সম্পূৰ্ণ ভাৱে হৈ উঠা নাই। আৰু ৰাইজেও সুফল পোৱা নাই। তাৰ প্ৰমান স্বৰূপে ৰাজহ বিভাগৰ বোকাখাট মৌজাৰ কলাখোৱা গাঁৱত ৫০ ঘৰ মানুহৰ মাটি আছে। তাত থকা মানুহ বিলাকে ২০-২২ বছৰ হৈ গল তাতেই আছে। তালৈ এতিয়া বিজুলিও গল। পকা ঘৰো উঠিল, কিন্তু তেওঁলোকৰ মাটিৰ পট্টা আজিলৈকে হৈ নুঠিল। যোৱা ৪ মাহ মানৰ আগতে সজাতি দল এটাই ৰাজহ মন্ত্ৰীৰ ওচৰলৈ আহি আবেদন কৰিছিল। মন্ত্ৰীয়ে মহকুমাধিপতিক এমাহৰ ভিতৰত এই বিষয়ে ৰিপৰ্ট দিবলৈ লিখিত নিৰ্দ্দেশ দিছিল। এক মাহৰ ভিতৰত কি ৰিপৰ্ট পালে আৰু তাৰ কি ব্যৱস্থা ললে সেই বিষয়ে একো জানিব নোৱাৰিলো। মোৰ সমষ্টিৰে বিহালীত বৰগাৱ চাপৰি আছে। অৱশ্যে এইয়ে চাপৰি বুলি নকৈ গাওঁ বুলিয়েই কব পাৰি। তাত জৰিপ কৰিবলৈ যাওঁতে এমাহ দিন জৰিপ বিষয়া কৰ্ম্মচাৰী থাকে। ৰাইজে তেওঁলোকক চাউল, আলু, কচু, গাখীৰ ইত্যাদিৰে সৎকাৰ কৰিলে। জৰিপ কৰিলে হয় কিন্তু তেওঁলোকে কেচা

পট্টাও নাপালে। ঠিক তেনেকৈয়ে মঙলদৈৰ বৰচিলা ঝাৰ মৌজাৰ বহুতো গাৱঁত বহু বছৰ ধৰি মানুহে স্থায়ীভাবে বসবাস কৰিছে কিন্তু পট্টা আদি কোনো কামতে সুবন্দৱস্ত হোৱা নাই। দুখীয়া, গড়াখহনীয়া, বান-বিধস্ত মাটিহীন যি সকল লোক ব্ৰহ্মপুত্ৰ চৰ এলেকাত ভিজি-আতৰ জিয়াৰত গৈ বাস কৰিছে তাৰ পৰাও তেওঁলোকৰ উচ্ছেদ কৰা কাৰ্য্য চলি আছে। অকল সেয়ে নহয় তেওঁলোকৰ খেতিৰ উৎপাদিত আলু, কচু, হাঁহ, কুকুৰা, ছাগলী আদি য'ত যি আছে সেই সকলোবোৰ উচ্ছেদ-কাৰী দলে লুটি নিছে। চৰ এলেকাত যিসকল ভূমিহীন মানুহ আছে সেই সকলক পুনৰ সংস্থাপন দিবৰ কাৰণে সুব্যৱস্থা লব লাগে। আৰু মৌজাদাৰ সকলে যিবিলাক টকা খাজনা হিচাবে উঠাই আনে সেইবিলাক বহুতো মৌজাদাৰ সকলে চৰকাৰৰ হাতত জমা দিয়া নাই। বহুত টকা বাকী পৰি আছে।

( At this Stege Mr. Deputy Speaker left the Chair and Mr. Chairman Occupied the Cnair )

বৃটিছৰ দিনত যেতিয়া ডেপুটি কমিচনাৰ মৌজা চাবলৈ গৈছিল, তেতিয়া মৌজাদাৰে প্ৰায় সাত দিন মানৰ আগৰ পৰা সাজু হৈ আছিল, কিন্তু আজিকালি চৰকাৰে, ( অৱশ্যে কংগ্ৰেছৰ দিনতো ) ইন্সপেকচন কৰিবলৈ প্ৰায় নেযায়েই। যদি কেনেবাকৈ যাইও, মোজাদাৰৰ ঘৰতে বিষ-য়াই খাই বৈ গুচি আহে মৌজাটো ভালকৈ চোৱা নহয়। উপাধ্যক্ষ মহোদয়, আজি এবছৰ কাল আমাৰ জনতা চৰকাৰে দেশ চলালে, কিন্তু এই এবছৰীয়া কালছোৱাত দৈয়াং বনাঞ্চলৰ কিছু মাটি জনসাধাৰণক দিয়াৰ বাহিৰে কোনে ক'ত মাটি পালে আমি নেজানো। আনকি চিলি-ঙত যোৱা মাটি যাক দিয়া হৈছিল, তেওঁলোকে জেপত কাগজ লৈ ফুৰাৰ বাহিৰে প্ৰকৃততে মাটি পোৱা নাই।

সভাপতি ডাঙৰীয়া, বিশেষকৈ আমাৰ অসমৰ যিবিলাক ট্ৰাইবেল বেল্ট আৰু ব্লক আছে তাৰ সংৰক্ষণৰ কাৰণে চৰকাৰে যদি কিবা কাম হাতত লৈছে, তাক আজিলৈকে উদ্দেশ্যত উপনিত কৰিব পৰা নাই। ট্ৰাইবেল সকলৰ কাৰণে ক্ষীপ্ৰ গতিৰে আঁচনি কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা লব লাগে। ট্ৰাইবেল বেল্টৰ ভিতৰত ট্ৰাইবেল চিডুল কাষ্ট বাগিচাৰ অবসৰি বনুৱা আৰু নেপালী কৃষক আৰু গ্ৰেজিয়াৰ থাকিব বুলি ঘোষণা কৰা হৈছিল। কিন্তু ১৯৬৯ চনৰ ২৭ জুন তাৰিখে চৰকাৰে নেপালী সকলক সংৰক্ষিত শ্ৰেণীৰ পৰা বাদ দিয়া হৈছে বুলি জনালে আৰু এই খবৰ পোৱাৰ লগে লগেই চৰকাৰৰ ফালৰ পৰা এচ, ডি, চি, এচ, ডি, অ' এ, পি, ও আদি গৈ মানুহবোৰক উচ্ছেদ কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ- লোকে জনালে যে ১৯৫০ চনৰ আগতে যি সকল লোক ইয়াত আছিল, সেইসকল লোকৰ কাৰণেহে এইটো এলেকা ধৰা হৈছে। কিন্তু ১৯৬৯ চনৰ ২৭ জুন তাৰিখলৈকে যিসকলে ঘৰ দুৱাৰ কৰিলে, গৰু-গাই পালন কৰিলে, পঞ্চায়ত পাতিলে, স্কুল পাতিলে সেই সকলক ৰক্ষনাবেক্ষন দিয়াৰ কাৰণে ৰেভিনিউ মন্ত্ৰীয়ে ১৯৭৮ চনৰ চেপ্তেম্বৰ মাহত এটা সিদ্ধান্ত লোৱা হৈছে বুলি কৈছিল আৰু এইটোও কোৱা হৈছিল যে ১৯৬৯ চনৰ ২৭ জুন তাৰিখৰ আগলৈকে যি সকল নেপালী গ্ৰেজিয়াৰ আৰু কৃষক ট্ৰাই- বেল বেল্টত আছিল সেই সকলক উচ্ছেদ কৰা নহ'ব, সেই তাৰিখৰ পিছৰ পৰা থাকিবলৈ লোৱা মানুহ খিনিক হে উচ্ছেদ কৰা হ'ব। কিন্তু সেইটো কাৰ্য্যকৰী কেতিয়ালৈ হ'ব আমি কব নোৱাৰো। গতিকে এই বিষয়ে ৰাজহ মন্ত্ৰীয়ে কি ব্যৱস্থা লবলৈ সিদ্ধান্ত কৰিছে তাক জনালে আমি ভাল পাম। আৰু এটা কথা, সভাপতি মহোদয়, আমি শুনি বৰ ভাল পাইছিলো যে যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই অস- মৰ চৰ এলেকাত, পি জি আৰ, ভি জি আৰ, আৰু চৰকাৰী মাটিত বাস কৰা হাজাৰ হাজাৰ বান বিধস্ত আৰু গড়া খহনিয়াত পৰা মাটিহীন

কৃষক সকলক সেই ঠাইতে মাটি দিয়াৰ কথা বাতৰি কাকতত ঘোষণা কৰিলে, কিন্তু পিছ দিনাই কাকতত সেইটো স্থগিত হৈছে বুলি ওলাল। এইটো সচাকৈয়ে দুৰ্ভাগ্যজনক কথা। ভূমি সংস্কাৰ কমিটিৰ ৰিপৰ্ট এতিয়ালৈকে নোলাল। জনতা চৰকাৰে ৰাইজক বহু আশা দিছিল, মহাত্মা গান্ধীৰ সমাধিৰ সমুখত প্ৰতিজ্ঞাবদ্ধ হৈছিল জনসাধাৰণৰ হকে কাম কৰিবলৈ আৰু এই মৰ্ম্মে সকলোৰে সহযোগ কামনা কৰিছিল। কিন্তু তেওঁলোকে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ লক্ষণ আমি দেখা নাই। কামত বিসংগতিহে দেখা পাইছো। সেই কাৰণে মই এটা সংস্কৃত শ্লোকৰ জৰিয়তে অসম জনতা চৰকাৰৰ কাৰ্য্যৰ নমুনাৰ কথা কব খুজিছো।

অজাযুদ্ধে ঋষি শ্ৰাদ্ধে
প্ৰভাতে মেঘ গৰ্জনে
দাম্পত্য কলহে চৈব
বহ্বাৰম্ভে লঘু ক্ৰিয়া—

এই শ্লোকৰ মতে দুটা ছাগলীয়ে যুঁজ কৰিবৰ কাৰণে প্ৰথমে আগ ঠেং দুটা দাঙি, মুঁৰ বেকা কৰি, শিং পুনাই যুদ্ধ আৰম্ভ কৰিবলৈ লয়, কিন্তু শিং লগোৱাৰ পিছতেই যুদ্ধ শেষ। আৰম্ভনীটো ম'হৰ যুঁজৰ দৰে হয় যদিও শেষটো মিছা। তেনেকৈ ঋষিয়ে গোটেই পুৰা বোলে শ্ৰাদ্ধৰ সামগ্ৰী গোটাই, শ্ৰাদ্ধৰ অন্তত অভ্যাগত পাতত পৰে কেইটুকুৰামান কন্দমূল ফল। সেইদৰে ৰাতিপুৱা কেতিয়াবা আকাশখন ডাৱৰে আৱৰি ধৰিলে খেতিয়ক ৰাইজে ভাবে যে নিশ্চয় ৰবষুণ হ'ব, কিন্তু পিচত হয়তো বৰষুণ নিদিয়াকৈ মেঘ আঁতৰি যায়গৈ, আকাশ ফৰকাল হৈ পৰে আৰু খেতিয়কৰ মনৰ আশা হেৰাই যায়। আকৌ বিবাহিত পতি-পত্নীৰ মাজতো কেতিয়াবা কণ্ডলৰ সৃষ্টি হয় আৰু ৰাতি তেওঁলোকে মাত-বোল নোহো-

ৱাকৈ খণ্ডত উফণ্ডি থাকে, কিন্তু ৰাতি পুৱাৰ লগে লগেই পুনৰ মাত্ত বোল হয় আৰু মুখত হাঁহি বিৰিঙে। ঠিক সেইদৰে জনতা চৰকাৰেও আৰম্বৰপূৰ্ণ ভাবে বহুতো কাম ৰাইজৰ হকে কৰিম বুলি ৰাইজক আশ্বাস দিলে, কিন্তু কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত সফল হ'ব পৰা নাই। মই আশা ৰাখিছো আগত চাৰি বছৰৰ ভিতৰত চৰকাৰে যাত্তে প্ৰতিশ্ৰুতি দিয়া আঁচনিৰ কাম তৎপৰতাৰে কাৰ্য্যকৰী কৰে। সদৌ শেষত মই এই তিনিটা কথা কব বিচাৰিছো প্ৰথম, চৰকাৰে মাটিহীন কৃষকৰ সংখ্যা কমাওক। দ্বিতীয় কথা, আন্দোলন নোহোৱাকৈ উৎসাহেৰে জীৱিকা নিৰ্ব্বাহ কৰিবলৈ কৃষকক সুবিধা দিয়ক তৃতীয় হ'ল অন্ত্যোদয় কৰিব খোজা চৰকাৰে সকলোতকৈ পিছপৰা নিজৰ দাবী আদায় কৰিব নজনা অসংগঠিত নিৰক্ষৰ অন্নদাতা সকলৰ প্ৰতি সদয় হওক।

ইয়াকে আশা কৰি মই মোৰ বক্তব্যৰ সামৰনি মাৰিলোঁ।

শ্ৰীচিৰাজুল হক:— মাননীয় সভাপতি মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুষাৰমান কব খুজিছো। ৰাজহ দপ্তৰ কিছুমান আইনৰ ভিতৰত চলি থাকে আৰু এই আইন সমূহ আমাৰ বিধায়ক অতুল গোস্বামী ডাঙৰীয়াই কবৰ দৰে মহাৰাণী ভিক্টোৰীয়া দিনৰে পৰা চলি আহিছে। ১৮৮৬ চনত বৃটিছ চৰকাৰে এখন আইন পাছ কৰিছিল আৰু সেই আইনৰ যি বিলাক কথা দুই চাৰিটা প্ৰগতিৰ বাহিৰে নতুনকৈ কোনো আইন লব পৰা নাই আৰু কোনো ৰকমে পৰিবৰ্ত্তিত ব্যৱস্থা কৰিব পৰা নাই। এই ক্ষেত্ৰত অসম লেণ্ড ৰেভিনিউ বিভাগে যিটো Instruction দিছে, তাত তেনেকুৱা ধৰণৰ কোনো কাৰ্য্যৰ উল্লেখ নাই। চেয়াৰমেন মহোদয়, ৰাজহ বিভাগে ১৮৮৬ চনৰ আইন অনুসৰি যি পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি এই ব্যৱস্থা পালন কৰা হৈছিল, সেই পৰিস্থিতি নিশ্চয় পৰিবৰ্ত্তন হৈছে।

১৮৮৬ চনত যি পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি তাৰ প্ৰমান কৰা হৈছিল সেই পৰিস্থিতিৰ আজি নিশ্চয় পৰিৱৰ্ত্তন হৈছে। ইয়াৰ মাজত অৱশ্যে বহু ধাধাই পাৰ হৈ গ'ল। এইটো ১৯৮৬ চনৰ কথা নহয় মাত্ৰ ৫০ বছৰৰ পূৰ্ব্বে মাটি পট্টা দিয়াৰ এটা উদাহৰণ দিব খুজিছো। সেই সময়ত যদি কোনোবাই মাটিৰ কাৰণে মণ্ডলৰ লগত কাজিয়া কৰিছিল তেনেহলে তেওঁক কৰবাৰ জংঘলত মাটিৰ পট্টা দি থৈছিল যাতে তেওঁলোকে খাজনা ভৰি জুৰুলা হৈ পৰে। আজি ১৯৭৯ চনত আধা বিঘা মাটিৰ কথা বাদেই এক কঠা মাটিও যদি কোনোবাই গুৱাহাটী চহৰত বিচাৰে, মই ন দি কব পাৰো যে ৰাজহ মন্ত্ৰী মহোদয়ৰ তেওঁক ডোইৰেক্টলি চেটল কৰাৰ ক্ষমতা নাই। কিন্তু আগতে মণ্ডলৰ লগত কণ্ডল কৰিলে জংঘলত পট্টা দিয়া হৈছিল। এই ধিয়ৰি কাহানিবাই পাৰহৈ গ'ল। সাধাৰণ ৰাইজে যদি এইদৰে সমস্যাৰ সন্মুখীন হৈ আদালত আদিলৈ যায় তেনেহলে তাহানী যুগতে পাছ কৰা আইনখন উলিয়াই মহকুমাধিপতিয়ে কয় যে আমাৰ পৰিৱৰ্ত্তিত চাৰ্কুলাৰ আহিছে আৰু সেই চাৰ্কুলাৰ পাঠ কৰে। মই উদাহৰণ স্বৰূপে কব খোজো আসাম লেণ্ড ৰেভিনিউ এণ্ড চেটোলমেণ্ট ৰুলৰ লগতে ফিচাৰী কলচ আদিও আছে। কিন্তু তাহানীৰ পৰা এই কলচ সমূহৰ অৱস্থা ভিত্তিক পৰিৱৰ্ত্তন হোৱাতো স্বাভৱিকতে আৱশ্যক হৈছে। কিন্তু এই চাৰ্কুলাৰৰ ভিত্তিত আমাৰ জনসাধাৰণৰ প্ৰকৃত সুবিধা হোৱা নাই বৰং কিছুমান কুটনৈতিক স্বাৰ্থ জৰিত মানুহৰ মেৰপাকত পৰি দুখীয়া জনসাধাৰণৰ স্বাৰ্থ মৰিমুৰ কৰি পেলাইছে। যোৱা ৩০টা বছৰে চৰকাৰে এনে চাৰ্কুলাৰ ভিত্তিত প্ৰকৃত খেতিয়কৰ উপকাৰ কৰিব পাৰিব বুলি আশা ৰখিছিলো। (ভইচ) (আপুনিতো আগতে সেইফালেই আছিল) মাননীয় সদস্য শ্ৰীযুকুট শৰ্ম্মাই কোৱাৰদৰে মই আগতে সেইফালেই আছিলো কিন্তু ইমাৰ্জেন্সিৰ সময়তে গান্ধীবাদক তালাক দি আহিছো। চেয়াৰমেন মহোদয়, মই জনতা চৰকাৰক বিনীত নিবেদন কৰিব খোজো যে এই

চাৰ্কুলাৰ ভিত্তিক শাসন সম্পূৰ্ণ পৰিৱৰ্তন কৰিব লাগে আৰু মই এটা বাস্তৱ দৃষ্টিৰ ফালে মনোযোগ আকৰ্ষণ কৰিব খুজিছো যে আজিৰ দিনত এই ৰেভিনিউ দপ্তৰটোত বহুতো দপ্তৰ একে লগে পৰিচালনা কৰিব লগা হোৱাৰ ফলত বহুতো সমস্যাৰ সন্মুখীন হব লগা হয়। এই ক্ষেত্ৰত মহকুমাধিপতিয়ে কেতিয়াবা পুলিচ অফিচাৰ হব লাগে, কেতিয়াবা ৰেভিনিউ অফিচাৰ হব লাগে, কেতিয়াবা আকৌ এক্সাইজ অফিচাৰো হব লাগে। এইদৰে এজন অফিচাৰে একেটা সময়তে বেলেগ বেলেগ বহুতো দপ্তৰৰ লগত জড়িত হৈ থকাৰ কাৰণে অসমৰ যি শতকৰা ৯১ জন খেতিয়ক, এইসকলক মহকুমাধিপতি ডাঙৰীয়াই মক্ৰধ্বজেৰে সন্তুষ্ট কৰিব নোৱাৰে। এই কাৰণেই মই যোৱা বিধান সভাতো এটা অনুৰোধ কৰিছিলো। আজিলৈকে তাৰ কি ব্যৱস্থা কৰিলে আমি নাজানো। এইক্ষেত্ৰত অন্ততঃ মহকুমা ভিত্তিত একোজনকৈ স্পেচিয়েল ৰেভিনিউ অফিচাৰ থকা দৰকাৰ যাতে তেওঁ ৰাইজৰ লগত পোন-পতিয়া যোগাযোগ ৰখাৰ ব্যৱস্থা কৰিব পাৰে। আজি আমাৰ দুখ লাগে, এই সাধাৰণ গৰীব খেতিয়ক সকলে ১৯৫৮-৬৫ চনৰ জৰীপ কৰা কাৰ্য্যত যি আপীল কৰিছিল সেই আপীল বিলাকৰ নিস্পত্তি আজিলৈকে হোৱা নাই আৰু লগতে সময় পাৰ হৈ যোৱাৰ কাৰণে নতুন এচ, ডি, অ'ই 'ইয়েচ' বা 'ন' এই শব্দ দুটাৰে জাদৃজমেণ্ট দিয়াৰ নজীৰ দেখা পোৱা যায়। তাৰ আজিলৈকে জুডিচিয়েল নিস্পত্তি হোৱা নাই। এই ক্ষেত্ৰত কেৱল মহকুমাধিপতিক দোষ দিলেই নহব। কাৰণ তেখেতৰ সময়ো নাই। ইমান বিলাক দপ্তৰৰ লগত জড়িত হৈ থকাৰ কাৰণে একো কথাই সুস্থিৰ মস্তিষ্কৰে ভবাৰ সময় তেখেতে নাপায়। সেই কাৰণেই আমি যোৱা বছৰ লিখিত নিবেদন কৰিছিলো যে অসম লেণ্ড ৰেগুলেচনৰ ১২৭ ধাৰাটো সংশোধন কৰি ৰেভিনিউ অফিচাৰ দিয়া হওক, তেওঁ গোটেই ৰেভিনিউ দপ্তৰৰ লগত যোগাযোগ কৰিব। তেখেতক এক্সক্লুচিভ পাৱাৰ দিয়া হওক। চেয়াৰমেন মহোদয়, আজি আমাৰ লাজ লাগে কিছুমান কথা উনুকিয়াব লা। কাৰণ আমাৰ

ভূমি সংস্কাৰৰ বহুতো কথা সমালোচনা কৰা হৈছে। ভূমিসংস্কাৰৰ সম্পৰ্কত লেণ্ড ৰিফৰ্ম চ্ কমিছন বহুৱাই কমিছনাৰ নিয়োগ কৰা হৈছে। এই কমিছনাৰজনে হাইকৰ্টত এখন সন্মানীয় আসন লৈ আছে। ইয়াৰ পৰা আমি কোনো ভাল ফল পোৱা নাই। আমি যদি মন্ত্ৰী মহোদয়ক সোধো কিবা পৰিৱৰ্ত্তন হৈছেনে ? তেখেতে হয়তো কব কমিছন পাতি দিয়া হৈছে পৰিৱৰ্ত্তন হব। আজি অসমৰ যি ফালেই যাওক সেই ফালেই দেখিব ভূমিহীন খেতিয়ক সকলক মাত্ৰ উচ্ছেদ কৰা হৈছে আৰু সাধাৰণ ৰাইজক সকলো সুবিধাৰ পৰাই বঞ্চিত কৰা হৈছে। কিন্তু তেওঁলোকক ৰক্ষনাবেক্ষন দিয়াৰ নামত ট্ৰাইবেল বেল্টত বসবাসৰ অধিকাৰ প্ৰাপ্ত মানুহবিলাকক অত্যাচাৰ কৰাৰ পক্ষপাতিত্ব চেয়াৰমেন মহোদয়, আপোনাৰো নাই আৰু মোৰো নাই। এই সম্পৰ্কে ৰেভিনিউ মন্ত্ৰীক আমাৰ মানুহবিলাকে লগ ধৰিছে আৰু প্ৰয়োজন অনুসৰি এভিকচন ষ্টে কৰিবৰ কাৰণে তেখেতে অৰ্ডাৰো দিছিল। কিন্তু বৰ দুখ লাগে ইয়াৰ পৰা টেলিকমুনিকেচন কৰাৰ ৭ দিন পিছত এচ, ডি, চি, য়ে সেই খবৰ পাইছে আৰু তাৰ আগতেই ইতিমধ্যে একৃভিচন কৰিলেই। গতিকে মই উদাহৰণ দি কব বিচাৰিছো যে ৰেভিনিউ দপ্তৰৰ লগত এই বিভাগৰ কৰ্ম্মচাৰী সকলৰ সম্পৰ্ক কিমান নিগুঢ় এই কথা তেখেতে বিচাৰ বিবেচনা কৰি চোৱা উচিত। তেখেতে লগতে এই বিষয়েও বিচাৰ বিবেচনা কৰি চোৱা উচিত হব যে এই বিভাগত কিছুমান ফাক থাকি গৈছে আৰু এই ফাকৰ ফলতেই ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ যিটো কাম কৰিবলৈ ইচ্ছা সেই ইচ্ছা ৰেভিনিউ দপ্তৰত প্ৰতিফলিত হোৱা নাই।

চেয়াৰমেন মহোদয়, মই আৰু এটা বিষয়ে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হৈছে আমাৰ আসাম টেনান্সি এক্ট আইনখন অলপতে তৈয়াৰ কৰা হৈছে। চিলিং আইনখন বহুদিন আগতেই ১৯৫৬ চনতেই তৈয়াৰ কৰা হৈছে। এই টেনান্সি আৰু চিলিং আইনৰ

নামত আজি বহুত বিলাক গান ৰচনা হৈ গৈছে। আমাৰ মাননীয় প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীশৰত চন্দ্ৰ সিংহই দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত গোৱা এনে মিঠা মিঠা গান শুনাৰ সৌভাগ্য মোৰো ঘটিছিল। কিন্তু এনেবোৰ মিঠা মিঠা গানে আমাৰ দুখীয়া প্ৰকৃত খেতিয়ক সকলক ৰক্ষনাবেক্ষন দিব পাৰিছে নে নাই এই বিষয়ে প্ৰশ্ন সোধাৰ অধিকাৰ আমাৰ নিশ্চয় আছে। ইয়াৰ মই উদাহৰণ দি কব পাৰো যে এই আধিয়াৰ আৰু খতিয়ান প্ৰাপ্ত লোক সকলক গুণ্ডা লগাই মাটিৰ মালীকে উচ্ছেদ কৰিছে। আৰু এই উচ্ছেদৰ খবৰ চাব ডেপুটি কলেক্টৰ দিয়াৰ পিচত দৰখাস্ত বিলাকৰ যিটো ৯০ দিনৰ সীমা সেই সীমা পাৰ হৈ যোৱাৰ পিচতো এই আধিয়াৰ প্ৰাপ্ত আৰু খতিয়ান প্ৰাপ্ত খেতিয়ক সকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হোৱা নাই। বিনীত ভাবে আপেনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে তেখেতে আধিয়াৰ আৰু খতিয়ানদাৰ সকলক যি খতিয়ান পত্ৰ দিয়া হৈছিল সেইসকলক আইনৰ দ্বাৰাই হওক বা জোৰ জবৰদস্তি কৰিয়েই হওক পুনৰ সংস্থাপন কৰাৰ কাৰণে চৰকাৰে আগবাঢ়ি আহিব লাগে। যি চৰকাৰে দুখীয়া ৰাইজক ৰক্ষনাবেক্ষন দিব নোৱাৰে সেই চৰকাৰৰ আইনৰ গুৰুত্ব জনসাধাৰন ৰাইজে উপলব্ধি কৰিব নোৱাৰে।

(সময়ৰ সংকেত)

চেয়াৰমেন মহোদয়, মই চমু কৰিব বিচাৰিছো। চিলিং আইন মতে আৰু আধিয়াৰ খতিয়ান পোৱা সকলৰ মালিকী স্বত্ব থকাৰ কাৰণে মাটি-হীন খতিয়ক সকলৰ মাটি গৈছে আৰু আধিয়াৰক মাটিখিনি বিক্ৰী কৰিছে। সেই মাটি খিনিকে তেওঁলোকে আকৌ অকচনত দিছে। ইয়াৰ ফলত যি বিলাক সাধাৰণ খেতিয়কে নিজে কষ্ট কৰি উপাৰ্জন কৰি দুই চাৰি বিঘা মাটি কিনিছে তেওঁলোকে জীয়াতু ভুগিব লগীয়া হৈছে। তেনেকুৱা

বহুতো দৰখাস্ত ৰাজহ বিভাগত পৰি আছে। এই কেচ বিলাক আদালতত পৰি থকাৰ কাৰণে এই মানুহ বিলাক মাটিৰ পৰা বঞ্চিত হৈ আছে। এনেকুৱা চাৰকুলাৰ দিছে যদিও কব নোৱাৰো, এনেকুৱা উদাহৰণ আমি পাইছো। ইয়াৰ পৰা মই কব খোজো যে ৰাজহ বিভাগে তেনেকুৱা নির্দেশ দিয়া স্বত্বেও এনেকুৱা হবলৈ পালে জনসাধাৰণ আৰু খতিয়ান প্রাপ্ত সকলে ৰক্ষনাবেক্ষণ পোৱা নাই। এই ক্ষেত্রত ৰাজহ বিভাগে ব্যৱস্থা কৰিব বুলি আশা কৰিছো।

চেয়াৰম্যান মহোদয়, মই এটা গুৰুত্ব পূর্ণ বিষয় আলোচনা কৰিব বিচাৰিছো। ১৮৮৬ চনত যি জৰীপ কার্য্য হৈছিল আৰু ১৯৬৫ চনত লাষ্ট যি চেটেলমেন অপাৰেচন হৈছিল সেই সময়ত বহুতৰ মাটি যোৱাৰ জোৱাৰ উঠিছিল। এই জোৱাৰৰ ফলত নিবনুৱা কৃষক সকলে, ভূমিহীন কৃষক সকলে, নদীয়ে ভঙা কৃষক সকলে কিছুমান বিজার্ভত মাটি দখল কৰিছিল। কিছুমানে ফিচাৰী দখল কৰিছিল আৰু কিছুমানে বনাঞ্চল দখল কৰিছিল। মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আগৰ পুৰণি কলীয়া যিটো নীতি সেই নীতি মতেই ফিচাৰী ডিমাৰকেচন কৰা হৈছে। ফিচাৰী ডিমাৰকেচন এনে ধৰণে কৰা হৈছে যে উত্তৰেও জংঘল, দক্ষিণেও জংঘল, পূবেও জংঘল, আৰু পশ্চিমেও জংঘল। তাৰ ভিতৰতে এই ফিচাৰী বিলাক আছে। গতিকে উপাধ্যক্ষ মহোদয়, আপুনি গোটেই অসম ঘুৰিবলৈ সুবিধা পাইছে, আপুনি কোন বিলাক ফিচাৰী জংঘলৰ মাজত নাই সেইটো কথা জানে। এই জংঘলৰ মাজতে দুখীয়া কৃষক সকলে হাজাৰ বিঘা পৰি থকা মাটি দখল কৰিবলৈ আৰম্ভ কৰিছে। সেইবিলাক কোনো অফিচাৰে আজিলৈকে গৈ দেখা নাই। এইদৰে দখল কৰা কিছুমানৰ পৰা বেচি বিলাকে পইচা আদায় কৰি এক-শ্রেণীৰ জমিদাৰৰ সৃষ্টি কৰিছে। জমিদাৰ বিলাকে ১০০/২০০ টকাত মানুহক ফিচাৰী মাটি খেতি কৰিবলৈ বন্দৱস্তি দিছে। ইয়াত যিবিলাক

জমিদাৰ আছে সেইবিলাকক যদি উচ্ছেদ নকৰে তেতিয়াহ'লে এটা গণ-তান্ত্রিক চৰকাৰ প্রতিস্থা হৈছে বুলি কব নোখোজো। সেইকাৰণে উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে ৰাজহ বিভাগক বিনীত ভাবে অনুৰোধ কৰিব খুজিছো যি সকল মাটিহীন মানুহে তাত দখল কৰিছে সেই সকলক তাতে সংস্থাপন কৰক আৰু যিসকল ধনী বিত্তবান মানুহে দখল কৰিছে তেওঁলোকক উচ্ছেদ কৰক। এই ফিচাৰি বিলাকত মাটি কিমান আছে, মাছ থকাৰ কাৰণে পানী কিমান আছে, কিমানত দাক হয় এইবিলাক চোৱা উচিত। অকল এইটোৱেই নহয় লেচি সকলে দখল কৰা মানুহৰ ওপৰত মিছা মোকৰ্দমা কৰা কথাটো উকিল হিচাবে ময়ো জানো আৰু উপাধ্যক্ষ মহোদয়, আপুনিও ভালদৰে জানে। গতিকে মই কব বিচাৰিছো যে ফিচাৰি সমূহৰ ডিমাৰকেচন ভালধৰণে হোৱা উচিত। আৰু যি সকলে বেদখল কৰি আছে, মাটিহীন সকলক মাটি দি বাকী জমিদাৰ সকলক উচ্ছেদ কৰিব লগে। আজি চৰকাৰৰ ভূমিহীন মানুহক নীতিগত ভাবে সুবিধা কৰি দিয়াৰ যি দায়িত্ব সেই দায়িত্ব যদি চৰকাৰে পালন কৰিব নোৱাৰে, আৰু যিসকল ভূমিহীন খেতিয়কে নিজে নিজে সুবিধা কৰি লৈছে তেওঁলোকৰ সেই সুবিধাক স্বীকৃতি দিয়া উচিত। ৰাজহ বিভাগে ফিচাৰিৰ নামত দৰিদ্র ৰাইজক উচ্ছেদ কৰি পথৰ ভিক্ষাৰী কৰাৰ অধিকাৰ গণতান্ত্রিক চৰকাৰৰ নাই। গতিকে পট্টা দিয়াৰ যি সুবিধা আছে সেইমতে ধনীসকলক উচ্ছেদ কৰি যিসকল মাটিহীন মানুহ আছে, যিসকল নদীয়ে ভঙা মানুহ আছে সেইসকলক পট্টা দিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্রীনেপাল চন্দ্র দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, জনতা সরকার ভূমি নীতি সম্পর্কে বলেছেন যে, কংগ্রেসের আমলে যে ভূমি নীতি ছিল তার আমুল পরিবর্ত্তন করা হবে। আর এই আমুল পরিবর্ত্তন করতে গিয়ে আজ কৃষকদেরে যে দুরবস্থায় টেনে আনা হয়েছে— কেন্দ্রের

বাজেটের ফলে কৃষকদেরে যে তুরবস্থায় ফেলা হয়েছে সে সম্বন্ধে আমার পূর্ব্ববর্ত্তী মাননীয় সদস্যগণ বলেছেন এবং মাননীয় সদস্য শ্রীরামেন্দ্র দে বলেছেন যে জনতার আমলে উপরেও কেটেছে এবং নীচেও কেটেছে।

Mr. Deputy Speaker :— The Hon'ble Member will resume his speech after lunch. The House stands adjouned till 2-30 p.m.

(After lunch).

Mr. Deputy Speaker :— Hon'ble member, Shri Nepal Das ! I hope the hon'ble member will not repeat the same thing.

* শ্রীনেপাল দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, আমি বলতে চাই যে, ভূমি সংশোধনের ফলে লক্ষ লক্ষ কৃষক ভূমি হইতে উচ্ছেদ হচ্ছে। যেসব ভূমিহীন কৃষক জমি দখল করে আছে তাদেরে ভূমি হইতে উচ্ছেদ একটা তুঃখের বিষয় হয়ে দাড়িয়েছে। কংগ্রেস আমলে যে সব বাগানে সারপ্লাস লেণ্ড, লেণ্ড সিলিং একট মতে আয়ত্বে এনে ভূমিহীন কৃষকদের মধ্যে বণ্টন করেছিলেন, সেইসব কেস কাছাড়ে অনেক আছে। সেইসব বাগানে জনতা সরকার মালিকদিগকে সিলিংএর আওয়াতা হইতে মুক্ত করে জমি দেওয়ার ফলে উক্ত জমিতে সেইসব ভূমিহীন কৃষক জমি পাইয়াছিল, তাহারা এখন বাগানের মালিক দ্বারা উচ্ছেদ হইতেছে। এই সম্বন্ধে আমি কয়েকটা কাছাড়ের চা বাগানের নাম করছি, যেসব বাগানের সিলিং কেসগুলি এইরকম হইয়াছে। যথা :—

* Speech not corrected

১। বন্দুকমারা
২। সরসপুর
৩। আনোয়ারখাল
৪। কুইয়া
৫। শিলকুড়ি

বন্দুকমারা টি ষ্টেটে ১৯৭৫-৭৬ সাল এই বাগান হইতে কংগ্রেস আমলে ৫৯১৬ বিঘা জমি একুয়ার করা হয়েছিল। আর জনতা সরকার ২১১ বিঘা জমি মালিকদেরে দিয়েছেন। উপাধ্যক্ষ মহোদয়, এইসব জমি বণ্টনের ভার মালিকদের উপর দেওয়া আর ভূমিহীন কৃষকরা ভূমি পাচ্ছে না এবং মাক্কিকরা উচ্ছেদের কাজে মশগুল হয়ে উঠেছে। ৩০-৪০ বৎসর ধরে এইসব জমি দখল করে, তাদেরে উচ্ছেদ করে আসছে।

উপাধ্যক্ষ মহোদয়, সরকারী আমলাদের কাজের অবহেলা ও দূর্নীতি সম্বন্ধে অনেক মাননীয় সদস্য কটাক্ষ করেছেন। এই লেণ্ড রেকর্ড সম্বন্ধে অনেক ইচ্ছাকৃত ভুল পাটোয়ারী কানুনগোরা করে থাকেন গ্রামের কৃষকদের হয়রানি করতে। কাছাড়ের অধিকাংশ জমি এজমালি পাট্টাভুক্ত কোন কোন পাট্টায় ১০০ হইতে ১৫০ জন মালিক থাকে এবং চিটা ও জবানবন্দীতে মালিকের অংশ উল্লেখ না থাকায় অনেক ধুর্ত্ত মালিক তার পাওনা অংশের জমি বিক্রী করার পরও চিটা ও জবানবন্দীতে নাম থেকে যায়, যে পর্য্যন্ত সে বিক্রীত পূর্ণস্বত্ত উল্লেখ নাকরে। এই জমি দখল নিয়ে প্রায়ই মামলা-মোকর্দমা হয়ে থাকে এবং ফলে অনেক গরীব কৃষক পুলিশের টাকা যোগাইতে তাহাদের শেষ সম্বল ক্ষেতের জমি বিক্রি করতে হয়। আর তাহাদের আর্থিক অবস্থার অনেক অবনতি ঘটে। কৃষি উৎপাদন হ্রাস পায়। সুতরাং সরকার অবিলম্বে ভূমি জরিপ করে দরিদ্র কৃষকদেরে দরিদ্রতার হাত হইতে রক্ষা করেন। মালিকের

অংশ পাট্টায় না থাকায় দরিদ্র কৃষকরা জমির পাট্টা তাহাদের নামে দেখাইয়া ব্যাংক হইতে লোন নেওয়ার সুবিধা পায় না। ব্যাংকএর ম্যানেজার বলেন পাট্টার বাকী মালিকদের কাছ হইতে নো এবজেকশন সার্টিফেকেট আনতে হইবে।

মাননীয় উপাধ্যক্ষ মহোদয়, আসাম রাজ্যে বনাঞ্চলে যে সব বাস-ভূমি, সেসব নদী ভরাটের ফলে খাসভূমি হয়ে আছে, সেইসব জায়গায় বহুদিন ধরে কৃষকরা চাষ-বাস করে আসছে তাদের যত তাড়াতাড়ি সম্ভব বন্দোবস্ত দেওয়া হওক।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৫০ ইংরাজীতে পূর্ব্ব পাকিস্তান হইতে আগত উদবাসতুদের পূর্ণর্বাসনের জন্য চাবাগানের মালিক কৃষ্ণলাল তুষ-নিয়ালের নিকট হইতে ক্রয় করা হয়েছিল এবং রিহেবিলিটেশন ডিপার্টমেণ্ট প্রত্যেকের নিকট হইতে জায়গায় দাম বাবৎ তাহাদের যে লোন হইতে টাকা কাটাইয়া রাখে কিন্তু আজ পর্য্যন্ত সরকার জায়গা রেজিষ্টারি করতে পারেন নাই। এখন হিন্দুস্থান পেপার মিল জায়গা তাহাদের দখলে নিয়ে গেছে, আর তাহারা ডি সি, এস ডি এর কাছে বার বার অনুরোধ করে কোন ফল পাচ্ছে না। এমন কি রাজস্ব মন্ত্রীর কাছেও।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি বর্ত্তমান জনতা সরকারের দৃষ্টি আকর্ষণ করে বলতে চাই যে, তাদের যেন পূর্ণর্বাসনের ব্যবরস্থা করা হয়।

Mr. Deputy Speaker :– Order, order. I cannot allow it. Take your seat please. Yes Mr. Jaynal Abedin ?

* দেৱান জয়নাল আবেদিন :— মাননীয় উপাধ্যক্ষ, আমাৰ ভূমি ৰাজহৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰা হৈছে, সেই প্ৰস্তাৰ

* Speech not corrected

সমৰ্থন কৰি মই দুষাৰ কবলৈ বিছাৰিছো। চৰকাৰে আমূল ভূমি সংস্কাৰৰ প্ৰতিশ্ৰুতি দি গাদিত বহিছিল এবছৰ আগতে। আৰু এই উদ্দেশ্যে এখন লেণ্ড ৰিফৰ্ম কমিচন গঠন কৰি দিছিল। এই কমিচনে ৰাজ্যৰ বিভিন্ন ঠাইত ঘুৰি পকি ৰাইজৰ নেতৃস্থানীয় মানুহৰ মতামত সংগ্ৰহ কৰি আছে বুলি আমি জানো। আমূল ভূমি সংস্কাৰেৰে কি হব সেইটো চাবলৈ ৰাইজে ৰাট চাই আছে। কিন্তু ইতিমধ্যে চৰকাৰৰ এই বিভাগটোৱে যি ধৰণে আগবাঢ়িছে সেই সম্পৰ্কে আমূল ভূমি সংস্কাৰ বা ইয়াৰ ফলত কিবা হব বুলি সন্দেহ কৰাৰ যথেষ্ট থল আছে। উপাধ্যক্ষ মহোদয়, এই এবছৰে আমি দেখি আহিছো, ইমান দিনে এই বিভাগটোত যিমান খেলি-মেলি আছিল যি ধৰণে হোষণ, নিৰ্যাতন চলি আছিল সেই সকলো খিনি আগৰ দৰেই চলি আছে। বৰং কিছু কিছু ক্ষেত্ৰত অব্যৱস্থাই আশ্ৰয় পোৱা যেন লাগিছে। মই তাৰে দুই-এটাৰ নমুনা ডাঙি ধৰিব বিচাৰিছো। আমাৰ লেণ্ড ৰিফৰ্মচৰ, আনফালে কৃষি ব্যৱস্থা আৰু অন্য ফালে কৃষি উৎপাদন বৃদ্ধিৰ লগত জৰিত। আজি ভূমিসংস্কাৰ নোহোৱাৰ কাৰণে কৃষিৰ উংপাদন বঢ়া নাই। আনহাতে বেচি ভাগ মাটি এভাগ মাটিগিৰি হাতত পঞ্জিভুত হৈছে আৰু গাওঁ অঞ্চলত হাজাৰ হাজাৰ প্ৰকৃত খেতিয়কৰ মাটি হেৰুৱাই মাটিহীন আৰু কৃষি বনুৱাত ৰূপান্তৰিত হৈ আছে। ভূমিহীন বা গৰাখহনীয়া মানুহক পুনৰ সংস্থাপন কৰা কাৰ্য্যত কোনো ব্যৱস্থা চৰকাৰে লোৱা নাই। বৰং লোৱাৰ ভিতৰত এটা ব্যৱস্থাই লৈছে ৰাইজে নিজৰ প্ৰচেষ্টাত কৰবাত যদি অলপ মাটি দখল কৰিছে তেনেহলে তেওঁলোকক চৰকাৰে পৰিকল্পিত ভাবে পুনৰ সংস্থাপনৰ ব্যবস্থা নকৰাকৈ গৰু-মহৰ দৰে উচ্ছেদ কৰি আছে। তেওঁলোকে কেনে ধৰণে জীৱন যাপন কৰিব সেই সম্পৰ্কে চৰকাৰে কোনো ব্যৱস্থা হাতত লোৱা নাই, তেওঁলোক যেনিবা এই দেশৰ নাগৰিক নহয়। আৰু এটা আচৰিত কথা যে বৰ্ত্তমান যি ব্যাপক হাৰত উচ্ছেদ কৰি আছে এই

উচ্ছেদ কাৰ্য্যৰ মাজত এটা বৰ পৰিতাপৰ ঘটনা ঘটিছে। এই ক্ষেত্ৰত ডিপাৰ্টমেণ্টে চেকুলাৰিজিম মনোভাবৰ পৰিচয় দিব পৰা নাই।

উপাধ্যক্ষ মহোদয়, মই ইচ্ছা কৰিলে বহুতো উদাহৰণ দিব পাৰো। যেতিয়া ধৰা হয়—তেতিয়া জাতিগত ভাবে বিচাৰ কৰা হয়। যেনে—ট্ৰাইবেল হয়নে নহয়, মুছলমান হয়নে নহয়, হিন্দু হয়নে নহয়, নেপালী হয়নে নহয়—এই ধৰণে বিচাৰ কৰে। প্ৰকৃতাৰ্থত দেখা যায়— যে কাৰ্য্যতঃ এই ব্যৱস্থাই সাধাৰণ মানুহৰ মাজলৈ বিভেদ লৈ আহে। আজি প্ৰত্যেক নাগৰিককে সমানে চাবৰ প্ৰয়োজনীয়তা আছে। জাতি-ধৰ্ম্ম-ভাষা-গোষ্ঠী নিৰ্ব্বিশেষে প্ৰকৃত নাগৰিকক বিশেষ সহযোগিতা আগবঢ়াবলৈ ব্যৱস্থা লব লাগে। এই ক্ষেত্ৰত দেখিছো চৰকাৰ সম্পূৰ্ণভাবে ব্যৰ্থ হৈছে। সাম্প্ৰদায়িক কবলত পৰি এনে ধৰণে ব্যাপক অন্ধকাৰৰ ফালে আগবাঢ়ি যোৱাটো অত্যন্ত দুখ লগা কথা।

উপাধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছো এই বিভাগটোত দূৰ্নীতিয়ে বহু আগৰে পৰাই লাহে লাহে প্ৰত্যেক স্তৰতে, প্ৰত্যেক ৰন্ধ্ৰে ৰন্ধ্ৰে শিপাই পৰিছে। চৰকাৰৰ প্ৰত্যেক বিভাগতে ব্যাপকভাবে সিচৰিত হব ধৰিছে। কিন্তু এই বিভাগত দূৰ্নীতিক প্ৰত্যক্ষভাবে প্ৰশ্ৰয় দিছে। মই এনেয়ে কোৱা নাই—মোৰ হাতত প্ৰমাণ আছে। যোৱা বছৰ বাজেট অধিবেশনৰ সময়ত মই এজন বিষয়াৰ বিৰুদ্ধে বহু হাজাৰ টকাত অতি-যুক্ত কৰি এটা অভিযোগ ডাঙি ধৰিছিলো। সেই বিষয়ত এটা তদন্তও হৈছিল। গোৱালপাৰা জিলাৰ উপায়ুক্তই ৰাইজৰ পৰা ঘৰে ঘৰে গৈ তদন্ত ৰিপৰ্ট ৰেকৰ্ড কৰি আনিছিল। কাৰ্য্যত দেখা গল যে—সেই বাবুজনে চাহাবক টকা দিবলৈ বহুত টকা গোটাই ৰাখিছে আৰু সেই বিষয়ে তেওঁ এটা ষ্টেটমেণ্টো দিছে। অথচ আজি এক বছৰ পাৰ হল—সেই বিষয়াজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা নললে। শুনিবলৈ পাইছো তেওঁক—প্ৰমোচনহে

দিয়াৰ ব্যৱস্থা কৰিছে। তেওঁৰ বোলে গুৰি দাঁত আছে—গুৰিত কোনো-বাই সমৰ্থন কৰি আছে। ইয়াতকৈ আচৰিত কথা হল—এইবাৰ তেওঁক যোটদাৰৰ সৈতে লগ লগাই মাটিৰ পট্টনহে দিছে। তাৰোপৰি কৰবাত খাচ মাটি ওলালেই তেওঁ তাত হস্তক্ষেপ কৰে আৰু বহুত টকা লৈ আনক মাটি দি ফুৰিছে। তাকো চৰকাৰে কৰা হলে কোনো কথা নাছিল—কিন্তু এই বিষয়াজনক এনে ধৰণৰ দুৰ্নীতিৰ কাৰ্য্য-কলাপ কিয় কৰিবলৈ সুবিধা দিছে। উপাধ্যক্ষ মহোদয়, এনে ধৰণৰ এটা বিৰাট অভিযোগ উত্থাপন হোৱাৰ পিচতো কিয় সেই বিষয়াজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হোৱা নাই ?

উপাধ্যক্ষ মহোদয়, আমি দেখিছো টেষ্ট ৰিলিফৰ কাৰণে চৰকাৰে যিখিনি টকা দিছে সেইখিনি অযথা অপব্যয় হৈছে। প্ৰত্যেক সমষ্টিতে মাননীয় সদস্যসকলে ভালকৈ লক্ষ্য কৰিলে দেখিব যে—এই টেষ্ট ৰিলিফৰ টকা কেনে ভাবে অপচয় হৈছে। ধুবুৰী মহকুমাত ২৬ লাখ টকা দিছিল। তাৰে ৪ লাখ ২৫ হেজাৰ দক্ষিণ শালমৰাত দিছিল। কিন্তু কিছুমান মিনিমাম ওৱেজত কাম কৰা তিৰোতাক অন্যায় ভাবে ৬ টকাৰ ঠাইত ৩ টকাহে হাজিৰা দিছে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ :— মাননীয় সদস্যই মিনিমাম ওৱেজ বুলি কিহৰ কথা কৈছে—বুজি পোৱা নাই ?

* শ্ৰীদেৱান জয়নাল আবদিন :— যি সকলে মাষ্টাৰ ৰোলত কাম কৰে আৰু তাত হাজিৰা হিচাবে কাম কৰি থাকে আৰু সেই হাজিৰাৰ নিৰিখ চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিলে—সেইটো মিনিমাম ওৱেজ হৈ যায়। এইটো ঠাই বিশেষে ৫ বা ৬ টকা দিব লাগে। কিন্তু বিভিন্ন কেটা-

* Speech not corrected

গৰিত বিভিন্ন ৰেট ধাৰ্য্য কৰা হয়। গভিকে এজন লেবাৰে কাম কৰিলে তেওঁ ৬ টকা পায়। কিন্তু এই ক্ষেত্ৰত তিৰোতা মানুহে মাত্ৰ ৩ টকা পাইছে। কিন্তু ইফালে চৰকাৰক ৫ টকা দিয়াতো দেখুৱায়। কিন্তু মাটিৰ কামত ৯২ টকাৰ ঠাইত ৩০ টকা দি আছে ঠিকা হিচাপত। এইটো ঠিকা হিচাপে দিয়াৰ কথা নাছিল। এইদৰে বহুতো টেষ্ট শ্লিপ ৯২ টকাৰ ঠাইত ৩০ টকা আৰু ৬ টকাৰ ঠাইত ৩ টকা বিশেষকৈ তিৰোতা সকলৰ ক্ষেত্ৰত। এই ধৰণে বহুতো লাখ লাখ টকা অপব্যয় হৈ আছে। ইমান টকা খৰচ কৰা হৈছে—কিন্তু পাবলিক চুপাৰভাইজড্ কৰাৰ ব্যৱস্থা কৰা নাই।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সেইটো হ'ল অসম ভেলী বা ব্ৰহ্মপুত্ৰ উপত্যকাত ব্যাপক অঞ্চল জুৰি গৰা খহনীয়া বৃদ্ধি হৈ আছে। প্ৰতি বছৰে বহুতো মানুহে গৰাখহনীয়াৰ কবলত পৰি ঘৰহীন মাটিহীন হৈ পৰে। সেইসকলেও আমাৰ নাগৰিক। তেওঁলোকৰ প্ৰতিও চৰকাৰৰ দায়িত্ব আছে। মই জনাত ধুবুৰী মহকুমাৰ পৰা এটা অঞ্চলৰ প্ৰায় ৫ শৰো অধিক লোকে গড়া খহনীয়াত পীড়িত হৈ চৰকাৰৰ ওচৰত সাহায্যৰ বাবে আবেদন কৰিছিল আৰু নামসহ এখন লিষ্ট পঠোৱা হৈছিল। অথচ আজি বাৰিষা পাৰ হৈ গ'ল, সেই পীড়িত লোক সকলে চৰকাৰৰ কোনো সহায়-সহাৰি পোৱা নাই। ঘৰ সাজিবৰ বাবেও মাটি পোৱা নাই আৰু অন্যান্য পইচা-পাতিও পোৱা নাই। এইবোৰ চোৱাটো চৰকাৰৰ নিশ্চয় দায়িত্ব আছে। কেৱল ৰাজহ সংগ্ৰহ কৰাই চৰকাৰৰ কাম নহয়, পীড়িত লোকক ৰক্ষণাবেক্ষণ দিয়াটোও চৰকাৰৰ কৰ্ত্তব্য।

উপাধ্যক্ষ মহোদয়, ভূমিহীন মানুহক বা বানপীড়িত লোকক ফৰেষ্ট ৰিজাৰ্ভ বা চৰকাৰী খাচ মাটিত বহুৱাবৰ বাবে ব্যৱস্থা কৰিব লাগে।

কিন্তু সেইবিলাকত কোনোবা যোটদাৰক বহুৱাই দিবৰ বাবে চৰকাৰী যন্ত্ৰটো অধিক তৎপৰ। কিন্তু ভূমিহীন বা পীড়িত লোকৰ কাৰণে কোনো তৎপৰ নহয়। বৰঞ্চ কোনোবা দালালৰ লগ লাগি উচ্ছেদ কৰাতহে বেছি মনোনিবেশ কৰে। আনফালে কিছুমান ভি, জি, আৰ, আছে সেইবিলাক ৰাইজৰ দৰ্কাৰত লাগে। অথচ তেনেকুৱা ভি, জি, আৰ, বিলাক দুই চাৰিজন দালালৰ স্বাৰ্থৰ বাবে আৰু যোটদাৰৰ স্বাৰ্থৰ বাবে সেইবিলাক মুকলি কৰি দিয়ে যাতে তেওঁলোকৰ পৰা ক্ষতিপূৰণ পাব পাৰে। মই এনেকুৱা এটা উদাহৰণ দিব পাৰো যে ধুবুৰী মহকুমাত হাতীতুৱা-মোৰাকুচি মৌজাত ১৯৬৯ চনতে কিছুমান লোকৰ নামত ফলচ্ ডকুমেণ্ট দেখুৱাই মাটিবোৰ নিজৰ নামত কৰি লয়। সেই কথা গম পাই ২৫ খন গাওঁৰ মানুহে সেইমাটি পুনৰ ভি, জি, আৰ কৰে। কিন্তু দক্ষিণা পোৱাৰ পিছত সেই মানুহজনৰ নামত পুনৰ সেই মাটি বিলাক চৰকাৰে দি দিছে আৰু সেই মানুহজনেই ৰিজাৰ্ভৰ মালিক বুলি পৰিচয় দিয়ে। কিন্তু তেওঁৰ পূৰ্ব্ব পুৰুষেও তাত কোনো দিনেই মাটি দখল কৰা নাছিল।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ বহুতো মটিহীন আৰু ভূমিহীন মানুহ আছে সেইসকলক আজি মাটি দিব পৰা নাই। এই মাটিহীন মানুহ প্ৰায় বিলাক দৈয়াং ৰিজাৰ্ভতে আছে বাকী ৰিজাৰ্ভত নাই। বাকী ৰিজাৰ্ভ চৰকাৰে মুকলি কৰি দিয়া নাই। আজি আমি দেখিবলৈ পইছো যে হাতীমূৰা মৈৰাকুচি আদি ৰিজাৰ্ভত দালালৰ স্বাৰ্থৰ কাৰণে মাটি মুকলি কৰি দিয়া হৈছে। আজি ২২খন গাঁৱৰ মানুহে মাটি লাগে বুলি কৈছে কিন্তু আজি তেওঁলোকে মাটি পোৱা নাই।

উপাধ্যক্ষ মহোদয়, আজি এই সকলোবিলাকতে দুৰ্নীতি দেখিবলৈ পাইছো। এই দুৰ্নীতিৰ বিৰুদ্ধে এটা বলিষ্ঠ পদক্ষেপ লবলৈ গৈ চৰকাৰ বিফল হৈছে। মই সৰ্ব্বশেষত এটা কথা কৈ মই মোৰ বক্তব্য সামৰণি

মাৰিম। এই ব্যাপক অঞ্চল বিলাকত আজি এটা জটিল সমস্যাৰ সৃষ্টি হৈছে। সেই সমস্যাটোৰ প্ৰতি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। সেই সমস্যাটো হৈছে গোৱালপাৰা জিলাৰ টেনাচি এক্ট যেতিয়া আছিল যিবিলাক ঠাইত সেইবিলাক ১০। ১৫। ২০ বছৰৰ আগতে যিবিলাক মানুহৰ মাটি পানীৰ তলত গৈছিল সেইবিলাক মানুহেও বহুদিনৰ পিচত একেলগে মাটিৰ খাজনা দিব লগা হৈছিল। নহলে সেই মাটি নিলামত যায়। আৰু খাজনা ক্লিয়েৰ কৰি দিলেহে সেইমাটি মানুহে পায় ইয়াকে কৰাৰ ফলত মাটিও খাচ হিচাবে পৰি আৰু চৰকাৰৰ ৰেভিনিউ নষ্ট হৈ আছে। এইদৰে তুয়োফালে ৰেভিনিউ লোকচান হৈ আছে। মই আগতেও মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো যে ২। ৩ বছৰলৈ খাজনা লৈ এই মানুহ বিলাকক মাটি ঘুৰাই দি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, শেষত মাটি জৰিপ সম্পৰ্কে এটা কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিম। মন্ত্ৰী মহোদয়ে আগতেই ঘোষণা কৰিছিল যে, এই বিলাক অঞ্চলৰ জৰিপৰ নটিচ্ দিয়া হৈ গৈছে। কিন্তু কামত আজিও আগবঢ়া নাই। জৰিপৰ ব্যৱস্থা সোনকালে নকৰিলে, মাটিৰ খেলিমেলি দূৰ নহব। গতিকে এই ব্যৱস্থাটো সোনকালে কৰিব বুলি অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীশূল বৰা :— উপাধ্যক্ষ মহোদয়, এই সদনত আজি এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই ৰাজহ বিভাগ আৰু মাটি সংক্ৰান্তত কেইটামান কথা কব বিচাৰিছো। এতিয়ালৈ ৰাজহ সংক্ৰান্তত যি অৰাজকতা চলি আছে এই অৰাজকতা অবিলম্বে বন্ধ কৰাৰ কাৰণে আৰু ভূমিহীন দৰিদ্ৰ কৃষকক ১৯৭০-৭১ চনৰ চেনচাচ মতে পতিত মাটিত ভিজিআৰ, পিজিআৰত মাটি দিবলৈ অনুৰোধ কৰিলো। ভূমিহীন আৰু দৰিদ্ৰ কৃষক সকলক ন্যায় আৰু হক মতে অবিলম্বে ব্যৱস্থা কৰাৰ কাৰণে মই দাবী

জনালো। আৰু চৰকাৰে বনাঞ্চলৰ আৰু চৰকাৰী মাটি আজি ধনী মাটিৰ মহাজন সকলক লাখ লাখ বিঘা মাটি দিছে। আৰু তেওঁলোকে বে-আইনী ভাবে সেই মাটি ব্যৱসায় কৰিছে। এনে ধৰণৰ উদাহৰণ অসম ৰাজ্যত বহুতো আছে। আমাৰ উত্তৰ লক্ষিমপুৰ মহকুমাটো আছে। গতিকে ধনী আৰু মাটি মহাজন বিলাকক শ শ বিঘা চৰকাৰী মাটি দখল কৰি বে-আইনী ভাৱে দখল কৰি ব্যৱসায় কৰাটো চৰকাৰে অনতিবিলম্বে বন্ধ কৰিব লাগে। আৰু বন বিভাগে বনাঞ্চলত গছ কৰা ব্যৱস্থা কৰিব লাগে। আৰু খেতিয়ক সকলৰ শস্য উৎপাদনৰ কাৰণে মাটি নিদিয়াৰ কি অৰ্থ থাকিব পাৰে।

উপাধ্যক্ষ মহোদয়, সেই কাৰণে আজি এই বিভাগত বিশেষকৈ আমাৰ ৭০-৮০ ভাগ মানুহেই কৃষক। এই লোক সকল যাতে আত্মনিৰ্ভৰশীল হব পাৰে তাৰ কাৰণে অবিলম্বে অৰাজকতা বন্ধ কৰি মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি আমাৰ যিসকল শ্ৰমিক কৃষক ৰাজ্যখনত আছে সেই কৃষি শ্ৰমিক সকলৰ জীয়াই থকাৰ বাবে সকলো ৰকমৰ সা-সুবিধা অবিলম্বে কৰি দি নিৰাপত্তা ব্যৱস্থা কৰি দিব লাগে। তাৰোপৰি ৰায়তী-স্বত্ব আইন প্ৰজাস্বত্ব আইন যথাযথ ভাৱে কাৰ্য্যকৰি কৰিব লাগে। আৰু ৰায়ত সকলক আধিয়াৰ সকলক নিৰাপত্তা প্ৰদান কৰিব লাগে। মহোদয়, আজি আমাৰ ১৬ লাখ ৰায়তৰ ভিতৰত মাত্ৰ ৩ লাখৰ হে নথিপত্ৰ আছে, বাকী সকলৰ নাই। চৰকাৰে মাটি মহাজন আৰু ধনী সকলৰ স্বাৰ্থৰ খাতিৰত নথি-পত্ৰ নিদি দুখীয়া খেতিয়কক পকা খতিয়ান দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে আজি মাটিৰ মহাজন বিলাকে কৃষক সকলক ভিক্ষাৰী পথলৈ টানি নিবলৈ চক্ৰান্ত কৰিছে। গতিকে মই চৰকাৰক সাৱধান কৰি দিছো এই ১৬ লাখ ৰায়তক অনতিবিলম্বে নথিভুক্ত কৰি যিসকল মাটি মালিকে বা দালালে তেওঁলোকক পকা খতিয়ান দিয়াৰ বাধা দিছে তাৰ এটা উপযুক্ত ব্যৱস্থা লবলৈ মই দাবী জনাইছো।

ইয়াৰ বাহিৰেও যিবিলাক সুদখোৰ মহাজনৰ কবলত পৰি খেতিয়ক সকলে ক্ষতিগ্ৰস্থ হৈছে, বিশ্বাস হেৰাইছে তাৰ কোনো ব্যৱস্থা হোৱা নাই। মহাজন সকলৰ পৰা ঋণৰ পৰা সকাহ দিয়া যি আইন সেই আইন যথাযথ ভাবে কাৰ্য্যকৰী নহ'ল। আজি মহাজন সকলে অৰাজকতাৰ সৃষ্টি কৰিছে। ধন ধাৰে দি আৰু সেই ধনৰ বিনিময়ত দৰিদ্ৰ-লোক সকলৰ মাটি সম্পত্তি সকলো হস্তগত কৰিছে কিন্তু তেওঁলোকক সকাহ দিয়া কাৰণে যি আইন কৰিছিল তাক যথাযথ ভাবে কাৰ্য্যকৰী কৰা নাই আৰু তাক কাৰ্য্যকৰী কৰিবলৈ মই দাবী কৰিছো। চিলিং আইন অবিলম্বে কাৰ্য্যকৰী কৰিব লাগে। যিবিলাক গোচৰ এতিয়াও চৰকাৰৰ হাতত আছে সেই চিলিং গোচৰ বিলাকৰ পৰা চাহ বাগানৰ মালিক বা মাটিৰ মালিকে যাতে তেওঁলোকৰ স্বাৰ্থত চিলিং আইন ফাকি দিব নোৱাৰে তাৰ কাৰণে দৰ্কাৰ হলে শাস্তি বিধানো থাকিব লাগে। এই চিলিং আইনৰ যেগেদি যিবিলাক অতিৰিক্ত মাটি সেইবিলাক দুখীয়াৰ মাজত বিতৰণ কৰিবলৈ দাবী কৰিছো। আজি খেতিয়ক সকলৰ মাজত যি ৩০-৪০ বছৰ ধৰি নিজে দখল কৰি খেতি কৰি আছে তাৰ অধিকাংশই ট্ৰাইবেল তেওঁলোককো পট্টা দিয়াৰ ব্যৱস্থা কৰা নাই। এই পট্টা দিয়াৰ ব্যৱস্থা নকৰাৰ ফলত খেতিয়কে খেতিয়কৰ মাজত সংঘৰ্শ বা হত্যাহতিৰ সৃষ্টি হৈছে। এই সংক্ৰান্তত যি সকলে মাটি দখল কৰি আছে তেওঁলোকক অবিলম্বে জৰীপ কৰি মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰৰ ওচৰত দাবী জনালো। উপাধ্যক্ষ মহোদয়, ভূমি সংস্কাৰ যিবিলাক আইন, ৰায়তী স্বত্ব যিবিলাক আইন মহাজনৰ পৰা ঋণ সকাহ দিয়া যিবিলাক আইন সেইবিলাক বাস্তৱত ৰূপায়ন কৰিব লাগে। এই বিলাক ৰূপায়ন কৰিবলৈ যাওঁতে যিবিলাক গন্দোগোল হৈছে ধনীয়ে দুখীয়াৰ ওপৰত অত্যাচাৰ ইত্যাদি পৰ্য্যালোচনা হোৱা দৰ্কাৰ আৰু সেইমতে কঠোৰহাতে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আনহাতে চিলিংৰ যিবিলাক উদ্বৃত্ত মাটি তাৰ এৰিঘা মাটি আৰু পুনৰ সংস্থাপনৰ টকা সেইবিলাক কাগজে পত্ৰে আবন্টন

দিয়া হ'ল। কোনোবাই যদি এবিঘা মাটি আবণ্টন পাইছে কিন্তু তেওঁ পুনৰ সংস্থাপনৰ টকা নাপালে। কিছুমানে এবিঘা মাটিৰ আবণ্টন পাইছে কিন্তু তেওঁ আজিলৈ দখল চমজি আজিও নাপালে। মাটি পট্টনৰ নামত যিবিলাক ভেকো ভাওনা চলিছে তাক অবিলম্বে বন্ধ কৰি, ৰাজহ বিভাগৰ এই অৰাজকতা বন্ধ কৰি সুঠভাবে মাটি বিতৰণ পদ্ধতি লবলৈ মই চৰকাৰক দাবী জনালো। যোৱা বিধান সভাত ঘোষণা কৰিছিল যে এটা ভূমি সংস্কাৰ আয়োগ গঠন কৰা হৈছে আৰু তেওঁলোকে প্ৰতি মহকুমাতে যাব আৰু সেইবিলাক চাইচিতি এটা প্ৰতিবেদন দাখিল কৰিব আৰু সেইমতে ৰাজ্য চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। এই আয়োগে যোৱা এবছৰত কি কাম কৰিলে তাৰ এটা কৈফিয়ত দিবলৈ ৰাজহ মন্ত্ৰীক দাবী কৰিলো। জনতা চৰকাৰে নিৰ্ব্বাচনি ইস্তাহাৰত যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি ভঙ্গ কৰি ৰাজহ বিভাগে মাটিৰ সংক্ৰান্তত যি অৰাজকতা চলাইছে সেই অৰাজকতা বন্ধ নকৰিলে ব্যাপক অঞ্চল বাধাৰ সন্মুখীন হব লাগিব। উপাধ্যক্ষ মহোদয়, কেবা বছৰো হ'ল কদম বনাঞ্চলত ৯৬৬৩ বিঘা মাটি তাৰ জিলা প্ৰশাসনে অৰ্থাৎ মহকুমা ভূমি সংস্কাৰ কমিটিয়ে মুকলি কৰি দি ভূমিহীন দৰিদ্ৰ ট্ৰাইবেল ভাই সকলক পট্টণ দিয়াৰ কাৰণে পৰামৰ্শ দিছিল তাক অবিলম্বে কাৰ্য্যকৰী কৰিবলৈ আহবান জনাইছো। আমাৰ লক্ষীমপুৰ জিলাত মাটি সংক্ৰান্তীয় বিষয়লৈ এটা অৰাজকতাৰ সৃষ্টি হৈছে। ভূমিহীন কৃষকৰ নামত একশ্ৰেণীৰ ধনী মানুহে এই মাটি বিলাক দখল কৰি বহি আছে। গতিকে এই অৰাজকতা বন্ধ কৰি এটা সুস্থিৰ নীতিত মাটি পট্টনৰ ব্যৱস্থা হাতত লব বুলি মই জনতা চৰকাৰক দাবী জনাইছো আৰু কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। শেষত মহোদয়ে এইখিনি কবলৈ দিয়া বাবে আপোনাক ধন্যবাদ জনাই বক্তৃতাৰ সামৰনি মাৰিলো।

Mr. Deputy Speaker :— Now hon'ble Minister will reply.

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি ১৫ জন মাননীয় সদস্যই আলোচনা আৰু সমালোচনাৰ জৰিয়তে এই বিভাগটোৰ ত্ৰুটি বিচুৰ্তি আদি কিছুমান পৰামৰ্শ আগবঢ়াইছে। মই তেখেত সকলক আন্তৰিকতাৰে ধন্যবাদ আৰু শলাগ জনাইছো। বিভাগৰ যিবিলাক খেলিমেলি আছে, দোষ ত্ৰুটি আছে সেইখিনি সমাধান কৰাত নিশ্চয় তেখেত সকলৰ সহযোগিতা পাম। এতিয়া কৰ্ত্তন প্ৰস্তাৱত যি সকলে অংশ গ্ৰহণ কৰি তেখেত সকলে অভিযোগ পৰামৰ্শ আগবঢ়াইছে তাৰ ওপৰত চমু চমুকৈ দুষাবমান কৰ খুজিছো। মাননীয় সদস্য শ্ৰীচামচুল হুদা ডাঙৰীয়াই তেখেতে এটা কথা উল্লেখ কৰিছে যে এচ দি চি বিলাক বদলি হোৱাৰ পাচতো তেখেত সকলৰ মণ্ডল কানুনগো সকলে নথিপত্ৰ নি তাত গৈ মঞ্জুৰ কৰি আনে। সেইটো আমাৰ দৃষ্টিত অহা নাই আৰু আহিলে নিশ্চয় ব্যৱস্থা লম।

মঃ চামচুল হুদা :— সেইটো বন্ধ কৰাৰ উপায় হৈছে ৰেকৰ্ড বিলাক প্ৰিন্ট কৰাৰ ব্যৱস্থা কৰক আৰু তেতিয়া মাহে মাহে কৰা এই কাম বন্ধ হব।

Mr. Deputy Speaker :— At the same time I would request the hon'ble members of the House that when the hon'ble Minister will reply, they would note it down and they would seek clarification after the hon'ble Minister has given the reply.

* শ্ৰীলক্ষেশ্বৰ গোঁহাই :— তেখেতে উলেখ কৰিছে যে মাটিৰ সৰ্ব্বোচ্চ সীমা ৩০ বিঘালৈ বঢ়াব লাগে। এইটো কেন্দ্ৰীয় চৰকাৰৰ

* Speech not corrected

সিদ্ধান্ত মতে কৰা হয়। মই আগতেও কৈছো যে ভূমিসংস্কাৰ আয়োগে কি পৰামৰ্শ দিয়ে তাক চালি জাৰি চাই ব্যৱস্থা লব পাৰিম। তেখেতে আৰু উল্লেখ কৰিছে যে লাহৰিঘাটৰ অমৰাগাঁৱত ট্ৰাইবেল বেল্টৰ ভিতৰত পৰা যিখিনি মানুহ আছে, তাত থকাৰ যদি যোগ্য নহয় তেন্তে তাৰ পৰা উঠাব লাগিব। লগতে মই কব বিচাৰিছো যে মোৰা-মৰীয়া গো-চৰণীয়া পথাৰ মুক্ত কৰা হোৱা নাই। তেখেতে প্ৰাকৃতিক দুৰ্যোগৰ কথা উল্লেখ কৰিছে। আমি এইটো উপলব্ধি কৰিছো যে প্ৰাকৃতিক দুৰ্যোগত শস্য নষ্ট হয়। এই বানপানীত যেতিয়া ক্ষতিগ্ৰস্ত হয়, টেষ্ট ৰিলিফ অলপ মান বঢ়াব পাৰো নেকি চিন্তা কৰি আছো। শ্ৰী বীৰেশ মিশ্ৰ ডাঙৰীয়াই উল্লেখ কৰিছে যে স্কুল বিলাক সাধাৰণতে পট্টাৰ মাটিত বহুওৱা নহয়। সচৰাচৰ গো-চৰণীয়া পথাৰ আৰু ব্যৱসায়ীক চৰণীয়া পথাৰ বিলাকত স্কুল পতাৰ প্ৰস্তাব চৰকাৰৰ ওচৰলৈ আহে যেতিয়া তত্তাতৈয়াকৈ সেই স্কুলক মঞ্জুৰী দিওঁ। মথলাবাগানত ব্ৰহ্মপুত্ৰৰ গড় খহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হোৱা বহুৱা সকলক কৰ্ম সংস্থাপন দিবৰ কাৰণে ডিব্ৰুগড়ৰ ওচৰত থকা চাহ বাগানৰ চিলিঙত পোৱাৰ অতিৰিক্ত মাটি অধিগ্ৰহণ কৰি মাটি দিয়াৰ কথা আগৰ চৰকাৰে চিন্তা কৰি এটা সিদ্ধান্ত লৈ গৈছে। এতিয়ালৈকে তেওঁলোকক ৪৫০ একৰ মাটি দিয়া হৈছে। কাকপথাৰৰ বেদখলকাৰী মাটিৰ দখল কিনি ৰফিউল্লাই টি-ইণ্ডাষ্ট্ৰি কৰাৰ কথা উল্লেখ কৰিছে। তাৰ কাৰণে গোচৰ তৰিছো। লগতে তেখেতে লংকা চক্ৰত আহি সেই অঞ্চলৰ বাইজে আহি বিক্ষোভ প্ৰদৰ্শন কৰিছিল। মই দেৰাপথাৰলৈ যাওঁতে তেওঁলোকক সুধিছিলো কি কি বিষয়ত বিক্ষোভ প্ৰদৰ্শন হৈছিল। তেতিয়া তেওঁলোকে উল্লেখ কৰিছে যে বস্তুৰ চৰা দাম, বহিৰাগতৰ নামত ভাৰতীয় নাগৰিকক বাহিৰ কৰি দিয়া আৰু দেৰাপথাৰ অঞ্চলৰ মানুহখিনিক কপালকটা ৰিজাৰ্ভত দিয়াৰ কাৰণে অভিযোগ কৰিছে। তেখেতসকলৰ লগতে এ, এচ, অক সুধিছো। এই সম্পৰ্কত

তদন্তৰ ব্যৱস্থা লৈছে। শ্ৰীএ, এন, আক্ৰাম হুচেইন ডাঙৰীয়াই কিছু ভাল পৰামৰ্শ দিছে। তেখেতে উল্লেখ কৰিছে যে মীন মহলৰ নামত ভালেমান মাটি লৈ মহাজনে পানী থকা ঠাইত মাছ মৰাৰ ব্যৱস্থা কৰে আৰু বাম মাটিত ৰায়তক খেতি কৰিবলৈ দি খেতিৰ ফচল লয়। মীন মহল পুনৰ গঠন কৰা সম্পৰ্কত চিন্তা কৰিম বুলি ভাবিছো। তেখেতে আৰু উল্লেখ কৰিছে যে অলপমান বুদ্ধিমান লোকসকলে চিলিং আইনৰ কবলত পৰা মাটি নিজৰ পৰিয়ালৰ ভিতৰত ভগাই লোৱাৰ ব্যৱস্থা কৰে। ইতিমধ্যে আমি সেইটো পৰীক্ষা নিৰীক্ষা কৰি চাইছো। প্ৰকৃততে যদি চিলিং আইনৰ ভিতৰত যিটো পৰিয়ালৰ মাটি পৰে আমি সেই মাটি সেই ধৰণে অধিগ্ৰহণ কৰি লৈছো। আমাৰ মাননীয় সদস্য শ্ৰীনজমুল হক ডাঙৰীয়াই ৰামেশ্বৰ পাণ্ডেৰ কথা উল্লেখ কৰিছে ৬০, ৮৫৯ টকা খাজনা অনাদায়ী হৈ আছে। তেওঁৰ কিছু মাটি অধিগ্ৰহণ কৰা হৈছে। কিছু মাটি গড়াখহনীয়া পৰিছে, কিছু মাটিৰ দাক হৈছে। ইতিমধ্যে কেচ ৰজু কৰা হৈছে— ধনখিনি আনিব পৰা হয়নে নহয়? মাননীয় সদস্য শ্ৰীৰামেন্দ্ৰ দে ডাঙৰীয়াই টেষ্ট ৰিলিফত দিয়া টকাৰ বৈষম্যৰ কথা উল্লেখ কৰিছে। যোৱা বছৰ অসমত বানপানীৰ বাবে ৰিলিফৰ যি টকা আছিল তাৰ বহু টকা বাচি গৈছিল। জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতি সকলক কিমান টকা লাগে তাৰ প্ৰতিবেদন বিচাৰিছো। ডিচেম্বৰ মাহত উপায়ুক্ত আৰু মহকুমাধিপতি সকলৰ সভাত কোৱা হৈছিল কিমান টকা লাগে অতি সোনকালে জনাওক। কাবোবাৰ পৰা খবৰ আহিল কিন্তু দুই তিনিটা মহকুমাৰ পৰা তেওঁলোকক কিমান টকা লাগে তাৰ খবৰ নাহিল। বেচি থকা টকাৰ পৰা গোৱালপাৰাত ২৬ লাখ টকা দিয়াকে আৰম্ভ কৰি যত যেনেকৈ বিচাৰিছে আমি তেনেকৈ দিছো। এতিয়া মাত্ৰ কাছাৰৰ পৰা দুই লাখ টকাৰ প্ৰস্তাৱ আহিছে। আমাৰ ইতিমধ্যে যিটো টকা ৰাহি হৈছে তাৰ পৰা ডেৰলাখ টকা দিছো।

মাননীয় সদস্য শ্ৰীফখৰুল ইচলাম চাহাবে অধিগ্ৰহন কৰা মাটিৰ মূল্য দিয়া নাই বুলি কৈছে। আমি সেই সম্পৰ্কত খৰতকীয়া ব্যৱস্থা লৈছো। এই ব্যৱস্থা খৰতকীয়া কৰিবৰ কাৰণে জিলা আৰু মহকুমা ভিত্তিত একোখন কমিটি গঠন কৰি দিছো। ইতিমধ্যে ৰাজ্যিক ভিত্তিত কমিটি গঠন কৰা হৈছে। আশা ৰাখিছো যি বিলাকৰ টকা বাকী পৰি আছে সোনকালে দিয়াৰ ব্যৱস্থা হব। মাননীয় সদস্য শ্ৰীবুদ্ধ বৰুৱাই গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোক সকলক পুণৰ সংস্থাপন দিয়াৰ কথা উল্লেখ কৰিছে। ইতিমধ্যে ক্ষতিগ্ৰস্ত লোক সকলক পুনৰ সংস্থাপন কৰিবৰ কাৰণে চেষ্টা কৰিছো। মাননীয় সদস্য শ্ৰীবিনয় কুমাৰ বসুমতাৰীয়ে জনজাতীয় লোক-সকলৰ ৰক্ষাৰ কাৰণে যিটো পৰামৰ্শ দিছে সেই সম্পৰ্কত আমি ইতিমধ্যে জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতি সকলক নিৰ্দেশ দিছো সেই সম্পৰ্কত মই পিচত উল্লেখ কৰিম। মাননীয় সদস্য শ্ৰীইব্ৰাহীম আলিয়ে মৌজাদাৰ সকলৰ সম্পৰ্কত উল্লেখ কৰিছে। প্ৰায় তিনি কোটিৰ ওপৰ টকা ৰাইজে মৌজাদাৰক দিছে, কিন্তু মৌজাদাৰৰ পৰা অনাদায়ী হৈ আছে এইটো কেনেকৈ আনিব পাৰি তাৰ বাবে ব্যৱস্থা লবলৈ কৈছো। উপায়ুক্ত সকলে যাতে তৎপৰ ব্যৱস্থা লয় তাৰ বাবে কোৱা হৈছে। মৌজাদাৰ সকলৰ ওচৰলৈ খাজনা দিব লৈ আহোতে জোৰ জুলুম যদি হৈছে, হাৰাশাস্তি হৈছে তেন্তে লগে লগে শাস্তি বিহা হৈছে। সেই সকলৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হৈছে। শ্ৰীআফাজুদ্দিন আহমদ আৰু শ্ৰীচিৰাজুল হকে সজ পৰামৰ্শ আগ বঢ়াইছে। আমিও উপলব্ধি কৰিছো ডি, চি, জনক জিলাৰ সকলো কামত লগোৱা হয়। তেওঁ জিলাৰ ৰেভিনিউ অফিচাৰ। গোটেই চিঠি পত্ৰ, প্ৰস্তাৱ, ডি, চিৰ জৰিয়তে আহিব লাগে। তেওঁ বিভিন্ন কামত জৰিত থকাৰ কাৰণে ৰাজহ বিভাগৰ কাম কাজত নিয়াৰিকৈ চকু দিব নোৱাৰে। ডি, চি,ৰ ঠাইত দিষ্ট্ৰিক্ট ৰেভিনিউ অফিচাৰ ললে কাম তৎপৰ হব বুলি ভাবিছো। মাননীয় সদস্য শ্ৰীবিষ্ণুলাল উপাধ্যায় ডাঙৰীয়াই

পট্টন দিয়াৰ কথা কৈছে। আমি বিহিত ব্যৱস্থা লৈ আছো। আমি আশা ৰাখিছো অতি সোনকালে পট্টন দিয়াৰ ব্যৱস্থা কৰিব পাৰিম। শ্ৰীনেপাল দাস ডাঙৰীয়াই পট্টন দিয়া সম্পৰ্কত কৈছে। মই ইতিমধ্যে কৈছো যে আমি পট্টন দিবলৈ ঠিক কৰিছো।

শ্ৰীজয় নাল্ আবেদিন ডাঙৰীয়াই যি কেইটা অভিযোগ আনিছে সেয়া মোৰ মনত আছে, সেই বিষয়ে আমি তদন্ত কৰিম। দক্ষিণ শালমৰা এচ, অ', সম্পৰ্কে যিটো অভিযোগ আনিছে সেই সম্পৰ্কে তদন্ত কৰা হৈছে আৰু ৰিপৰ্ট চৰকাৰে পাইছে। ইয়াৰ বিহিত অনুসন্ধান লবলৈ ডি, চিলৈ পঠাই দিছো। পে শ্লিপ সম্পৰ্কে যি খেলিমেলিৰ কথা কৈছে সেইখিনিও মোৰ দৃষ্টিলৈ অহা নাই, বৰঞ্চ ধুবুৰী মহকুমাত সুন্দৰকৈ কৰা বুলিহে আমি খবৰ পাইছো। যিটো দুৰ্নীতি হৈছে সেইটো আমি লক্ষ্য কৰিম বুলি ভাবিছো।

তাৰ পিচত আমাৰ শ্ৰীশূল বৰা ডাঙৰীয়াই যি পৰামৰ্শ দিছে আমি গ্ৰহণ কৰিম। লগতে মই মোৰ এবছৰীয়া অভিজ্ঞতা আৰু এই বছৰত হোৱা কাম আৰু আগৰ কামৰ সম্পৰ্কে মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সদনত কেইটামান কথা উল্লেখ কৰিব খুজিছো।

অসমৰ চুকে কোণে থকা মাটি বাৰীৰ সমস্যা সমূহ যিমান পৰা-যায় বুজি বাজি লবলৈ আৰু সমাধান কৰিবলৈ যত্ন কৰিছো। জনতা চৰকাৰৰ এবছৰীয়া কাৰ্য্য কালত মাননীয় সদস্য সকলে যি পৰামৰ্শ বা ক্ৰুটি-বিচ্যুতি আমাৰ দৃষ্টি লৈ আনিছে সেইবিলাক পাৰ্য্যমানে আঁতৰ কৰিবলৈ চেষ্টা কৰি আহিছো। মাটিয়েই হৈছে অসমৰ মুখ্য প্ৰাকৃতিক সম্পদ। ভূমিনীতিৰ দ্বাৰা দেশৰ অৰ্থনৈতিক উন্নতি সাধন কৰাত বাইজৰো যে অৱস্থা উন্নত কৰা হব সেই কথাত যে গুৰুত্ব আৰোপ কৰিব লাগে সেই কথা আমি অস্বীকাৰ কৰিব নোৱাৰো। দেশে স্বাধীনতা লাভ কৰাৰ

আগৰ পৰাই অসমত মাটি-বাৰীৰ সমস্যা কম বেছি পৰিমাণে আছেই। বৰ্দ্ধিত জনসংখ্যা, বানপানী, গড়াখহনীয়া আৰু বিভিন্ন ধৰণৰ উদ্যোগ আৰু উন্নয়নমূলক কামৰ বাবে খেতিৰ মাটি ব্যৱহাৰ হোৱাত এই সমস্যা সমূহো বেছি জটিল হৈ পৰিছে। স্বাধীনতা লাভ কৰাৰ পিচত বৰ্ত্তমান ১৯৫৮-৫৮-৬৮ আৰু ১৯৭২ চনত ভূমিনীতিৰ এটা সিদ্ধান্ত চাবিবাৰ লোৱা হয়। বৰ্দ্ধিত জনসংখ্যা আৰু গড়াখহনীয়াত প্ৰপীড়িত লোক সকলৰ সংস্থাপন আদিৰ বাবে ভূমি নীতিৰ ওপৰত হেচা পৰে। মাটিৰ উপযুক্ততাৰ প্ৰতি লক্ষ্য ৰাখি ভূমিনীতি সময়ে সময়ে সাল-সলনি কৰা হৈছিল। কিন্তু যি উদ্দেশ্যৰে এই সাল-সলনি কৰা হৈছিল তাৰ সামান্য অংশহে সমাধান হৈছে। অধিকাংশ সমস্যা সমস্যা হৈয়েই ৰ'ল। যাৰ ফলত চৰকাৰী মাটিৰ বাদেও ৰাষ্টাৰ কাষৰ মাটি গোপচাৰ, চৰণীয়া পথাৰ আদিত ব্যাপক ভাবে বেদখল কৰি আছিছে। শিৱসাগৰ জিলাৰ যোৰহাট মহকুমাৰ ঔগুৰি বিজাৰ্ভৰ মাটিৰ সমস্যা ৪০ বছৰীয়া। মঙ্গলদৈ মহকুমাৰ গোপচাৰ, দেৰাপথাৰ ৰাস্তা আদি অঞ্চলৰ মাটিৰ সমস্যা সমাধান কৰা নাই। ভূমিহীন কৃষকৰ সংখ্যা বাঢ়িছে, কিন্তু মাটি বঢ়া নাই, সেই কাৰণে মাটি কম হৈ পৰিছে। বৰ্ত্তমান বছৰত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ ন বিলাকৰ গড়াখহনীয়াৰ ফলত বহুত মাটি জাহ গৈছে। তাৰোপৰি কামৰূপ, লক্ষীমপুৰ আৰু গোৱালপাৰাৰ কিছুমান অংশৰ বহুতো অঞ্চলত নদীয়ে বালি পেলাই খেতিৰ অনুপযোগী কৰি পেলাইছে। মাননীয় সদস্য সকলে সুধিছিল— ৰাজহ বিভাগে খালি উচ্ছেদহে কৰিছে পট্টন কতো দিয়া নাই। মই কব খুজিছো আমি দায়িত্ব লোৱা এবছৰহে হৈছে। মাটি আমি দিছো। এই বছৰত নগাওঁ জিলাৰ লুতুমাৰীত ১৫৫৯ টা পৰিয়ালক, বৰপেটা মহকুমাৰ পুলৰা বিজাৰ্ভত ৭১ টা পৰিয়ালক, লটৰীয়া গোপাচাৰত ৩৭১টা পৰিয়ালক, শিৱসাগৰ জেৰেঙা পথাৰত ১৪০ টা অনুসূচিত পৰিয়ালক, ৫৩জন প্ৰাক্তন সৈনিকক, তৰাবাৰী গেজিওত (মৰিগাওঁ) ১০টা গড়াখহনীয়া

পৰিয়ালক, গড়জুলি গাওঁ ভি, জি, আৰত (দৰঙৰ) ১৬০ টা পৰিয়ালক; লুং চুঙৰ (কোকৰাঝাৰ মহকুমাৰ), মৰিগাওঁৰ বাহাকাবাৰী ভি, জি, আৰত ১৭টা অনুসূচিত জাতিৰ পৰিয়ালক, মিকিৰ ভেটা গ্ৰেজিঙত চাৰি বিঘাকৈ ৪টা অনুসূচিত পৰিয়ালক মাটি দিয়া হয়। তাৰোপৰি গোবিন্দ পুৰত ৫০০টা পৰিয়ালক অলপ দিনৰ ভিতৰতে মাটি আবণ্টন দিবলৈ ব্যৱস্থা কৰা হৈছে।

উচ্ছেদ সম্পৰ্কে মই অকণমান কব খুজিছো। আমাৰ বিধায়ক সকলৰ বেছি ভাগে উচ্ছেদৰ ওপৰত কৈ গৈছে। দেখা গৈছে অসমত প্ৰায় ঠাইতে মাটি থকা ও মাতবৰ শ্ৰেণীৰ মানুহে চৰণীয়া পথাৰ সমূহত নিজেও ভূমিহীন খেতিয়কক লগাই বেদখল কৰি আছে। এই শ্ৰেণীৰ লোকে ভূমিহীন ও দুখীয়া খেতিয়কৰ পৰা শস্যৰ বুজন পৰিমানৰ অংশ বা টকা সংগ্ৰহ কৰে।

জনস্বাৰ্থৰ বহুল খাতিৰত আমি কিছু সংখ্যক গোপাচাৰ ও ব্যৱসায়িক চৰণীয়া পথাৰ সংৰক্ষণ কৰি ৰাখিবই লাগিব। আৰু এনে কৰিবলৈ যাওঁতে ঠায়ে ঠায়ে উচ্ছেদ কৰিব লগীয়া হৈছে। আগৰ পৰা চৰকাৰে যদি ইয়াৰ ওপৰত গুৰুত্ব দিলেহেতেন তেনেহলে এনেধৰণৰ ব্যাপক বেদখল হবলৈ নাপালেহেতেন। বহুবছৰৰ আগৰ পৰা ২।৪ বছৰৰ পাছে পাছে গোপাচাৰ সমূহত থকা বেদখলকাৰী সকলক উচ্ছেদ কৰি আহিছে যদিও উচ্ছেদ হৈ যোৱাৰ পিচতেই সেই উচ্ছেদকাৰীয়ে মাটি পোৱাৰ আশাৰেই তাতে বহি থাকে। গড়কাপ্তানী ৰাস্তাৰ কামৰ মাটি বেদখল কৰা লোক সকলক চৰকাৰে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত উচ্ছেদ কৰিবই লাগিব।

সকলো বেদখলকাৰীক মাটি দিয়াটো সম্ভৱপৰ নহয়। প্ৰকৃত ভূমিহীন লোক আৰু গড়াখহনীয়া লোকসকলক পৰিকল্পিত ভাবে কোনো ক্ষেত্ৰত মাটি দিবলৈ ব্যৱস্থা কৰিছো। আমি আশা কৰিছো আগন্তুক

বিত্তীয় বছৰতে কিছু বুজন সংখ্যকক মাটি দিয়াৰ ব্যৱস্থা কৰিম।

এতিয়া মই অধিগ্ৰহনৰ সম্পৰ্কত উল্লেখ কৰিব বিচাৰিছো। এইটো এটা বৰ ডাঙৰ সমস্যা হৈ পৰিছে। ১৯৫৫ চনৰে পৰা মাটি অধিগ্ৰহনৰ ক্ষতিপূৰণ দিবলৈ বাকী আছে। ১৯৫৪ চনৰ পৰাই ৰাজহুৱা স্বাৰ্থৰ কাৰণে কিছু কিছু ক্ষেত্ৰত আইন প্ৰণয়ন কৰি ভূমি অধিগ্ৰহন কৰা হয়। ১৯৬৪ চনত গড়কাপ্তানী, জলসিঞ্চন, বান নিয়ন্ত্ৰণ আদি বিভাগৰ কামৰ উপৰিও আৰু য'ত অতি জৰুৰী ভাবে উন্নয়ণমূলক আচনিৰ কাৰণে ভূমি অধিগ্ৰহন কৰিব লগীয়া হয় সেই ক্ষেত্ৰতো ভূমি অধিগ্ৰহন কৰা হৈছে। অৱশ্যে ১৯৫৪ চনৰ আইন মতে অধিগ্ৰহনৰ মাটিৰ যি মূল্য আছিল ১৯৬৪ চনৰ আইন মতে ভূমি অধিগ্ৰহন কৰাৰ মূল্য কিছু কমি যায়। এই আইন সংশোধন কৰাৰ প্ৰয়োজন হৈছে। সৰ্ব্বসাধাৰণৰ উদ্যোগ, ৰাস্তা, মথাউৰি আদি তৈয়াৰ কৰাৰ ব্যৱস্থাত মাটিৰ মূল্য পোৱাতকৈ কামখিনিহে সোনকালে সম্পূৰ্ণ হোৱাটো বিচাৰে। মাটিৰ মূল্য বা ফচলৰ কথা প্ৰথমতে চিন্তা নকৰে। পিচত মাটিৰ মূল্য আৰু ফচলৰ কথা চিন্তা কৰাত কিছু কিছু ক্ষেত্ৰত পট্টাদাৰ আৰু খতিয়ান সকলে মাটিৰ মূল্য পোৱাত পলম হয়। কোনো কোনো সময়ত আঁচনিৰ তাৰতম্য হোৱাৰ কাৰণেও ক্ষতিপূৰণ হোৱাত পলম হয়। ১৯৫৫ চনৰ পৰাই অধিগ্ৰহন কৰা মাটিৰ ক্ষতিপূৰণ নিদিয়াৰ কথাটো চিন্তাৰ বিষয় হৈ পৰিছে। এনেধৰণে অধিগ্ৰহন কৰা গোচৰ বিলাকৰ ক্ষেত্ৰত অকল ৰাজহ বিভাগেই দায়ী নহয়। সেইকাৰণে সংশ্লিষ্ট বিভাগ সমূহৰ মাজত সমন্বয় সাধন কৰি গোচৰ বিলাক নিষ্পত্তি সাধন কৰিব লাগিব। অধিগ্ৰহনৰ ক্ষতিপূৰণ সোনকালে দিবৰ কাৰণেই ৰাজ্যিক ভিত্তিত এখন আৰু মহকুমা ভিত্তিত এখন কমিটি গঠন কৰি দিয়া হৈছে। ৰাজহ বিভাগৰ সচিবক চেয়াৰম্যান হিচাবে লৈ জলসিঞ্চন বিভাগৰ সচিব, গড়কাপ্তানী বিভাগৰ সচিব আৰু বাননিয়ন্ত্ৰণ বিভাগৰ সচিবক লৈ কমিটিখন কৰা হৈছে। মহকুমা ভিত্তিত উপায়ুক্ত আৰু

মহকুমাধিপতিক চেয়াৰম্যান হিচাবে লৈ গড়কাপ্তানী বিভাগৰ, জলসিঞ্চন বিভাগৰ আৰু বান নিয়ন্ত্ৰন বিভাগৰ কাৰ্য্যবাহী অভিযন্তা সকলক লৈ কমিটি গঠন কৰা হৈছে। উক্ত দুয়োখন কমিটিয়ে যিমান সোনকালে পাৰে অধিগ্ৰহনৰ লিষ্ট উলিয়াই মাটি আৰু ফচলৰ ক্ষতিপূৰণ দিবলৈ কোৱা হৈছে।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— এই কমিটি বছৰত কেইবাৰকৈ বহিব ?

* শ্ৰীলক্ষেশ্বৰ গোঁহাই :— যিমান বাৰ প্ৰয়োজন হয়, সিমান বাৰ বহিব। আশা ৰাখিছো চৰকাৰে আগন্তুক বিত্তীয় বছৰৰ আগতে বছৰৰ পিচত বছৰ ধৰি পৰি থকা গোচৰ বিলাক নিস্পত্তি কৰিব পৰা হব।

উপাধ্যক্ষ মহোদয়, মই ভূমিসংস্কাৰ আয়োগৰ সম্পৰ্কত কব বিচাৰিছো। এই বছৰত অসমৰ ভূমি সমস্যা বিলাক চালি-জাৰি চাই অধ্যয়ন কৰি পৰামৰ্শ আগবঢ়াবলৈ এখন আয়োগ গঠন কৰা হৈছে। এই আয়োগৰ প্ৰতিবেদন পোৱাৰ পিচত এই সম্পৰ্কত যথাবিহিত ব্যৱস্থা লোৱা হব। ৰাইজৰ সুবিধাৰ্থে মহকুমা ভিত্তিত আমি এখন ভূমি উপদেষ্টা বোৰ্ড গঠন কৰি দিছো। এই বোৰ্ডে মাটি পট্টন বা বণ্টনৰ সম্পৰ্কত পৰামৰ্শ আগবঢ়াব। এই গোটেই কামখিনি চক্ৰ পৰ্য্যায়ত সমাধা কৰিবলৈ আমি কেইটামান ভূমি উপদেষ্টা কমিটি গঠন কৰিবলৈ খুজিছো। উক্ত কমিটিয়ে প্ৰকৃত ভূমিহীন মানুহৰ তালিকা প্ৰস্তুত কৰিব আৰু ক'ত মাটি পট্টন দিব পৰা যায়, পট্টনৰ কামটো সুচাৰু ৰূপে যাতে সমাধান হয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই কমিটিৰ প্ৰথম কাম হব।

মই এতিয়া চিলিং গোচৰৰ সংক্ৰান্তত অলপ উল্লেখ কৰিব বিচাৰিছো।

* Speech not corrected

এতিয়ালৈকে ২১, ৪৭১ টা চিলিং গোচৰ বজু কৰা হৈছিল, ইয়াৰ ভিতৰত ২১,৩৭২টা নিস্পত্তি কৰা হৈছে। বাকী ৯৯ টা আছে। পুনৰ বিবেচনাৰ বাবে আবেদন আছে চাহ বাগানৰ ৯২টা, ব্যক্তিগত ২০৫৬ টা মুঠ ২১৪৮ টা। ইয়াৰ ভিতৰত বাগানৰ ৩৭ টা ব্যক্তিগত ১৬৫০ টাৰ নিস্পত্তি কৰা হৈছে। এই বছৰত বাগানৰ ১৬টা কেচ আৰু ব্যক্তিগত ২৮৭ টা কেচ নিস্পত্তি কৰা হৈছে। এই অধিগ্ৰহন কৰা মাটিৰ ভিতৰত আগৰ বছৰলৈকে ৮, ৯৫, ২২২ বিঘা আৰু এইবছৰত ১৬, ০৩৪ বিঘা মাটি বিতৰণ কৰা হৈছে। বাকী মাটি সোনকালে প্ৰকৃত ভূমিহীন খেতিয়কৰ মাজত বিতৰণ কৰা হব। এই অধিগৃহিত মাটিৰ বাবদ অনুমানিক ১৬ কোটি টকা ক্ষতিপুৰণ দিবলগীয়া হব। ইয়াৰ ভিতৰত ৮৪,২৯,০০০ টকা ক্ষতিপুৰণ আদায় দিয়া হৈছে। এইবছৰৰ ভিতৰত বাগানৰ বাকী কেচ কেইটা আৰু ব্যক্তিগত কেচ বিলাক নিস্পত্তি কৰি প্ৰকৃত ভূমিহীনৰ মাজত বিতৰণ কৰাৰ বাবে পাৰ্যমানে যত্ন লোৱা হব।

ৰায়তীস্বত্বৰ সম্পৰ্কত বহু কেইজন মাননীয় সদস্যই অভিযোগ কৰিছে। এই আইন ১৯৭১ চনত বলবত হৈছে। এই সম্পৰ্কত মই উল্লেখ কৰিব বিচাৰিছো যে বৰ্তমানলৈকে ৩, ০২, ৪৭১ জন ৰায়তক খতিয়ন ভুক্ত কৰা হৈছে। এতিয়ালৈকে ৪৮, ১৭৬ টা আপত্তি গোচৰ প্ৰাবস্থিৰ ৰায়তী স্বত্ব ঘোষণাৰ বিপক্ষে পোৱা গৈছে। আৰু ইয়াৰ ৩৩, ৩৮৯ টা গোচৰ ৰায়তৰ সপক্ষে নিস্পত্তি কৰা হৈছে। গোৱালপাৰা কৰিমগঞ্জৰ স্থায়ী বন্দৱস্তি এলেকাত খতিয়ান দিবলৈ বাকী আছে। এই দুই ঠাইত প্ৰায় ৩ লাখ বিঘা মাটি খতিয়ান দিয়া হব। ইয়াকে লৈ মুঠ ১১. ৩৫ লাখ বিঘা মাটি খতিয়ান দিয়া হব।

মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰীয়ে জনজাতীয় বেষ্টনীৰ কথা উল্লেখ কৰিছে। অসমত এতিয়ালৈকে ৩১ টা জনজাতীয় বেষ্টনী আছে। দশম

অধ্যায়ৰ অধীনত জনজাতীয় বেষ্টনীৰ ভিতৰত কোনো অযোগ্য লোকে মাটিৰ পট্টন পাব নোৱাৰে। জিলাৰ সকলো উপায়ুক্ত ও সকলো মহকুমাৰ মহকুমাধিপতিলৈ দশম অধ্যায়ৰ নিৰ্দ্দেশাৱলী কঠোৰ ভাবে মানি চলিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। এই সংক্ৰান্তত মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই বহুতো পৰামৰ্শ আগবঢ়াইছে। চৰকাৰে উক্ত পৰামৰ্শ চালি-জাৰি লৈ বিবেচনা কৰিব। এজন সহকাৰী বন্দৱস্ত প্ৰাধীকাৰীক দশম অধ্যায়ৰ নিৰ্দ্দেশাৱলী অমান্য কৰাত নিলম্বিত কৰা হৈছে।

মাননীয় সদস্য সকলে পুনৰ বন্দৱস্তিৰ কথা উল্লেখ কৰিছে। এই সম্পৰ্কত মই কব বিচাৰিছো যে ১৯৭১ জমিদাৰী মাটি অধিগ্ৰহন কৰা আইনৰ ১৯৫৪ চনৰ জুন মাহৰ পৰা আৰম্ভ হয়। এই আইন-মতে গোৱালপাৰা জিলা আৰু কৰিমগঞ্জ মহকুমাৰ সকলো জমিদাৰী মাটি অধিগ্ৰহন কৰা হৈছে। এই মাটিৰ পৰিমাণ ১৬.৭৪ লাখ একৰ। এতিয়ালৈকে জমিদাৰ ও যোদ্দাৰ সকলক প্ৰায় চাৰে তিনি কোটি টকাৰ ক্ষতি পুৰণ দিয়া হৈছে। উল্লেখিত আইন মতে মাটিৰ মালীকানা স্বত্ব ৰায়তসকলৰ ওপৰত ধাৰ্য্য কৰা হৈছে। ৰায়তসকলক পট্টা দিবৰ বাবে এই তুই ঠাইত জৰীপ ও বন্দৱস্তিৰ কাম কৰিবলৈ দিয়া হৈছে। ৰাইজে যি অসুবিধা পাই আহিছে জৰিপ ও বন্দৱস্তি শেষ হোৱাৰ লগে লগে উপকৃত হব বুলি আশা ৰাখিছো।

ইয়াৰ উপৰিও মই আৰু এটা কথা কব বিচাৰিছো যে অসমৰ ভৈয়ামৰ ৮খন জিলাত ৰাজহ চক্ৰ আছিল ৭৪ টা। ১৯৭৭-৭৮ চনত আৰু ১০ টা নতুন চক্ৰ খোলা হ'ল। এতিয়া মুঠ চক্ৰৰ সংখ্যা হ'ল ৮৪ টা। এই ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত সৰ্ব্বসাধাৰণ ৰাইজৰ সুবিধাৰ্থে আৰু কিছু ৰাজহ চক্ৰ খোলাৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় সদস্য শ্ৰীশূল বৰা আৰু আফাজুদ্দিন আহমদ ডাঙৰীয়াই

লাট বৃদ্ধিৰ কথা উল্লেখ কৰিছে।

লাটৰ সংখ্যা কম হোৱাৰ বাবে মণ্ডল কাননগো সকলে অতি বেছি ভাবে কাম কৰিব লগীয়া হয়। নিয়ম মতে এজন মণ্ডলৰ ভাগত ২,৫০০ ৰ পৰা ৩০০০ লৈকে দাগৰ কাম কৰিব লাগে। কামৰ হেঁচা বেছি হোৱাত জনসাধাৰণৰ যেনে ভাবে কাম কৰিব লাগিছিল তেনে ভাবে কাম কৰিব পৰা নাই। অহা বছৰৰ পৰা লাট বৃদ্ধিৰ ব্যৱস্থা লোৱা হৈছে। এই লাট বৃদ্ধি হলে মণ্ডল কাননগো সকলৰ কামৰ হেচা কমিব আৰু জনসাধাৰণেও খৰতকীয়া হিচাবে কাম আদয় কৰিব পাৰিব।

ৰাজহ বিভাগৰ খেলিমেলিৰ বিষয়ে চৰকাৰৰ দৃষ্টিগৈ আহিছে আৰু ৰাজহ বিভাগৰ নিম্ন স্তৰত বিশেষকৈ দূৰ্নীতি থকা কথাটো মই অস্বীকাৰ নকৰো।

(ভইচ : উচ্চ স্তৰতো আছে।)

মই বিশেষকৈ বুলি কৈছো। সকলো বিষয়াই দুৰ্নীতিপৰায়ণ নহয়। মণ্ডল কাননগুৰ বিষয়ে দুৰ্নীতিৰ অভিযোগ শুনা যায় আৰু তেনে অভিযোগ যি পোৱা গৈছে তেনে ক্ষেত্ৰত খৰতকীয়া ব্যৱস্থা লোৱা হৈছে। এটা কথা সিদিনা মাননীয় সদস্য শ্ৰীআফাজুদ্দিন আহমেদ ডাঙৰীয়াই আৰু আন ভালে কেইজন মাননীয় সদস্যাই আলোচনা প্ৰসঙ্গত কৈছিল যে একোজন মণ্ডলেই একেটা লাটিতে কাম কৰি আছে আৰু উপায়ুক্তই যদি বদলি কৰে তেনেহলে চৰকাৰৰ ওচৰত আহি আকৌ বদলি বাতিল কৰা ঘটনা সচৰাচৰ ঘটে। কিন্তু এইটো ঠিক যে উপায়ুক্তই যি সকল মণ্ডলক বদলি হুকুম দিয়ে তেনে ক্ষেত্ৰত চৰকাৰে কোনো হস্তক্ষেপ কৰা নাই। এই ব্যৱস্থা আগতে আছিল আৰু হৈছিল যদিও এইটো কথা ঠিক যে যোৱা এবছৰত কোনো ক্ষেত্ৰত তেনে বদলিৰ হুকুম বাতিল কৰাৰ নিৰ্দেশ চৰ-

কাৰৰ পৰা দিয়া নাই।

( ভইচ : মন্ত্ৰীয়ে নজনাকৈ পৃথিবীত বহুত কামেই হৈ থাকে। )

আমাৰ ইয়াত দিশপুৰত যেতিয়া সিদিনাখন উপায়ুক্ত আৰু মহকুমাধিপতি সকলৰ বৈঠক বহিছিল তেতিয়া ৰাজহ বিভাগৰ আলোচনা প্ৰসঙ্গত কেনেকৈ এই বিভাগটোৰ কাম কাজ উন্নত কৰিব পাৰি সেই বিষয়ে আলোচনা কৰা হৈছিল আৰু দূৰ্নীতি কি ধৰণে আঁতৰ কৰিব পাৰি সেই বিষয়ে বিষয়া সকলক অনুৰোধ কৰিছো। তাৰোপৰি সদৌ অসম মণ্ডল কাননগু সন্মিলনলৈ মোক আমন্ত্ৰণ জনাইছিল আৰু আগতে কোনো মন্ত্ৰী যোৱা নাছিল যদিও মই গৈছিলো আৰু তেওঁলোকক দুৰ্নীতি আঁতৰ কৰিবলৈ অনুৰোধ জনাইছিলো।

( ভইচ : চাউলক সুধি চক্ৰ বহায় )

অলপতে কৰিমগঞ্জ নগৰত বহা সদৌ অসম মণ্ডল কাননগুসকলৰ বৈঠকতো উপস্থিত থাকি দুৰ্নীতি কেনেকৈ আঁতৰাব পাৰি সেই বিষয়ে আলোচনা কৰিছিলো আৰু ভুল তথ্যপাতি যাতে দাখিল কৰা নহয় সেইটো চাবলৈ অনুৰোধ কৰিছিলো। তাত স্থানীয় বিধায়ক গৰাকীও উপস্থিত আছিল। অলপতে বন্দবস্তি প্ৰাধিকাৰীৰ বৈঠক বহিছিল তাতো উপস্থিত থাকি দুৰ্নীতি কেনেকৈ আঁতৰাব পাৰি সেই বিষয়ে তেওঁলোকৰ পৰা পৰামৰ্শ লোৱাৰ উপৰিও সেইমতে কাম কৰিবলৈ নিৰ্দেশ দিছো। মই আশা কৰিলো দুৰ্নীতি লাহে লাহে আঁতৰ হব আৰু নিকা হৈ পৰিব।

উপাধ্যক্ষ মহোদয়, কেবাজনো মাননীয় সদস্যাই অগ্নিকাণ্ডৰ পিচত দিয়া চৰকাৰী সাহায্যৰ পৰিমাণ কম হোৱা বুলি উল্লেখ কৰিছে। এই কথাটো আমিও উপলব্ধি কৰিছো গৰু ঋণ তিনিশ টকা কম হয় ইতি-

মধ্যে এইটো বৃদ্ধি কৰি পাচশ টকা কৰা হৈছে। কিন্তু এইটোও যথেষ্ট নহব বুলি চিন্তা কৰিছো আৰু সাৰে সাতশ মান কৰা হলে ভাল হয়।

শ্ৰীনিশীথ ৰঞ্জন দাস :— পাচশ টকাই কয়টা গৰু পায়?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— সেই কাৰণেই বিবেচনা কৰা হৈছে। উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে উত্থাপন কৰা প্ৰায় আটাইবিলাক কথাৰেই সবিশেষ জনোৱাৰ পিচত মাননীয় সদস্য সকলে তেখেত সকলৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই এই দাবী মঞ্জুৰী কৰিব বুলি আশা কৰিলো।

* শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী :— উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। অসমৰ জিলা কোন কোন খনত চেটেলমেণ্ট অপাৰেশ্যন হব নহব সেই বিষয়ে কোনো উল্লেখ কৰা নাই। সেইটো দৰকাৰ হৈছে কিয়নো বায়ণী স্বত্ব চলি থকা ঠাই বিলাকত পথাৰত চাৰ্জে নকৰাকৈ এইটো কাম সম্ভৱপৰ নহব। গতিকে এই সম্পৰ্কত গোৱালপাৰা জিলাত কিবা নিৰ্দ্দেশ দিয়া হৈছে নেকি জানিব বিচাৰিছো।

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— মই এইটো উল্লেখ কৰি অহিছো যে গোৱালপাৰা আৰু কৰিমগঞ্জ মহকুমাত তেনে ভাবে দাখিল কৰিবলৈ দিয়া হৈছে। বিষয়া সকলক পথাৰলৈ গৈ চাৰ্জে কৰি সেই মতে তথ্য পাতি দাখিল কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

* চামচুল হুদা :— উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিছাৰিছো। এই ৰাজহ বিভাগটো মণ্ডল কাননগুৰ হাতত বন্দী হৈ আছে। ইয়াক উদ্ধাৰৰ কাৰণে কোনো চেষ্টা কৰি সেই মতে ব্যৱস্থা লোৱাৰ কথা উল্লেখ কৰা নাই। মন্ত্ৰী সভা হৈছে অস্থায়ী আৰু মণ্ডল কাননগু সকল

* Speech not corrected

হৈছে স্থায়ী গতিকে মণ্ডল কাননগুৰ হাতৰ পৰা ৰাজহ বিভাগ উদ্ধাৰ কৰাৰ ব্যৱস্থা নকৰিলে ভূমিসংস্কাৰ নহয়। দ্বিতীয় কথা মন্ত্ৰী মহোদয়ে যোৱা নবেম্বৰ মাহত যিটো প্ৰেছ বিজ্ঞপ্তি দিছিল সেইটো এতিয়াও অক্সি-জেন দি ৰাখিছে বুলি শুনিছো। সেইটো ভূমি নীতি সম্পৰ্কে কি হ'ল? তিনি নম্বৰ কথা হৈছে চাতিয়ানা অমৰাগুৰি ট্ৰাইবেল ব্লকৰ পৰা উচ্ছেদৰ কথা। সেইটো ওঠৰশ আঠাৰন্ন চনতে গঠন কৰা হৈছিল। তাত উনৈশ শ উনচল্লিশ বা সাতচল্লিশ চনতেই মানুহ বহিছিল। কিন্তু তেনে মানুহকো উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত এটা স্পষ্টীকৰণ বিচাৰিছো যে ট্ৰাইবেল বেল্ট বা ব্লক গঠন হোৱাৰ আগতে যি সকলে বহি আছিল সেই সকলৰ ক্ষেত্ৰত এটা নীতি লোৱা উচিত। মোৱামাৰা ভি-জি-আৰ খোলা হোৱা নাই বুলি কৈছে কিন্তু তাতে আমি সৰুৰে পৰা ডাঙৰ হৈ আহিছো। উনৈশ শ সাতষষ্টি চনত তাৰ পৰা বিধায়ক হিচাবেও আছি-ছিলো আৰু উনৈশ শ আঠষষ্টি চনত লেণ্ড এডভাইচাৰি বোৰ্ডত প্ৰস্তাৱ লৈ পট্টন দিব লাগে বুলি স্থিৰ কৰা হৈছিল। এতিয়া সেই বিলাক মানু-হক কেনেকৈ উচ্ছেদ কৰিব পৰা হয়? শেষ কথা হৈছে সকলো কথাতে লেণ্ড ৰিফৰ্ম কমিটিৰ দোহাই দিছে কিন্তু চৰকাৰৰ ফালৰ পৰা কিবা টাৰ্মচ এণ্ড কণ্ডিশ্যন দিয়া হৈছে নে নাই নে কমিশ্যনে যিটো কাম দিয়ে সেই-মতে কৰে? এই কেইটা স্পষ্টীকৰণ বিচাৰিছো।

* শ্ৰীলক্ষেশ্বৰ গোঁহাই :— উপাধ্যক্ষ মহোদয়, মই মাজে মাজে উল্লেখ কৰিছোৱেই এই বিভাগে যাতে দক্ষতাৰে কাম কৰিব পাৰে আৰু দুৰ্নীতি দূৰ কৰিব পাৰে তাৰ কাৰণে চেষ্টাও কৰা হৈছে। আমি সকলোৰে সহযোগ বিচাৰিছো। ফিল্ডত মন্দল কাননগো আৰু অফিচত কেৰানি ৰাজহ বিভাগৰ বিষয়া সকল যাতে দুৰ্নীতিয়ে আশ্ৰয় লব নোৱাৰে এই

* Speech not corrected

সদনতে মই কৈইবাদিনো কৈছো। দ্বিতীয় কথা হৈছে নবেম্বৰ মাহত উচ্ছেদ কৰাৰ কথা। ১৯৭২ চনত পট্টন আৰু পট্টা দিয়া বন্ধ কৰি দিয়া হৈছে। যি সকলে আমণ্টন পট্টা পাইছিল যাতে তাৰ দ্বাৰা তেওঁলোকে বন্ধক দিয়া, কৰ্ট কাছাৰীত জামিন দিয়া ইত্যাদি সুবিধা আছিলে। সেইটো লক্ষীমপুৰ ধেমাজি ইত্যাদিত বহু মানুহৰ সুবিধা হৈছে সেইকাৰণে তেনেবিলাক ক্ষেত্ৰত পট্টা দিয়া ব্যৱস্থা লোৱা হৈছে। তৃতীয়তঃ ট্ৰাইবেল বেল্টৰ কথা কৈছে। এই ট্ৰাইবেল বেল্ট গঠন হোৱাৰ আগতে যি সকল মানুহে তাত বসবাস কৰি আছিল সেই সকল তাত থাকিব। মহা-মাৰী অঞ্চলত চৰকাৰে মুক্ত কৰা নাই।

* শ্ৰীবানেশ্বৰ শইকীয়াঃ— মাননীয় উপাধ্যক্ষ মহোদয়, এটা কথা কৈছে যে গ্ৰেজিং ৰিজাৰ্ভত কিছুমান মানুহে তাত দখল কৰি আছিল। সেইবিলাক উচ্ছেদ কৰা হৈছে। এই সম্পৰ্কত মই চৰকাৰে এটা নীতি ঘোষণা কৰিছে। ১৯৬৭ চনৰ পৰা ১৯৭২ চনলৈকে যি সকলে দখল কৰি আছে বা চৰকাৰী মাটি দখল কৰি আছে চৰকাৰে সেইসকলক মাটি পট্টন দিব। আৰু তেওঁলোকৰ বহুতে তৌহিবাজী খাজনা দি আছে। ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈকে এজন মানুহে এজন মানুহৰ মাটিত ঘৰ-দুৱাৰ আছিল। পান তামোলৰ বাৰী আছিল, ১০।১২ বছৰ ধৰি তাতে আছে কিন্তু তাকো উচ্ছেদ কৰিবলৈ মন্ত্ৰী ডাঙৰীয়াই হুকুম দিয়া কথাটো জানেনে? মৰিগাওঁত এনেধৰণৰ ঘটনা হৈছে। তেনে কাৰ্য্য চৰকাৰে চলাই থাকিবনে? আন এখন ঠাইত এখন গাৱঁত এজন মানুহে ৪ কঠা মাটি ২০ বছৰ ধৰি দখল কৰি আছিল। তাত তেওঁ লেচু বাগান কৰিছিল আৰু অন্যান্য গছ গছনিৰ বাগান বনাইছিল। যোৱা ফেব্ৰুৱাৰী মাহত মৰিগাওঁ মহকুমাৰ লাহৰি ঘাটৰ এচ, ডি, অ. য়ে সমস্ত গছ-গছনি কাটি

* Speech not corrected

নিশেষ কৰি পেলাইছে। ১ বিঘা মাটি আছিল, এল, পি স্কুল এখন আছিল তাত ক্ষতিপূৰণ দিয়াৰ কাৰণে ব্যৱস্থা নহ'ল। সেই সম্পৰ্কে মহকুমাধিপতিয়ে কোনো ব্যৱস্থা নললে। কেইবাবাৰো তেওঁৰ ওচৰলৈ অহা হৈছিল। মই জানিব বিচাৰিছো যে এনেধৰণৰ ঘটনা নিৰ্মূল কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে? যদি কৰে তেতিয়াহলে আমি বুজিব পাৰিম যে ১৯৭২ চনত যি ভূমিনীতি আন্তৰিকতাৰে সৈতে অনুকৰণ কৰিবলৈ কাৰ্য্যকৰী কৰিবলৈ বিচাৰিছে। আৰু যদি নোৱাৰে তেতিয়াহলে মানুহ বিলাকক আভোৱা ভাবি কৰিবৰ কাৰণে এই নীতি ঘোষণা কৰা হৈছে। সেই সময়ত যাৰ পইচা থাকে বা য'তে পইচাৰ সুবিধা হয় তাতেই সুবিধা অনুযায়ী নিজৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে চৰকাৰী নীতিও আঘাট কৰি কাম বিলাক কৰে। চৰকাৰে এইবিলাক সমৰ্থন কৰিব নেকি? আৰু জনতা চৰকাৰেও সমৰ্থন কৰিব নেকি?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— সেইটো ভূমি নীতিত ঘোষণা কৰা হৈছিল। সেইমতে ধাৰাবাহিক ভাবে খাজনা দিব লাগিব।

শ্ৰীবানেশ্বৰ শইকীয়া :— খাজনা দিয়া আছে।

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— যদি খাজনা দিয়া আছে সেইটো আমি চাম। আমি আশা ৰাখিছো তেনেধৰণৰ উচ্ছেদৰ ব্যৱস্থা কৰা হব।

শ্ৰীনিশিথ ৰঞ্জন দাস :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ৰামেন্দ্ৰ দে গতকাল আলোচনা প্ৰসঙ্গে কৰিমগঞ্জের সম্বন্ধে যে কথা বলেছিলেন সে সম্পৰ্কে আমি মন্ত্ৰী মহোদয়ের দৃষ্টি আকৰ্ষন করছি।

প্ৰথমতঃ কৰিমগঞ্জ মহকুমায় ভূমির পরিমাণ হওয়াৰ পর দেখা যায় যে প্ৰায় ১৬ লাখ টাকার বকেয়া খাজনা পড়ে আছে। এই সম্পৰ্কে

* Speech not corrected

মন্ত্রী মহোদয় কি বলবেন ?

দ্বিতীয়তঃ জমিদারী প্রথা তুলে দেওয়া হলেও আমরা দেখেছি যে করিমগঞ্জ মহকুমায় বিভিন্ন জমিদার এখনো খাজনা আদায় করছে। আর তার বিরুদ্ধে প্রজারা মামলা করেছিল। জজকোর্টে মামলা প্রজাদের পক্ষে গিয়েছিল কিন্তু বিত্তশালী এই সব জমিদার গোষ্ঠী না কি এইসব দরিদ্র প্রজাদের বিরুদ্ধে হাই কোর্টের আশ্রয় নিয়েছে। সুতরাং এদের হাত থেকে এই গরীব প্রজাদেরে রক্ষা করার কি ব্যবস্থা সরকার গ্রহন করেছেন।

তৃতীয়তঃ জনতা সরকার ১০ বিঘার খাজনা রেহাই দিয়েছেন। এমতাবস্থায় গরীব কৃষকদের নিকট থেকে বকেয়া খাজনা আদায় করার জন্য তাদের গরু আটক করা হচ্ছে। এই বকেয়া খাজনা মাপ করবেন কি ?

* শ্রীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, এই যে ১৪ বছৰ ধৰি খাজনা পৰি আছে আমি ৰেহাই দিয়াৰ বাবে উঠাই দিম বুলি সিদ্ধান্ত কৰা নাই। আজি যিটো জমিদাৰৰ ৰায়তৰ পৰা খাজনা লৈছে সেই বিষয়ে কিবা অনিয়ম হলে সেই বিষয়ে ব্যৱস্থা লম। এই ক্ষেত্ৰত হাইকোৰ্ট কেচ চলি আছে। গতিকে এই বিষয়ে হস্তক্ষেপ কৰাৰ উচিত নহব বুলি ভাবো। ১০ বিঘালৈ খাজনা ১৩৮৫ চনৰ পৰা প্ৰযোজ্য কৰা হৈছে। গতিকে তাৰ পিছত এইটো ৰেহাই দিয়াৰ কথা প্ৰশ্ন নুঠে।

শ্ৰীনজমুল হ'ক :— যিবিলাক চ'ৰ এলেকা আৰু যিবিলাক ৰিজাৰ্ভ আছে, সেই বিলাকত ভূমিহীন মানুহক পট্টা দিয়াৰ কথা কৈছিল সেই বিষয়ে মইয়ো আগতে কৈছিলো, এতিয়া ইয়াৰ কিবা ব্যৱস্থা লোৱা হবনে ?

* Speech not corrected

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— ইতিমধ্যে মই উল্লেখ কৰিছোৱেই যে আমি ভূমিহীন গড়াখহনীয়াক অগ্ৰাধিকাৰ দিম বুলি কৈছিলো।

* শ্ৰীকালিৰাম ডেকাৰজা :— তাৰাবাৰী গ্ৰেজিঙত কেইজনমান এক্স চাৰ্ভিচ্‌মেন অৰ্থাৎ সৈনিকক মাটি দিয়া হৈছে। কিন্তু আমি জনাত তেওঁলোকে এতিয়াও মাটিৰ চাৰিসীমা দেখা নাই। কাগজ পত্ৰ পকেটতে সোমাই আছে। মিকিৰ ভেটাত ৪ ঘৰ অনুসুচিত পৰিয়ালক মাটি দিয়া হৈছে। আৰু ট্ৰাইবেল মানুহ ৮ ঘৰক মাটি দিয়া হৈছে। কোৱা হৈছে যে তেওঁলোকক ১৯৭৯ চনত ৩১ জানুৱাৰী তাৰিখে আবণ্টন দিব। কিন্তু ৩১ জানুৱাৰী শেষ হৈ গ'ল। এতিয়া ইয়াৰ পিছত কি কথা থাকিব পাৰে। ট্ৰাইবেল বেণ্ট ৰক্ষনা-বেক্ষনা ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। ৰহা সমষ্টিত চহৰী ট্ৰাইবেল বেণ্ট আছে। তাত বাহিৰা মানুহক মাটি বিক্ৰি কৰি আছে। তাত সৰিয়হ তলিৰ ৰিজাৰ্ভ আছে। তাত কেইজনমান মানুহৰ কাৰণে চিত কৰিছে। যিসকলে ৫-৬ শ টকা দিছে তেওঁলোকে এই চিত পাইছে। আৰু ইয়াৰ লগতে যিসকলে দিশপুৰলৈ অহা যোৱা কৰিব লগা হৈছে তেওঁলোকৰ যোগাযোগ কৰাৰ কাৰণে এই টকাটো দিব লগীয়া হৈছে। তৃতীয়টো হল চেট্‌লমেণ্টৰ কথা। মন্ত্ৰী ডাঙৰীয়াই কৈছে এই চেটলমেণ্ট বিলাক হোৱাত দুৰ্নীতি আঁতৰ কৰিব। কিন্তু এই তেওঁলোকক যদি ভালকৈ বৰঙনি দিব নোৱাৰি তেতিয়াহলে চেটলমেণ্ট পোৱা নাযায়। উত্তৰ খোলা মৌজাত ঠেকেৰা, মৰাকল অঞ্চলত অনুসুচিত জনজাতি আছে সেই মাটি খিনি ব্লক হৈ গ'ল, সেইখিনি চৰকাৰীকৰণ হোৱাৰ কাৰণে কিবা ভাৱিছে নেকি?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, যি চাৰিজন মানুহক মাটি দিয়া হৈছে সেই মানুহকেইজনক মাটিখিনি ক'ত দিছে চমজাই

* Speech not corrected

নিদিয়া বুলি যিটো প্ৰশ্ন কৰা হৈছে, সেই সম্বন্ধে অনুসন্ধান চলাম। আৰু যি কেইজনক মাটি দিয়া হৈছে, তেওঁলোকক অস্থায়ী ভাবে খেতি কৰিব-লৈহে দিয়া হৈছে কিন্তু অন্য চাৰিজনক নহয়। ট্ৰাইবেল বেল্টৰ সম্পৰ্কে ইতিমধ্যে আমি কঠোৰ নিৰ্দ্দেশ দিছো, যাতে ইয়াৰ ৰক্ষনাবেক্ষন দিয়া হয়।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, মই ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছোঁ যে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই এই কথা কৈছে যে যিবোৰ মাটি বিভিন্ন বিভাগে কাম কৰি আছে সেই-বোৰ ৰাজহ বিভাগে অধিগ্ৰহণ কৰি সেই মাটিবোৰৰ ক্ষতিপূৰণৰ দায়িত্ব পালন কৰোতে বহু পলম হয়। তেখেতে কিছুমান কেচ ১৯৫৫ চনৰ পৰা পৰি আছে বুলি কৈছে। কিন্তু আচলতে বহুতো কেচ আছে, যিবোৰ ১৯৫২ চনৰ পৰা এতিয়ালৈকে পৰি আছে, ইয়াৰ বাবে কোনো ক্ষতিপূৰণ পোৱা নাই। সেয়েহে এই সংক্ৰান্তত চৰকাৰে বহুবাৰ আশ্বাস দিছে, ছমা-হৰ ভিতৰতে সকলো কেচ নিস্পত্তি কৰি দিম। কেতিয়াবা কয় এবছৰৰ ভিতৰত দিম। মই আজিলৈকে কোনো কেচ নিস্পত্তি হোৱা নেদেখিলোঁ। ৰাজহ মন্ত্ৰীয়ে ষ্টেটত লেভেলত আৰু চাব ডিভিজন লেভেলত কিছুমান কমিটি কৰিছে, এই কমিটি বিলাকে যে এই কেচ বিলাক সোনকালে নিস্পত্তি কৰিব পাৰিব তাক আশা কৰাটো টান। মই সেয়েহে ৰাজহ মন্ত্ৰীৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো, যাতে ৰাজহ বিভাগৰ পৰা যিখিনি কাম কৰিব লগীয়া আছে, সেইখিনি সময়মতে কৰি দি এই পুৰণি কেচবোৰ ১৯৫২-১৯৫৫ চনৰ পৰা আজিলৈকে যিবোৰ অধিগ্ৰহণৰ কেচ পৰি আছে, তাক নিস্পত্তি কৰিবৰ কাৰণে ছমাহৰ ভিতৰতেই হওক বা এবছৰৰ ভিতৰতেই হওক, চৰকাৰে সময় নিৰ্দ্দিষ্ট কৰি দিবনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰা-কীয়ে যি কথা কৈছে তাৰ উত্তৰত মই কওঁ যে, আমাৰ কমিটিখন গঠন কৰা বেছিদিন হোৱা নাই, তথাপি কিদৰে নিস্পত্তি কৰিব পৰা যায়,

আমাৰ লক্ষ্যলৈ আহিছে যেতিয়া আমি বিবেচনা কৰি চাম।

শ্ৰীনৰেন্দ্ৰ দত্ত :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই ভূমি সংস্কাৰ আইন বলৱত হোৱাৰ পিছত এই আইন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিমান অগ্ৰগতি হৈছে তেখেতে সেই সম্পৰ্কে একো নকলে। দ্বিতীয়তে, গৰীব উপান্ত খেতিয়ক সকলে, চিলিঙৰ মাটিত আগতে যি খাজনা মৌজাদাৰক দিছিল, সেই খাজনাৰ টকা বাঢ়ি পৰি আছে, তাৰ কাৰণে কি ব্যৱস্থা চৰকাৰে হাতত লৈছে আমি নেজানিলোঁ আৰু তৃতীয় কথা হৈছে চিলিং আইন অনুসৰি যি সকলে নিজৰ ঘৰতে পৰিয়ালৰ সকলোৰে নামে ভগাই ললে। যদি এনে ধৰণে সকলো মাটি ঘৰৰ ভিতৰতে সোমাই থাকে, তেন্তে চিলিং আইন কাৰ্য্যকৰী কৰা টান কথা হ'ব। গতিকে চৰকাৰে ইয়াৰ কিবা সুব্যৱস্থা কৰিবনে ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, ভূমি সংস্কাৰ আয়োগক এই সম্পৰ্কে কিছুমান নিৰ্দ্দেশ দিয়া হৈছে। তেখেত সকলে ইতিমধ্যে কিছুমান প্ৰশ্নাৱলী তৈয়াৰ কৰি বাতৰি কাকতৰ যোগেদি বিভিন্ন অঞ্চলৰ লোকক জনোৱা হৈছে আৰু আমি আশা কৰিছো, তেখেত সকলে অতি সোনকালে এটা সিদ্ধান্তলৈ আহি চৰকাৰলৈ পৰামৰ্শ আগবঢ়াব আৰু খাজনাৰ সম্পৰ্কেও সিদ্ধান্তলৈ চৰকাৰে বিবেচনা কৰি চাব। তৃতীয় কথা হ'ল চিলিং আইনৰ অনুসৰি যি সকললোকে নিজৰ পৰিয়ালৰ মাজত মাটি ভগাই লোৱাৰ ক্ষেত্ৰত দৃষ্টি গোচৰ হৈছে যেতিয়া আমি নিজে চাই মেলি ইয়াৰ প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছোঁ, যেনেকৈ চাহ বাগিচাৰ মাটিৰ ক্ষেত্ৰত আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা হৈছে।

Shri Benoy Kumar Basumatari :— Mr. Deputy

* Speech not corrected

Speaker, Sir, under the Ceiling cases the Tribal people have suffered because their land records were not correct. Will the Minister consider reviewing the land ceiling cases of the Tribals? No. 2 is, I have referred to an Assembly Committee Report which was submitted to the House in 1977. I believe it is the procedure of the House and the Government that all recommendations of such Committee are to be emplemented by the Government within 3 or 6 months. It is a report submitted 2 years back. Will the Government confirm that recommendations for clearance of the Tribal Belts and Blocks will be made by taking up a time bound programme within 3 or 6 months? If it is not done we have the right to bring in a privilege motion.

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, ইয়াত জনজাতীয় মানুহৰ যদি চিলিং কেচৰ আপত্তি আছে আমি বিবেচনা কৰি চাম। আৰু ট্ৰাইবেল বেল্টৰ সম্পৰ্কে চৰকাৰে নিশ্চয় পৰীক্ষা নিৰীক্ষা কৰি ব্যৱস্থা হাতত লব।

* শ্ৰীজীৱন বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে ১৯৫৫ চনৰ পৰা সালনি বিমান কোঠৰ ওচৰত যিবোৰ মানুহে বসবাস কৰি আছিল আৰু চৰকাৰে তেওঁলোকক অন্য ঠাইত মাটি দিম বুলি তাৰ পৰা উচ্ছেদ কৰিছিল তেওঁলোকক আজিলৈকে মাটি দিয়া নহ'ল। গতিকে বৰ্ত্তমান চৰকাৰে তেওঁলোকক মাটি ঘুৰাই

* Speech not corrected

দিয়াৰ আশ্বাস দিবনে আৰু দ্বিতীয়তে মিছামাৰীৰ কেন্টন মেন্টৰ ভিতৰত যিখিনি বেছি মাটি সোমাই আছে আৰু তেজপুৰৰ ইণ্টাৰ্ন ওৱেজৰ ভিতৰত যিবোৰ মাটি সোমাই আছে, সেইবোৰ মাটি উদ্ধাৰ কৰি দিয়াৰ কাৰণে চৰকাৰে যাতে ব্যৱস্থা হাতত লয়, তাৰ কাৰণে আশ্বাস মন্ত্ৰী মহোদয়ে দিবনে ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কওঁ যে এই বিষয়ে মই আগতেই উল্লেখ কৰিছোঁ আৰু মিছামাৰী কেন্টনমেন্টৰ সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছোঁ, অতি সোনকালেই আৱশ্যকীয় ব্যৱস্থা হাতত লোৱা হ'ব ।

শ্ৰীচিৰাজুল হক :— মাননীয় উপাধ্যক্ষ মহোদয়, ফিচাৰী বিলাকৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই যেন লাগে। কাৰণ তাত এটা জমিদাৰী প্ৰথা চলি আছে যাৰ কাৰণে মৰামৰি পৰ্য্যন্ত হৈ থাকে। গতিকে ইয়াৰ কিবা সুব্যৱস্থা লোৱাৰ দিহা কৰিছে নে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই :— এইটোৰ উত্তৰ দিয়া হৈছে।

ম: ইব্ৰাহীম আলি :— উপাধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চলত ২০ বছৰ ধৰি বহুতো লোক বসবাস কৰি আছে। সেই সকল লোকক মাটি পট্টন দিয়া হ'ব নে ? দ্বিতীয়তে ১২শ পৰিয়ালৰ ভিতৰত ৫শ পৰিয়ালক পুনৰ সংস্থাপন দিছে কিন্তু বাকী ৭শ পৰিয়ালৰ দশা কি হ'ব মন্ত্ৰী মহোদয়ে জনাবনে আৰু ব্যৱস্থা লবনে ?

* শ্ৰীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, ইতিমধ্যে মহকুমা ভিত্তিত ভূমি বিতৰণ প্ৰস্তাৱ এটা লোৱা হৈছে। চৰকাৰে প্ৰস্তাৱ বিবেচনা

* Speech not corrected

কৰি চাব বুলি কৈছে। দ্বিতীয়তে গোবিন্দ পূৰত ৫৫০টা পৰিয়ালক চৰকাৰে উচ্ছেদ কৰিছিল, তাৰে ৫০০শ পৰিয়ালক পুনৰ সংস্থাপন কৰা হৈছে বাকী ৭১টা পৰিয়ালক মাটি দিয়াৰ বাবে বিবেচনা কৰা হৈছে।

শ্ৰীহেমেন দাস ঃ— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে এই শেহতীয়া চিলিং আইন হোৱাৰ পাচত চিলিং আইনৰ বহিভূ্ৰ্ত মাটি কৃষকৰ হাতলৈ আচলতে কিমান পৰিমানৰ মাটি গৈছে ? মই জনাত এনেকুৱা এটা পৰিয়াল আছে যাৰ গিৰিয়েক, ঘৈনীয়েক আৰু লৰাছোৱালী প্ৰত্যেকৰে নামত ৫০ বিঘাকৈ মাটি আছে। চৰ অঞ্চলত এই আইন আজিও কাৰ্য্যকৰী হোৱা নাই, আৰু এই অঞ্চলত চিলিং আইনৰ যোগেদি মাটি যোৱাই নাই। আৰু এনেকুৱা উদাহৰণো আছে যে তাত ৩ জন মানুহেই ৬ জন হৈছে। তেওঁলোকৰ দুটা নাম। ভোটাৰ লিষ্টতো দুটা নাম, মণ্ডলৰ বহীতো দুটা নাম অথচ আচলতে মানুহ তিনিজনহে। এই মানুহ তিনিজনৰ ৩০০ বিঘা মাটি আছে গতিকে তেওঁলোকৰ প্ৰাপ্য মাটি পৰিয়ালৰ নামত ৰাখি বাকী মাটিখিনি ৰাইজৰ মাজত ভগাই দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ঃ— এই সম্পৰ্কে তদন্ত কৰি চাম আৰু ব্যৱস্থা আদি লম।

শ্ৰীবীৰেশ মিশ্ৰ ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আমাদের মাননীয় মন্ত্ৰী মহোদয় একটা কথা পরিস্কার করেন নি, সরকারী পরিসংখ্যান মতে যখন প্রায় ১৬ লক্ষ প্রজা আধিয়ার রয়েছে, রেকর্ডস্ অফ রাইট এ গত বৎসর ছিল ৩ লক্ষ ১০ হাজার যখন প্রায় ১৩ লক্ষ রেকর্ডস অফ রাইট এর আওতার বাহিরে ছিল এবং সরকার আমাদের এসিয়রেনস্ দিয়েছিলেন, এই হতভাগ্য প্রজাদের রেকর্ডস্ অফ রাইট এর আওতায় আসবে কি না ?

আর একটি কথা, শিলচর চহরে আসাম রাইফেলস যে জায়গাটি দখল করে আছে, তাহাদের উচ্ছেদ করে জনসাধারণের রাস্তা-ঘাট নির্মাণের সুযোগ দেবেন। আমি মনে করি মন্ত্রী মহোদয় ইহাঁর একটা সুরাহা করবেন।

শ্ৰীলক্ষেশ্বৰ গোহাঁই :— এতিয়া গোটেইখিনি ৰায়তীস্বত্বৰ নথি পত্ৰ দিবলৈ বাকী আছে। মই আগতেই উল্লেখ কৰিছো যে গোৱালপাৰা আৰু কৰিমগঞ্জৰ নথি পত্ৰ কৰিবলৈ এতিয়াও বাকী আছে। মই আশা কৰো মাটি আৰু বাঢ়িব। দ্বিতীয়তে আসাম ৰাইফলচৰ যিটো মাটি পোৱাৰ কথা উল্লেখ কৰিছে এইটো আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো।

শ্ৰীযোগেন গগৈ :— মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো স্পষ্টীকৰণ বিচাৰিছো যে আমাৰ ফালে যিটো পানীদিহিং নামৰ মৌজা আছে তাত কিছুমান মানুহে গৰাখহনীয়া বা পানীয়ে ক্ষতিগ্ৰস্ত কৰা বুলি আহি বসবাস কৰি আছে। আমি ১৫-২০ বছৰো বেছি হল এই মানুহ খিনিক নতুনকৈ সংস্থাপন কৰা নাই। তেওঁলোকৰ জীৱনৰ নাজল নাথল অৱস্থা হৈছে। এই মানুহ খিনিক সংস্থাপনৰ কাৰণে মাটি বা পট্টা দিয়াৰ ব্যৱস্থা কৰি আছো।

Mr. Deputy Speaker :— A lot of clarifications have been sought and obtained. Now let us proceeed to the next stage. Do the Members wish to withdraw the Cut motions ?

শ্ৰীচামচুল হুদা :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অৱশ্যে এই বিভাগটো ভাল কৰিবলৈ প্ৰানটাকি যুজিছে আৰু এই যুঞ্জ কৰিবলৈ যাওঁতে তেখেত অত পৰিছে তত পৰিছে। প্ৰতিশ্ৰুতিৰ ভিত্তিত প্ৰাণ-

টাকি যুক্ত কৰি থকাৰ কাৰণেই মই আমাৰ ফালৰ পৰা দিয়া কৰ্ত্তন প্ৰেছ নকৰাৰ সিদ্ধান্ত কৰিছোঁ।

Mr. Deputy Speaker :— As all the cut motions are not pressed, I now put the grant before the House "১৯৮০ চনৰ ১ মাৰ্চ্চত শেষ হব লগীয়া বছৰটোৰ কালচোৱাত "২৯৯-ভূমি ৰাজহ, ৩০৪ অন্যান্য অৰ্থনৈতিক ভূমি সীমিতকৰন" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰয়োজন ৫,৫৯,৩৬,৩০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওক। (The Grant is passed)

Grant No. 53. There are two cut motions.

শ্ৰীচামচুল হুদা :— উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে সাহায্যৰ টকাৰ নিৰিখ বঢ়াই দিয়াৰ কাৰণে এই প্ৰস্তাৱ আমি প্ৰেছ নকৰোঁ।

Mr. Deputy Speaker :— As the cut motions are not pressed, they are taken to be withdrawn. Now I put the question befor the House. "১৯৮০ চনৰ ৩১ মাৰ্চ্চত শেষ হব লগীয়া বছৰটোৰ কালছোৱাত ২৮৯ পৃষ্ঠক দুৰ্যোগৰ বাবে সাহায্য ৬৯৫ সামাজিক আৰু সামুহীক সেৱাৰ বাবে ঋণ (।)" শিতানৰ প্ৰসাশনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ৭,০৭,০০,০০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওক।

(The Grant is passed)

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— উপাধ্যক্ষ মহোদয়, গ্ৰাণ্ট নং ৬৯ আৰু ৭১ একেলগে মোভ কৰা হওক।

Mr. Deputy Speaker :– These may be discussed together.

Shri Jagannath Sinha :— Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1, 87, 23, 000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1980 for the administration of the year %320-Industries-A--General, 520 Capital outlay on Industrial Research and Development, 523—Capital outlay on Petroleum, Chemical and Fertilizer Industries, 526—Capital Outlay on Consumers Industries, 530 Investment in Industrial Financial Corporation, 720 Loans for Industrial Research and Development, 722—Loans for Machinery and Engineering Industries 723—Loans for Petroleum, Chemical and Fertilizer Industries, 725—Loans for Tele—communications and Electronic Industries, 726– Loans for Consumers Industries".

Mr. Deputy Speaker :— Cut No. 1 Shri Romendra De and Shri Birendra Nath Choudhury.

Shri Birendra Nath Choudhury :— Sir, I beg to move that the total provision of Rs. 1,87, 23, 000 under Grant No. 69, Major Head 320–Industries—A.—General,

520—Capital Outlay on Industrial Research and Development, 523—Capital Outlay on petroleum, Chemical and Fertilizer Industries, 526—Capital Outlay on Consumers Industries, 530—Investment in Industrial Financial Corporation, 720—Loans for Industrial Research and Development, 722—Loans for Machinery and Engineering Industries, 723—Loans for Petroleum, Chemical and Fertilizer Industries, 725—Loans for Tele—Communieation and Electric Industries, 726—Loans for Consumers Industries": at pages 1—40 of Vol II Part XIV of the Budget, be reduced to Re. 1. i. e. the amount of the whole grant of Rs. 1,87,23,000 do stand reduced to Re. 1.

Mr. Deputy Speaker :— Now, Cut—motion No. 2.

Shri Atul Chandra Goswami :— Sir, I beg to move that the total provision of Rs. 1, 87, 23, 00 , under Grant No. 69, Major Head "320—Industries—S - General—520—Capital Outlay on Industrial Research and Development, 523—Capital Outlay On Petroleum Chemical and Fartiliser Industrise, 526 Capital Outlay on Consumer Industries, 530—Investment in Industrial & Financial Corporation, 720—Loans for Industrial Research and Development, 722—Loans for Machinery and Engineering Industries, 723—Loans for Petroleum, Chemical and Fortiliser Industries, 725—Loans for Tele—Communication and Electro-

nic industrics,, 726—Loans for Consumer Industries", at pages 1—40 of Volume II, at XIV of the Budget, be reduced to Rs. 1. i e. the amount of the hole grant of Rs. 1, 87, 23, 000, do stand reduced to Rs 1.

Shri Dewan Jainal Abedin :— Sir, I beg to move that the total provision of Rs. 1, 87, 23, 000, under Grant No. 69, Major Head "320—Industries—Capital A General, 520—Capital Outlay on Industrial research and Development, 523—Capital Outlay on Petroleum, Chemical and Fertiliser Industries, 526—Capital Outlay on Consumer Industries, 530—Investiment industrial Financial Corporation, 720—Loans for Industrial Research and Development, 722—Loans for Machinery and Engineering Industries, 743—Loans for Petroleum, Chemical and Fertiliser Industries, 725, Loans for Telecommunication and Electronic Industry, 726, Loans for Consumer Industries," at pages 1—40 of Volume II, Part XIV of the budget, be reduced to Re. 1, i e., the amount of the whole grant of Rs. 1, 87, 23, 000, do stand reduced to Re. 1.

Shri Shamsul Huda :— Sir, I beg to move that total provision of Rs. 1, 87, 23, 000, under grant No. 69, Major Head" 320—Industries,—A—General, 520 Capital Outlay on Industrial Research and Development, 523—

Capital Outlay on Petroleum, Chemcial and Fertiliser Industries, 526—Capital Outlay on consumer Industries, 530—investiment in Industrial Financial Corporation, 720—Loans for Industrial research and development, 722—Loans for machinery aud Engineering Innustries, 723—Loans for Petroleum, Chemcial and Fertillser Industries, 725, Loans for Telecommunication and Electronic Industris, 726—Loans for Consumer Industries", at pages 1-140 of Volume II Part XIV of the Budget, be reduced by Rs 100, ie. e, the amount of the whole grant of Rs. 1, 87, 23, 000, do stand reduced by Rs. 100

Shri Mukut Sharma :— Sir, I beg to move that the total provision of Rs. 1, 87, 23, 000 under grant No. 69 Major head "320—Industries—A—General, 520—Capital Outlay on Industrial Research and Development, 523—Capital Outlay on Petroleum Chemical and Fertiliser Industries, 526—Capital Outlay on Consumer Industries, 530—Investment in Industrial and Financial Corporation, 720 Loans for Industrial Research and Deve., 722—Loans for Machinery and Engineering Industries, 723—Loans for Petroleum - Chemical and Fertiliser Industries, 725—Loans for Telecommunication and Electtronic Industries, 726—Loans for Consumer Industries", at pages 1—40 of volume II, XIV of the budget, be reduced by Rs. 100, i. e, the amount of the whole grant of Rs. 1, 87, 23, 000, do stand reduced by Rs. 100.

Mr. Deputy Speaker :— Now Grant No. 71.

Shri Jagannath Sinha :— Sir, on the recommencation of the Governor of Assam, I beg to move that a sum of Rs. 2, 87, 08, 400, be granted to Minister—in—charge to defray the charges which will come in course of payment during the year ending on 31st March, 1980, for the administration of the Head" 321—Village and Small Industries ( II ) Cottage Industries 521—Capital Outlay on Village and Small Industries ( II ) Industries Deptt. 721—Loans for Village and Small Industries ( II ) Industries Deptt.

Shri Shamsul Huda :— Sir, I beg to move that the total provision of Rs. 2,87, 08, 400, under grant No. 71, Major Head "321—Village and Small Industries—II—Cottage Industries—521—Capital Outlay on Village & Small Indusries ( II ) Industries Deptt., 721—Loans for Village and Small Industries ( II ) Industries Dept. "at pages 41—72 of volume II, part XIV of the Budget, be reduced to Rs. 1, i. e., the amount of the whole grant of Rs. 2, 87, 08, 400, do stand reduced to Re. 1.

Shri Atul Goswami :— Sir, I beg to move that the total provision of Rs. 2,87,03,400, under Grant No. 71, Major Head "321-Village & Small Industries-II-

Cottage Industries, 521-Capital Outlay on Village and Small Industries (II) Industries Deptt.," at pages 4 -72 of volume (II) Pt. XIV of the Budget. be reduced to Re. 1., ie. the amount of the whole grant of Rs. 2, 87,08,400 do stand reduced to Re. 1.

Shri Nazamul Haque :— Sir, I beg to move that the total provision of Rs. 2,87,08,400. under Grant No. 71. Major head "321-Village and Small Inddstries-II Cottage Industries. 521-Capital Outlay on Village and Small Industries (II) Industries Department, 721-Loans for Village and Small Industries (II) Industries Department," at pages 41-72 of Vollume II, Part XIV of the Budget, be reduced to Re. 1.00 i.e., the amount of the whole grant of Rs. 2,87,08,400, do stand reduced to Re. 1.00

Shri Mukut Sharma :— Sir, I beg to move that the total provision of Rs. 2, 87, 08, 400, under Grant No. 71 Major head "321—Village and Small Industries—II--collage Industries, 521—Capital Outlay on Village and Small Industries (II) Industries Deptt. 721--Loans for Village and small Industries (II) Industries Department," at pages 41—72 of Vollume II, Part XIV of the Budget, be reduced to Re. 1.00 i. e., the amount of the whole grant of Rs. 2, 87, 08, 400, do stand reduced to Re. 1. 00.

Shri Nishit Ranjan Das :— Sir, I beg to move that the total provision of Rs. 2, 87, 08, 400, under Grant No. 71, Major head "321 Village and Small Industries—II—Cottage Industries, 521—Capital Outlay on Village and Small Industries ( II ) Industries Depa rtment, 721—Loans for Village and small Industries ( II ) Industries Department," at pages 41—72 of Voilu-me—II, Part XIV of the Budget, be reduced by Rs. 100 i. e the amount of the whole grant of Rs. 2, 87, 08,400, do stand reduced by Rs. 100

Mr Dy. Speaker :—Now, Cut—motion No. 6—Shri Nepal Chandra Das, Shri A. N. Akram Hossain, Shri Joy Chandra Nagbanshi and Shri Satya Tati. All the Hon'ble Members absent. Cut Motion No. 6. is not moved-Now Shri Biren Choudhury.

Shri Birendra Choudury :—Mr. Deputy Spekar, Sir, I would request you kindly to allow Shri Sasakamal Handique to speak first on behalf of our party.

Mr. Deputy Speker :— Yes.

*শ্ৰীশশকমল সন্দিকৈ :— মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিধান সভাৰ প্ৰশ্নোত্তৰ কালত উদ্যোগৰ ক্ষেত্ৰত অসমত এটা নতুন নীতি গ্ৰহন কৰাৰ কথা কৈছিল কিন্তু অসমত এতিয়া নতুন নীতি গ্ৰহন কৰা হোৱা নাই। ১৯৩০ চনত কংগ্ৰেছ ক্ষমতাত থকা অৱস্থাতে এটা উদ্যোগ নীতি ঘোষণা কৰা হৈছিল। সেই সময়ত জাতীয় কংগ্ৰেছে চিন্তা কৰিছিল যে

* Speech not corrected

দেশৰ উন্নয়নৰ কাৰণে দেশৰ প্ৰগতিৰ অন্যান্য দিশৰ সকলো প্ৰগতিৰ কাৰণে নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে দেশত গধুৰ আৰু ক্ষুদ্ৰ শিল্প গঢ়ি তুলিবৰ কাৰণে এই উদ্যোগ গঢ়ি তোলাৰ অত্যন্ত দৰকাৰ হৈ পৰিছে। দেশখনৰ জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰাৰ কাৰণে দৰকাৰ হৈ পৰিছে। তাৰ পিচত দ্বিতীয় পৰিকল্পনাত ব্যাপক শিল্প উদ্যোগ গঢ়াৰ প্ৰচেষ্টা লোৱা হ'ল। দেশত গধুৰ শিল্প গঢ়ি তোলাৰ প্ৰয়োজনীয়তা বোধ কৰা হ'ল। তেতিয়া অসমৰ বাহিৰৰ ৰাজ্যবিলাক যেনেঃ মহাৰাষ্ট্ৰ, পশ্চিম বঙ্গ, মাদ্ৰাজ ইত্যাদি ৰাজ্যিক চৰকাৰ বিলাক নতুন নতুন গধুৰ তথা ক্ষুদ্ৰ উদ্যোগ গঢ়ি উঠাত যত্নপৰ হল। অসমত কেৱল চাহৰ ওপৰতেই শিল্প হোৱাৰ একমাত্ৰ থল আছিল। সেয়েহে বৃটিচ পুজিপতি সকলে অসমত পুজিপতিৰ ব্যৱস্থাৰে চাহ উদ্যেগৰ প্ৰতিস্থান গঢ়ি তুলিলে আৰু খাৰুৱা তেলৰ শিল্প গঢ়ি তুলিলে। ১৯৩৭ চনত বৃটিচ সাম্ৰাজ্যবাদী পুজিপতি সকলে পুজিবাদী মনোবৃত্তিৰে আমাৰ ইয়াৰ খাৰুৱা তেল বা চাহৰ উদ্যোগ গঢ়াৰ মন দিলে। তাৰ পিচত বৃটিচ সাম্ৰাজ্যবাদী হাতৰ পৰা, বিদেশী পুজিপতি হাতৰ পৰা ভাৰতীয় পুজিপতিলৈ এই উদ্যোগ বিলাক হস্তান্তৰিত হল। অৰ্থাৎ এই উদ্যোগ বিলাক ইণ্ডিয়ানাইজেচন হল। তেতিয়াৰ বৃটিচ সাম্ৰাজ্যবাদী চাহ শিল্প জেইমচ্ ফিনলে ইত্যাদি কোম্পানী হাতত আছে। সেইটো এতিয়া ভাৰতীয় হৈ ভাৰতীয় পুজিপতিৰ হাতলৈ টাটা ফিনলে হৈ আহিল। কিন্তু সেই শিল্পবিলাক আজি পৰ্য্যন্ত ৰাষ্ট্ৰীয়-কৰণ কৰিব পৰা নাই। তেল শিল্পৰ জৰিয়তে আমাৰ আৰু অন্যান্য বহুতো শিল্প প্ৰতিস্থা হোৱাৰ কথা আছিল। কিন্তু যোৱা ৩১ বছৰে অনুসন্ধান কৰি আৰু যোৱা ২ বছৰে জনতা চৰকাৰে চিন্তা কৰি কোনো আঁচনি যুগুত নকৰিলে। আজি কাগজে পত্ৰে দেখিবলৈ পাব, কেন্দ্ৰীয় চৰকাৰে অভিমত প্ৰকাশ কৰিছে, যে ভাৰতৰ উদ্যোগ ক্ষেত্ৰত পিচপৰা ৰাজ্য সমূহৰ মাজত অসমকো সাঙুৰা হৈছে। তাৰ মানে আজিৰ অসম

নগালেণ্ড, মিজোৰাম ইত্যাদি নিচিনা পিচপৰা হৈ থাকিল। অসমত শিল্প উদ্যোগ বিকাশ সাধন কৰিবৰ কাৰণে এ, আ, দি, চি, এচ, আই, দি, চি, প্ৰতিষ্ঠান তৈয়াৰ কৰিলে কিন্তু তেওঁলোকে ফাইনেন্স কৰা কোনো শিল্পই গা কৰি নুঠিল। ১৯৭৬ চনত চন্দ্ৰপুৰ কেমিকেলচত চলাব নোৱাৰা পিচত এওঁলোকৰ এই প্ৰতিস্থানৰ দ্বাৰা ৫ বছৰৰ কাৰণে চুক্তি কৰি চলাব লগীয়া হল। সেই সময়ত ৪০ লাখ টকা মূলধন ব্যয় কৰাৰ পিচত আজিও বেলেন্সচিত দেখুৱাব পৰা নাই। অথচ ২৭ লাখ টকাৰ বিক্ৰি টকা দিয়া হৈছে। এ, এচ, আই, দি, চিয়ে ৭২ লাখ টকা দিছে আৰু চন্দ্ৰপুৰ কেমিকেলচত ৰ' মেটেৰিয়েলচ বিচৰা হৈছে। কিন্তু বস্তু বিলাক সময়ত আনিব নোৱাৰা কাৰণে ৰেলৱে ডেমাৰেজ ১ লাখ টকা দিব লগীয়া হৈছে। কপাৰচেলফেদ তাত প্ৰস্তুত হয়। কিছুমানে তাত ষড়যন্ত্ৰ কৰিছে কপাৰচেলফেদৰ কোনো বজাৰেই নাই। চন্দ্ৰপুৰ কেমিকেলচে বিক্ৰি কৰা দ্ৰব্যৰ পৰা ৩৫ লাখ টকা লাভ কৰিছে। তাত যিজন মেনেজিং ডিৰেক্তৰ আছিল তেওঁ তাত এতিয়াও আছে। চন্দ্ৰপুৰ ইউনিটটো আজি ইমান টকা বিনিয়োগ কৰাৰ উপৰিও আজি বন্ধ হোৱাৰ উপক্ৰম হৈছে। তাত এটা বিৰাট ষড়যন্ত্ৰ চলিছে। আসাম পেট্ৰকেমিকেলচত এডেচিভল্লু ইয়াত শতকৰা ৩০ ভাগ পিয়ৰিটি আছে। আৰু জাপানী এক্সপাৰ্ট আহি কৈছিল যে সমগ্ৰ এছিয়াৰ ভিতৰতে এই প্ৰডাক্টটোক উৎকৃষ্ট বুলি অপিনিঅন দি গৈছে। কিন্তু ইয়াৰ মাৰ্কেটিং ডিপাৰ্টমেণ্টে কয় ইয়াৰ উৎপাদিত বস্তুৰ গুণাগুণ নিচেই নিম্নতম। গতিকে বাহিৰলৈ যাবলৈ উপযুক্ত নহয়। যাতে বাহিৰত ইয়াৰ বজাৰ কমি যায় অইন বিদেশী কোম্পানীয়ে ইয়াৰ পৰা লাভা লাভ পাব পাৰে। সেইটো ষড়যন্ত্ৰ কৰিলে। আৰু আমাৰ বিলাক বঞ্চিত হৈ গ'ল। তাৰ পিচত এই এ, আই, দি, চিৰ নামত নানা ধৰণৰ কৰাপচন আৰম্ভ হ'ল। আসাম টি কৰপৰেশ্যন এই প্ৰতিস্থানটো ৰেজিষ্ট্ৰাৰ কৰা হব লাগিছিল

আৰু সেইমতে ৰেজিষ্ট্ৰাৰ কৰা হ'ল। ১৯৫৬ চনত ৰেজিষ্ট্ৰেচন কৰা হল যদিও নিয়ম অনুযায়ী কোম্পেনী এক্টক ভাইলেট কৰা হৈছে। বোর্ডৰ ৰুল মতে বোর্ডত ডিৰেক্টৰ থাকিলে তাত আত্মীয় স্বজন থাকিব নোৱাৰে। কিন্তু এই বোর্ড অব ডিৰেক্টৰ্চত অঙহি বঙহি বহুত আছে। যেনে দি, কে দত্ত, এচ, কে দত্ত এই সকলৰ লগত বৈবাহিক সম্বন্ধ আছে। কোম্পেনী এক্টেয়ে এইবোৰ এলাও নকৰে। ৰাজ্যপালৰ ভাষণত এই কৰপশ্যনে লাভ কৰিছে বুলি কৈছে। এ কৈয়ে লাভ কৰিছে। টি প্লেণ্টেচন এক্টকো ধাৰা উপধাৰা মতে চাহ বাগান বিলাকত যিজনে ডাক্টৰ, নাৰ্চ, কম্পাউন্দাৰ ৰাখিব লাগে সেইমতে কোনো ব্যৱস্থা নাই। তাত পশ্চিমবঙ্গত ৰূপালী চাহ বাগানত এজন মাৰোৱাৰীয়ে বেংকৰ পৰা লোন লৈ চাহ বাগান চলাইছিল। পিচত এইখন অচল হৈ যোৱাত ১৯৭৭ চনত ইয়াৰ মেনেজাৰ কেৰাণী সকলো পলাই গল। পিচত মজদুৰ সকলে বাগানখন নিজেই চলাবলৈ আগবাঢ়ি আহিল। দুই এজন কেৰাণীও আহিল। এই বন্ধুৱা সকলে কঠোৰ পৰিশ্ৰম কৰি ২০ হাজাৰ টকা মূলধন বনালে। আৰু ২০ ভাগ বনাচ দিলে। অসম টি কৰপশ্যনে যিবিলাক বাগানৰ অস্তিত্ব শেষ হৈ গৈছে সেইবিলাক ললে হয় কিন্তু তাত শিল্প গঢ়ি উঠিব পৰা নাই। আৰু এটা ষড়যন্ত্ৰ হৈছে একচেতীয়া পুজিপতি সকলে কিছুমান সুবিধা আদায় কৰিবৰ কাৰণে সৰুসুৰা শিল্পৰ নামত উদ্যোগ গঢ়াৰ সুযোগ লৈ তেওঁলোকে কিছু ক্ষেত্ৰত ৰেহাই আদায় কৰিছে। বিৰলা কোম্পানীয়ে উদকাফট বন উদ্যোগ, এইধৰণৰ সৰু সৰু উদ্যোগ লৈ একচেতীয়াৰ পুজিপতিৰ পৃষ্ঠপোষকতা কৰি আহিছে। অসম চৰকাৰে তেওঁলোকক ৰেহাই দিছে। এই ধৰণৰ নানা ষড়যন্ত্ৰ হৈ অসম আজি উদ্যোগৰ ক্ষেত্ৰত বিক্ৰি হৈ গৈছে। অসমৰ গছ-গছনি, হাবি-বন কাটি খাস্তাং কৰি পেলাইছে। শিল্প উদ্যোগ গঢ়াৰ কোনো ব্যৱস্থাই অসমত হৈ নুঠিল। অসমৰ প্ৰাকৃতিক সম্পদত আজি অপচয় হৈ আছে

আৰু একচেত্তীয়া পুঞ্জিপতি ইয়াৰ দ্বাৰা অধিক লাভবান আৰু উপকৃত হৈছে।

লাখ লাখ টকাৰ গেছ পুৰি শেষ কৰি দিব। যদি পুঁজি খটুৱাবলৈ দিওঁ দাম মাত্ৰ পায় ১.২৫ টকা প্ৰতি মিটাৰত। ইয়াক কোনে বাধা দিব? আজি ডেৰ-দুই বছৰৰ পিচতো নতুন শিল্প নীতি লব নোৱাৰিলে। গতিকে এই ষড়যন্ত্ৰক বাধা দিব পাৰিবনে? ইয়াক বাধা দিব পৰা নাযায় যদিহে চৰকাৰ নিজে নোলায়। আজি এক্সপোৰ্ট ইম্পোৰ্ট লাইচেন্স দিয়াৰ কথা ওলাইছে। ১৯৭২ চনৰ পৰা ১৯৭৭ চনলৈ বহুতো লবাক লাইচেন্স দিয়া হল। কন্ চচন ৰেটত টীন, চিমেণ্ট আদি দিয়া হল। সেইবিলাক কি হল? কোনে খালে? সেইবিলাক ব্লেঠত বিক্ৰি কৰি পেলালে। নতুন ইঞ্জিনিয়াৰ সকলে যে শিল্প উদ্যোগ কৰিবলৈ অহা নাই সেইটো নহয়। আমাৰ লৰা কিছুমানে ১ কোটি ৪০ লাখ টকাৰ বস্তু এফ, চি, আইত যোগান ধৰিব পাৰিছে। শিলঘাটৰ মৰাপাট কলত ইনডেন দিয়ে যোগান ধৰিব নোৱাৰে কিয়? বেঙ্গলৰ মাৰ্কিন বাৰ্ণ কোম্পানীত অৰ্ডাৰ দিয়াৰ লগে লগে ২৪ ঘণ্টাৰ ভিতৰত অৰ্ডাৰ কেৰি আউট কৰা হয়। আমাৰ ইয়াৰ উদ্যোগ বিলাকে কিয় কৰিব পৰা নাই? অসমৰ কৃষকে বেঙ্গলৰ কৃষকতকৈ ৭ টকা কম ৰেটত মৰাপাট বিক্ৰি কৰিছে। তাত চৰকাৰৰ সহযোগত যথেষ্ট শিল্প উদ্যোগ গঢ়ি উঠিছে। অসমত ঠিক তেনেকুৱা শিল্প নকৰে কিয়? কেচা মালৰ ক্ষেত্ৰত বিক্ৰি কৰৰ পাৰ্থক্য আছে। সৰু-সুৰা উদ্যোগ গঢ়ি তুলিলে সেইবিলাকত ৰেহাই দিব লাগিব। আজি যদি কোনোবাই বেংগলত মৰাপাট ফেক্টৰীত উৎপাদন কৰে তেনেহলে ১১৪ টকা খৰচ কৰিব লাগিব। কিন্তু অসমৰ এজন লৰাই অসমত ১২৮ টকা খৰচ কৰিব লগা হয়। কেচামাল ফিনিচ্ড প্ৰডাক্ট আৰু টেক্সৰ মানদণ্ড বহুতো তাৰতম্য হয়। তাত টেক্স ১.২৭ টকা আৰু অসমত ৬ টকা। গতিকে

অসমৰ লৰাই বেংগল বা অন্যান্য প্ৰদেশৰ শিল্পৰ লগত প্ৰতিযোগিতা কৰিব নোৱাৰে।

অসমত শিল্প উদ্যোগ গঢ়িবলৈ হলে পুজিৰ অভাৱৰ কথা কোৱা হয়। আমাৰ ইয়াত যিবিলাক দেশী-বিদেশী পুজিপতিৰ চাহ শিল্পকে আদিকৰি যিবিলাক শিল্প আছে সেইবিলাক ৰাষ্ট্ৰায়ত্ব কৰক। কিন্তু ৰাষ্ট্ৰায়ত্ব কৰিবলৈ যাওঁতে বিকাৰ ভুগিব। ১৯৫৪ চনত ইউ, এন, অত পণ্ডিত জৱাহৰলালে কৈছিল অসম তথা ভাৰতৰ চাহ শিল্প জাতীয়কৰণ কৰিম। তেতিয়া এজন বৃটিছ প্ৰতিনিধিয়ে ওৱাৰ্নিং দি কৈছিল— খবৰদাৰ সেই-বিলাক পুনৰ উচ্ছাৰণ নকৰিব। চীনৰ চাহ শিল্প ধ্বংস কৰি আহিছো। ভাৰতৰ চাহ শিল্পও ধ্বংস কৰি আহিম। জৱাহৰলালে মাত মাতিব নোৱাৰিলে। এতিয়া মোৰাৰজী আৰু জৰ্জ ফাৰ্ণান্দেজেও মাত মাতিব নোৱাৰে। আমাৰ ইয়াত যিবিলাক বিদেশী কোম্পানী আছে তেওঁলোকৰ আচল উদ্দেশ্য বেলেগ। এই কোম্পানী বিলাকৰ বৰ্ত্তমান যি টেক্স সেই টেক্স বঢ়াই দিব লাগিব আৰু সেই টকা বিনিয়োগ কৰি অসমত শিল্প গঢ়ি তুলিব লাগিব। যিবিলাক উদ্যোগ নেচনেলাইজ কৰাৰ সম্ভাৱনা নাই সেইবিলাক অসম চৰকাৰে পৰিচালনা কৰাৰ দায়িত্ব লব লাগিব। আমাৰ অসমত কয়লাৰ পৰা আৰম্ভ কৰি তেল, চিমেন্ট আদিৰ যিবিলাক কেচা মাল আছে আৰু সেইবিলাকৰ পৰা যিবিলাক বাই-প্ৰডাক্ট কৰিব পৰা হয় সেইবিলাক অসমৰ পুজিৰ পৰা কৰিব পৰাৰ ব্যৱস্থা কৰিব লাগে।

যোৱা ২০ তাৰিখে আমাৰ শ্ৰীগোলাম ওচমানী চাহাবে দম দম এয়াৰপোৰ্টত কৈছিল যে অসমত ৩ বছৰলৈ কোনো শিল্প উদ্যোগ নহয়। কিয়নো কেন্দ্ৰীয় চৰকাৰে লেটাৰ অব ইনটেণ্ট নিদিয়ে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সম্পৰ্কত কেন্দ্ৰৰ হাতত সকলো ক্ষমতা আছে। ৰাজ্য চৰকাৰৰ হাতত অকনো ক্ষমতা নাই। অসমৰ চাহ বাগিচাৰ পৰা কেন্দ্ৰীয়

চৰকাৰে ১৪২ কোটি চেণ্ট্ৰেল টেক্স লৈ যায়। অসমৰ বাজেট হয় ১৫০ কোটি টকাৰ। এই টকাখিনি আমাৰ দেশত ৰখাৰ ব্যৱস্থা হলে আৰু পুজি বিনিয়োগ কৰি উদ্যোগ গঢ়িব পৰা হলহেতেন। বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰ ব্যতিৰেকে শিল্প উদ্যোগ গঢ়িব নোৱাৰে। অসমক যদি শিল্প উদ্যোগত আগবঢ়াই নিবলৈ হয় তেনেহলে অসমত শিল্প গঢ়ি তোলক আৰু অসম চৰকাৰ সচেষ্ট হব লাগিব। কেন্দ্ৰীয় চৰকাৰে যে দিবই লাগিব সেইটো অৱশ্যম্ভাবী। আমাৰ হাতত অধিক ক্ষমতা দি দিয়ক। অসমৰ মাটিত কোন ধৰণৰ উদ্যোগ পৰা যায় তাৰ যোগাৰ আমি কৰিম। পুজি আমাৰ হাতত আছে। আমাৰ চাহ বাগিচা আৰু তেল কোম্পানী বিলাক নেচনেলাইজ কৰিলে যথেষ্ট ধন আহিব। তত্নপৰি আমাৰ বন্ধ হোৱা কল-কাৰখানা, হাৰ্ডবোৰ্ড, গ্লাচ ফেক্টৰী, এভাৰেষ্ট চাইকেল ফেক্টৰী আদি যিবিলাক উদ্যোগ আছে তাত মুলধনৰ অভাৱৰ কথা কোৱা যায়। আমাৰ ইয়াত শ্ৰমক মূলধনৰ অংশ বুলি ধৰা হোৱা নাই। উদাহৰণ স্বৰূপে আমেৰিকাই চীন দেশৰ পুৱী মৰুভুমিত তেল নোলায় বুলি কৈছিল। তেতিয়া চীনৰ এজন সাধাৰণ লোকে কৈছিল মোক সুযোগ দিয়া হওক পৰীক্ষা কৰি চাম। কিন্তু কিছুদিন পৰীক্ষা কৰি চোৱাৰ পিচতে এজন অখ্যাত ডিলাৰে তাত তেল উসিয়াবলৈ সক্ষম হল আৰু তাৰ লগে লগে চীন দেশ তেলৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ গল। ডুলিয়াজানৰ গেচ কোম্পানী সামান্য বিজুতিৰ বাবেই বন্ধ হৈ গল। এতিয়া ইংলেণ্ডৰ পৰা সাধাৰণ যোগালী আনিব লগীয়া হল। তেওঁ আহি ঢিলা নটটো ঠিক কৰি দিয়াৰ লগে লগে ভাল হৈ গল। আজি আমাৰ দেশত এইবিলাক ঠিক নকৰো কাৰণ সাধাৰণ শ্ৰমৰ মৰ্য্যাদাক বিশ্বাস নকৰো। গতিকে মই কৈছো মানুহৰ শ্ৰমক মূলধন হিচাবে লব লাগিব। আমাৰ ১ কোটি টকাৰ ওপৰত নতুন শিল্প কৰিব বিচাৰিলে বিনিয়োগৰ ক্ষেত্ৰত উদ্যোগ উপদেষ্টা কমিটি কৰক। আমাৰ ইয়াৰ পৰা লাইমষ্টোন, চিমেণ্ট,

ষ্টীল আদি বাহিৰলৈ লৈ যোৱা হয়। ইয়াত খটোৱা নহয়। ইয়াক বন্ধ কৰিবৰ কাৰণে এডভাইচেৰী কমিটি কৰিব লাগিব। ফাইনেন্সিয়েল এডভাইচাৰ, টেকনিকেল এডভাইচাৰ আদি একেলগে বহিব লাগিব। তেওঁলোকৰ মতামত লোৱাৰ পিচত শিল্প কৰিবলৈ দিয়া উচিত। আমাৰ যিবিলাক সৰু-সুৰা শিল্প আছে সেইবিলাক যান্ত্রিক নহয়। পঞ্জাব ভাৰতৰ এখন সৰু প্ৰদেশ। তাৰ কুটিৰ শিল্প বিলাক যান্ত্রিক হোৱাৰ কাৰণে প্ৰতিযোগিতা কৰি টিকি থাকিব পাৰিছে। অসমৰ কুটিৰ শিল্প বিলাক হেণ্ড মেকিং। ইয়াৰ নিয়োগৰ সুযোগ কম আৰু বস্তু বিলাক বজাৰত কম্পিট কৰিব নোৱাৰে। গতিকে আমাৰ ইয়াত টেকনিকেল ন হাউৰ দৰকাৰ আছে। সেই সামগ্ৰীখিনি ৰাজ্য চৰকাৰে নিজৰ দায়িত্বত লৈ বজাৰত বিক্ৰি কৰাৰ আচনি হাতত লব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— উপাধ্যক্ষ মহোদয়, আমাৰ দেশত উদ্যোগ কিমান বেচি হব, কিমান বিশাল হব তাক এই গ্ৰাণ্টৰ নমুনাই দেখুৱাইছে। এই শিতানত মাত্ৰ ৪ কোটি টকা ধৰা হৈছে। আৰু এই ৪ কোটি টকাৰে অসম দেশ উদ্যোগীকৰণ হব। অসমৰ লৰাই চাকৰি পাব আৰু অসমৰ নিবনুৱা সমস্যা সমাধান হোৱাৰ লগে লগে উদ্যোগ বিকাশ হব আৰু আমাৰ দেশৰ অৰ্থনীতি টনকিয়াল হব। এই ৪ কোটি টকাৰে এইখিনি কাম হব। উদ্যোগ বিভাগে কি কাম কৰিব তাৰ নমুনা আমি পাইছো। আজি পৰ্য্যন্ত অসমত অসম চৰকাৰে উদ্যোগ নীতি কি হব সেই বিষয়ে চিন্তা কৰি পোৱা নাই। আগৰ দিনত সিফালৰ লোক সকলে চৰকাৰৰ উদ্যোগ মন্ত্ৰী হোৱাৰ পিচত তাৰ কেইমাহমান পাচত জাপান ভ্ৰমনলৈ যায় আৰু গাইচাগাৰৰ লগত নৃত্য হব। আৰু ইয়াত আহি এটা বক্তৃতা দিয়ে যে ইমান সিমান পালো।

* Speech not corrected

মন্ত্ৰী সকলক বিৰলাই অনুগ্ৰহ পূৰ্ব্বক প্লাইউডৰ দৰ্জা খিৰিকি দি এটা অট্টালিকাৰ সাজেৰে ঘৰ বনাই দিয়ে। আৰু সেয়ে হৈছে আমাৰ উদ্যোগ নীতি। এতিয়া জনতা চৰকাৰ আহিছে, আমাৰ জগন্নাথ সিংহ উদ্যোগ মন্ত্ৰী হৈছে। তেওঁ এজন ডেকা তাগ্ৰা লোক, পৃথিৱীৰ বিভিন্ন ঠাই দেখা লৰা, ৰোমত ঘুৰিফুৰা লৰা, আমি ভাবিছিলো নিশ্চয় আমাৰ দেশত উদ্যোগ গঢ়ি উঠিব। কিন্তু যি লাই বাঢ়িব তাৰ দুপাততে চিন। কি নীতি লব সেইটো আজিলৈকে ঘোষণাই কৰা নাই। উপাধ্যক্ষ মহোদয় মই যেতিয়াই বক্তৃতা দিবলৈ উঠো তেতিয়াই এইখন শাস্ত্ৰলৈ মনত পৰে সেইখন হৈছে— কমট্ৰোলাৰ অৰ অডিটৰ জেনেৰেল ৰিপোৰ্ট। এইখনতে অসম চৰকাৰৰ কীৰ্ত্তি-কলাপ সুন্দৰকৈ লিপিবদ্ধ কৰা হৈছে। এইখন ১৯৭৬-৭৭ চনৰ। ইয়াত সাংঘাটিক কাহিনী আছে। তাৰ কেইটামান দফা নপঢ়াকৈ লোভ সামৰিব নোৱাৰিলো। এই উদ্যোগ বিভাগৰ সঞ্চালক জনে তেজপুৰৰ কন্দ্ৰৰাতলিত ১০০ বিঘা মাটি উদ্যোগ পাম কৰিবলৈ ললে- আশা কৰিছিল বোধকৰো শোণিতপুৰত উষা নগৰীৰ নিচিনা উদ্যোগ গঢ়িব। উপাধ্যক্ষ মহোদয়, আপুনি যদি সেইফালে গৈছে নিশ্চয় দেখিছে তেজপুৰৰ আশে পাশে তিলা তিলা মাটি বিলাক। তাত এক চটাক মাটি দিয়াৰো দৰ্কাৰ নাছিল। কিন্তু এই বিভাগৰ সঞ্চালক জনে আৰ্থ-ফিলিঙৰ নামত ২০ হাজাৰ টকা খৰছ কৰিছে। আৰু তালৈ এটা এপ্ৰোচ ৰোডও কৰিছে— As there was no response from the entrepreneurs for setting up industrial units in the area reportedly due to its distence from town and unsuitability for industrial units further development was stopped. ঘৰ সজা হল কিন্তু তাত এতিয়া গৰু থাকে। টিনপাত সুলকি গল, কোনোবাই হয়তো লৈ গৈছে। তাত এতিয়া ভূত আৰু উদণ্ডীয়া গৰুৰ বাহিৰে আন একো দেখা নাপাব। এই সঞ্চালক জনে ১৯৭১ চনৰ মাৰ্চ মাহত মঙ্গলদৈত পঞ্চল্লিশ বিঘা মাটি লৈছিল আঠ হাজাৰত। ছয়

লাখ বিৰাশী হাজাৰ উনৈশ শ একসত্তৰ চনৰ পৰা উনৈশ শ ছিসত্তৰ চনলৈ মাটিৰ বাবদ দি আছে। ইনফ্ৰাষ্ট্ৰাকচাৰ উদ্যোগ কৰিবলৈ খৰছ কৰিছে। তাৰ ৰিজাল্ট কি হৈছে? এই ডিৰেক্টৰজনৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে আমি জানিব বিচাৰিছো। যি সকলে চৰকাৰী ধনৰ এনেদৰে অপব্যয় কৰে সেই সকল লোককেই উদ্যোগ বিভাগৰ বোন্দা পোহা হৈছে। কিন্তু এই বোন্দা বিলাকে বনৰ পৰা পছু মাৰিব নোৱাৰে। আজি উদ্যোগ বিভাগত টেকনিকেল জ্ঞান থকা মানুহ নথকাৰ ফলত আই, এ, এচ বিষয়া সকলক দিয়া হৈছে। আই, এ, এচ হলেই তেওঁ জুট মিলৰ মেনেজিং ডাইৰেক্টৰ হোৱাৰ অধিকাৰ পায়। পেট্ৰকেমিকেলতো এম, ডি হোৱাৰ অধিকাৰ পায় আৰু আমাৰ চন্দ্ৰপুৰত থকা এচোচিয়েটেড ইণ্ডাষ্ট্ৰীৰ অধীক্ষক সঞ্চালক হৈও যাব পাৰে। আমাৰ উদ্যোগ বিভাগৰ টেকনোলজি নজনা মানুহ সোমোৱাৰ ফলতেই এই অৱস্থা বিলাক সৃষ্টি হৈছে। আমাৰ যিটো জুট মিল আছে তাত যিখিনি লেমোনেটেড ৰেগ তৈয়াৰ হব লাগে সেইখিনি নহয়। এই মিলত ৪ টন দৈনিক উৎপাদন কৰিব পাৰে, ৪ টনৰ ভায়েবিলিটি আছে। কিন্তু দিনটোত ১৪ ঘণ্টা ১৫ ঘণ্টা বিদ্যুৎশক্তি বন্ধ হৈ থাকে যাৰ ফলত উৎপাদন কৰিব নোৱাৰে। লোত চেদিণ্ডৰ কথাই নাই, এনেয়ে বন্ধ হৈ থাকে। বিদ্যুৎ আৰু চিমেণ্ট যদি নাথাকে তেনেহলে উদ্যোগ কেনেকৈ হব? কাৰণ উদ্যোগৰ ঘাই বস্তু হৈছে বিদ্যুৎ আৰু চিমেণ্ট। কিন্তু আমাৰ সেই দুটা বস্তুৰ অভাৱ। অসমত হাইড্ৰোইলেকট্ৰিকৰ কাৰণে যি ধৰণৰ চেষ্টা হব লাগিছিল সেইধৰণৰ চেষ্টা হোৱা নাই। ফলত উদ্যোগ বিলাকে যিখিনি বিদ্যুতৰ সহায় পাব লাগিছিল সেইখিনি পোৱা নাই আৰু এই বিদ্যুতৰ কাৰণেই অসমত উদ্যোগ প্ৰতিষ্ঠা হব পৰা নাই। অসমত আজি চিমেণ্ট নাই। আজি এটা মিনি চিমেণ্ট প্লেণ্ট নহল। গুজৰাটৰ নিচিনা ঠাইত কিমান মিনি চিমেণ্ট প্লেণ্ট কৰিলে। দেশ স্বাধীন হোৱাৰ পাচতো দেশে অৰ্থনৈতিক

স্বাধীনতা নাপালে। এই অৰ্থনৈতিক স্বাধীনতাৰ কাৰণে কংগ্ৰেছ পাৰ্টিয়ে চেষ্টা কৰিছিল কিন্তু মিছা ব্যৱস্থা। সপোন সপোন হৈয়ে থাকিল। অৰ্থনৈতিক স্বৰাজ আৰু নহল। কেন্দ্ৰত জনতা চৰকাৰ প্ৰতিষ্ঠা হোৱা ২ বছৰ হল আমাৰ ইয়াত যোৱা ১২ মাৰ্চ তাৰিখে ১ বছৰ হৈ গল। কিন্তু আংশিকভাৱেও উদ্যোগৰ কিবা উন্নতি হল নে? উদ্যোগৰ এটা ভাণ্ডৰ অৱশ্যে হৈছে--- আমাৰ ৫ খন পিচপৰা জিলাত কামৰূপ, গোৱালপাৰা, কাছাৰ আৰু ডিব্ৰুগড়ত কেইবাটাও ডি আই চি কৰা হল। তাতোকৈ উল্লেখনীয় কাম হল নগাওঁত একে ৰাতিৰ ভিতৰতে শ্যাম সুন্দৰ শৰ্ম্মা এজন উদ্যোগপতি হল। তেওঁৰ অৱশ্যে নগাওঁত এটা ডাঙৰ ঘৰ আছে আৰু এখন চাইন বোৰ্ডও লগোৱা আছে— নগাওঁ হাৰ্ডওৱেৰ বুলি। তেওঁৰ এ আই ডি চিৰ মেনেজিং ডিৰেক্টৰৰ লগতো কিবা সম্পৰ্ক আছে। আগে পিছেও লোহা-লস্কৰৰ পাৰ্মিট পায় কিন্তু লোহা হলে নগাওঁ গৈ নাপায় গুৱাহাটীতে বিক্ৰি হৈ যায়। তাৰ পিছত দয়াৰাম আগৰৱালা, বিজয় শইকীয়া, পি দি গুপ্ত। এই দয়াৰাম বোলাজনে বোধকৰো অসম চৰকাৰক বহুত আয়কৰও দিব বাকী আছে। আৰু নগাওঁৰ যি জন মেনেজিং ডিৰেক্টৰ চন্দ্ৰ বৰুৱা ডিষ্ট্ৰীক্ট মেনেজিং ডিৰেক্টৰ জনৰ শৰীৰৰ কিবা বিজুতি থকাৰ কাৰণে দিনে ৰাতিয়ে এটোপা এটোপা খাই থাকিবও লাগে বোলে। তিনি কোটি টকাৰ ভিতৰত কিন্তু নগাওঁৰ ইমপৰ্ট লাইচেন্সৰ নামত অহা তিনি কোটি টকা সেই অফিচাৰ জনে পাই গল। লগতে শ্ৰীএচ, এচ শৰ্ম্মা—এজন পুলিচ বিভাগৰ বিষয়া—তেওঁৰো বহুত কেলেংকাৰী আছে। সেইটো চাবলৈ আহি ক'ত কি হৈছিল—সেইটো চৰকাৰে জানে। তেনেকুৱা মানুহ এজন বাৰু কেনেকৈ তেখেত সকলৰ প্ৰিয়পাত্ৰ হয়—নাজানো। অৱশ্যে ইণ্ডাষ্ট্ৰি মিনিষ্টাৰে প্ৰেমত চাইও কৰা নাই।

এতিয়া উপাধ্যক্ষ মহোদয়, যদি এইটো অৱস্থাই হয়—তেনেহলে

অসমত উদ্যোগ কেনেকৈ কৰা হব ? ইণ্ডাষ্ট্ৰিয়েল ষ্টেট্ বুলি দুই এটা চাইনবোৰ্ড দেখো —কিন্তু ক'ত কেনেকৈ উদ্যোগ হৈছে আৰু কেনেকৈ টকা—পইচা খৰচ হৈছে- নাজানো। আজি ১৩ দিন আগতে কেইবা লাখ টকাৰ চাবচিদি দিয়া হৈছে—তাৰ ভিতৰত কোনে কিমান পালে ইণ্ডাষ্ট্ৰী মন্ত্ৰীয়ে কব লাগিব। কেনেকৈ অসম দেশৰ ইণ্ডাষ্ট্ৰী কৰি এ, আই, ডি, চি'ৰ পৰা ৭০ লাখ টকাৰ চাবচিদি পালে—তাৰ লিষ্ট আমাক দিব লাগিব। যিবোৰে আমাৰ দেশত ইণ্ডাষ্ট্ৰি কৰা নাই—আমাৰ দেশৰ কেচা মাল দিল্লী কলিকতাত বিক্ৰী কৰি দিছে—তেনেকুৱা মানুহক ইণ্ডাষ্ট্ৰি বিভাগে লাখ লাখ টকাৰ চাবচিদি দিছে। মই আশা ৰাখিছো কাক কাক দিলে উদ্যোগ মন্ত্ৰীয়ে আমাক জনাব।

আমাৰ দেশত অফুৰন্ত কেচামাল থকা স্বত্বেও আজি তাৰ চাৰ্ভে হোৱা নাই। এই কেচা মালৰ দ্বাৰা কোন ঠাইত কিমান ইণ্ডাষ্ট্ৰি হল-হেতেন—ঠিক নাই। অলপতে যোৰহাটত দেখিছো এবিধ পোতায়ন গুটি - এইটো কোনে কেনেকৈ বুজে—কব নোৱাৰো—কিন্তু এই গুটিৰ পৰা পাউদাৰ কৰিছে—সেইবিলাক কণ্ট্ৰা-চেপটিক—তাৰ দাম কেজিত ৭ শ টকা অসমৰ বনে—জঙ্গলে, চুকে—কাণে সেইবিলাক হয়। সেইবিলাকৰ বিষয়ে আজি অসমীয়া লৰাক জানিবলৈ দিয়া হোৱা নাই। অসমীয়া লৰাই ক'ত কি শিল্প—উদ্যোগ গঢ়ি তুলিব পাৰে—সেইটো চৰকাৰে মুঠেই চকু দিয়া নাই। এজন অসমীয়া লৰাই আজি ৭ বছৰ ধৰি অনুনয়—বিনয় কৰিছে—গুৱাহাটীত ইণ্ডাষ্ট্ৰিয়েল ষ্টেট এটা কৰিবৰ কাৰণে। কিন্তু ইণ্ডাষ্ট্ৰি বিভাগে তেওঁক সহায় নকৰাৰ ফলত আজি ৭ বছৰ ধৰি তেওঁ কাঠ-পেনচিল উলিয়াব পৰা নাই। মন্ত্ৰীৰ ওচৰলৈ আহে—কিন্তু কাম নহয়। সেই উদ্যোগী লোক জনক ইণ্ডাষ্ট্ৰি বিভাগে কোনো ধৰণৰ সহায় আগবঢ়োৱা নাই।

ছাৰ, আমাৰ দেশত ইণ্ডাষ্ট্ৰি কৰিবলৈ হলে—আমাৰ এটা ইণ্ডাষ্ট্ৰিয়েল

এডভাইচৰী বোৰ্ড গঠন কৰিব লাগে। যিটো বোৰ্ডে আমাৰ ৰাজ্যৰ চুকে-কাণে উপাদিত হোৱা কেচামাল কেনেকৈ ব্যৱহাৰ কৰিব পাৰি—তাৰ কাৰণে পৰামৰ্শ দিয়ক। মই সিদিনা আচৰিত হৈছো—আমাক ইণ্ডাষ্ট্ৰিৰ লোণ বোৰ্ড এখনলৈ মাতিছি—৪৭ হেজাৰ টকাৰ ইণ্ডাষ্ট্ৰি কৰাৰ কাৰণে ধাৰ দিব। কিন্তু ডি, আই, চি'য়ে ইণ্ডাষ্ট্ৰিবোৰ কেনেকৈ ৰিকমেন্দ কৰিছে—চাওক। এটা হল—চাইকেল ৰিপেয়াৰিঙৰ কাৰণে চাৰে সাত হেজাৰ টকা, লণ্ড্ৰীৰ কাৰণে চাৰে সাত হেজাৰ টকা, ডেকৰা—ক্লথ—প্ৰিন্টিঙৰ কাৰণে চাৰে সাত হেজাৰ টকা আৰু ৰেডিঅ', ৱাটছ (ঘড়ী) আদি কিছুমানৰ কাৰণেও চাৰে সাত হেজাৰ টকা। তাত কিছুমানৰ নাম আছে—কিন্তু পৰিচয় নাই। যেনে—মিচ বন্তি বৰুৱা—পিতৃ কোন—কাৰ ছোৱালী—কোনো ঠিকনা নাই। সেইদৰে আগত কিছুমানৰ মিচেচ আছে—কিন্তু মিষ্টাৰ কোন ঠিকনা নাই। আমাক কৈছে—আপুনি চহী কৰি দিয়ক আমি বিচাৰি ঠিক কৰিম।

ছাৰ, এনেকৈনো ইণ্ডাষ্ট্ৰি হব পাৰেনে? মই কৈছো এনেকৈ ইণ্ডাষ্ট্ৰি হব নোৱাৰে। যদি এনেকুৱাকৈ ইণ্ডাষ্ট্ৰি কৰিব লগীয়া হয়—তেতিয়াহলে এই অসম দেশৰ লোকে—আমাৰ বয়সৰ লোকে কি কৰে নাজানো—কিন্তু আমাৰ পিচৰ জেনেৰেচনে এইটো কেতিয়াও সহ্য নকৰে, তেতিয়া আমি বাধা দি ৰাখিব নোৱাৰিম। নতুন চৰকাৰ আহিছে—৩৬৫ দিনতনো কি কৰিব—এইবুলি আমি কেইদিন বহুৱাই ৰাখিম। গতিকে এই চৰকাৰে যদি বাহিৰৰ বিপদৰ প্ৰতি সজাগ হয়—তেন্তে আচল কামবোৰ কৰিবৰ কাৰণে তত্‌পৰ হব লাগে। আমাৰ দেশে কাম কৰিব নোৱাৰে বুলি এটা বদনামেই আছে। অসমীয়া মানুহ এলেহুৱা—কোনো উদ্যোগৰ প্ৰতি কাণ—সাৰ নাই। আগৰ দিনত অসমত খেতিৰ মাটি যথেষ্ট আছিল কাৰণে উদ্যোগ কৰা নাছিল। কিন্তু আজি বহুতো ডেকা লৰা ওলাইছে—তেওঁলোকক উদ্যোগ বিভাগে যিখিনি

সহায় কৰিব লাগে সেইখিনি কৰা নাই। তেওঁলোকে বাহিৰা মানুহ জনকহে সহায় কৰে—যিজন মানুহৰ অসমৰ মাটিৰ লগত কোনো সম্বন্ধ নাই, অসম দেশৰ টকা লৈ—হয়তো কৰবাৰ—গুজৰাট, ৰাজস্থানত তেওঁলোকৰ পৰিয়াল থাকে—তেনেলোকক হলে এক—সপ্তাহ ১৫ দিনৰ ভিতৰত যিখিনি সহায় কৰে—কাগজ—পত্ৰ উলিয়াই দিয়াৰ ক্ষেত্ৰত বা বেংকৰ পৰা টকা ধাৰে দিয়াৰ ক্ষেত্ৰত—বাকী অসমীয়া ডেকা সকলক সিমান সহায় নকৰে—যাৰ কাৰণে আমাৰ উদ্যোগী সকলে এই উদ্যোগ বিভাগলৈ আহি হতাশ হৈ গুচি যায়।

ছাৰ, নগাৱঁৰ ডি. আই, চি অফিচটো যি ঠাইত কৰিছে—সেইটো যমক বিচৰা যেনেকৈ টান—তাতোকৈ এই অফিচটো বিচাৰি উলিওৱা টান। কাৰণ এ, ডি চি কলেজৰ পিচফালে আছে। মঃ ছামচুল হুদাৰ বাহিৰে আনে বিচাৰি নাপায়। কালি তিনি—চাৰি ঠাইত সুধিলোঁ—অফিচটো ক'ত? কোনেও কব নোৱাৰে। চেয়াৰমেনকো বিচাৰিছো পোৱা নাই আৰু দূৰ্ভাগ্য যে—মঃ ছামচুল হুদাকো বিচাৰি লগ নাপালো—কাৰণ তেওঁৰ চোতালত মেল—মিটিং কৰি আছে আধা মাইল আগবাঢ়ি যোৱাৰ পিছত এজনে কলে—আপুনি আধা মাইল পিছুৱাই যাওক।

গতিকে চেয়াৰমেন মহোদয়, মই এটা কথা কৈ সামৰণি মাৰিব বিচাৰিছো। এইটো হল ৫ খন জিলাত পিচ পৰা বুলি যি এ, আই, ডি চি কৰা হৈছে—তাত কিছুমান পোষ্ট ওলাইছে। যেনে ফেক্টৰী মেনেজাৰ, এচিচটেণ্ট মেনেজাৰ ইত্যাদি। তাত কিছুমান গ্ৰেজুৱেটে কাম কৰি আছিল। কিন্তু তেওঁলোকক বাই—পাষ্ট কৰি কিছুমান এল, ডি আৰু ইউ, ডিক মেনেজাৰ কৰিছে। এচিচটেণ্ট মেনেজাৰ কৰি পঠাইছে। তেওঁলোকৰ প্ৰমোচনৰ কোনো সুবিধা নাছিল। এতিয়া পাইছে। মই শুনিছো মন্ত্ৰী মহোদয়েও এইটো খবৰ দিল্লীত পাইছে আৰু খবৰটো ভালদৰে ৰাখিছে। তেথেতে হস্তক্ষেপ কৰাৰ কাৰণে নিযুক্তি হোৱা নাই।

সেই কাৰণে মই কব বিচাৰিছো যে—অতি সোনকালে সেই গাঠি বিলাক খুলি দি মানুহ খিনিক প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰক।

মাননীয় চেয়াৰমেন মহোদয়, মই আৰু বেছি নকও এটা কথা কৈ সামৰণি মাৰিম। আজি আমাৰ শিল্প মন্ত্ৰীয়ে ইনফ্লুয়েন্স কৰিব পৰা নাই বাবেইনেকি এই বিভাগৰ শিত্তানত মাত্ৰ ৪ কোটি টকা আহিছে। গতিকে আজি এইটোৰ ওপৰত বেচ কৰি প্লেন তৈয়াৰ কৰিব লাগে তেনেহলে আমি নিশ্চয় সুফল লাভ কৰিম। আমাৰ বন্ধু সন্দিকৈ ডাঙৰীয়াই অইল এন্দ নেচাৰেল গেচ কমিচনৰ কথা কৈছে। অইল ইন্দিয়াত ১২০ ৰ পৰা ১৪০ লৈ এম, এন, এচ, চি গেচ তৈয়াৰ কৰে আৰু ২০ ৰ পৰা ৩০ লৈ এম, এন, চি, এফ, চি, গেচ পুৰি পেলায়। এতিয়া আমি গেচ ইণ্ডাষ্ট্ৰি কৰি ১১'৪৫ পইচাত এক ইউনিট গেচ আৰু বিজুলী শক্তি দিবলৈ হলে এক ইউনিটত ৬০।৭০ পইচা দিব লাগিব। তেনেহলে গোটেই হিন্দুস্থানৰ বিজুলী শক্তি দি উদ্যোগ কৰিব লাগিব। আজি অসম দেশৰ ইণ্ডাষ্ট্ৰি তৈয়াৰ কৰাৰ উপায় নাই। এই কাৰণেই আমাৰ চৰকাৰক এই গেচখিনি যাতে ৪০।৫০ পইচা হিচাবত পাব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। আগতে আমি এই গেচখিনি যদি লব পাৰো তেনেহলে আমাৰ ৰাজ্যৰ নানা ধৰণৰ উদ্যোগ গঠন হব। আৰু দেশৰ কৰ্ম্ম সম্ভাৱনা যথেষ্ট বাঢ়িব। আজি আমাৰ যিবিলাক পেট্ৰ কেমিকেল কৰিছে আমাৰ দূৰদৰ্শিতা নথকা কাৰণেই আজি নেফটা টেকিং প্লেনৰ যিটো কৰিছিলো এতিয়া সেইটো দিয়াত আপত্তি কৰিছে। কিন্তু আজি আমি ইয়াৰ পৰাও বঞ্চিত হলো। উদ্যোগ বিভাগৰ দূৰদৰ্শিতাৰ অভাৱৰ কাৰণে আজি এইটো হবলৈ পালে। আজি আমাৰ সম্বল আছে সেই বিলাক কাম লৰা ছোৱালীৰ কাৰণে ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি আমাৰ জিলা বিলাকত উদ্যোগ বিভাগৰ যিবিলাক অফিচ আছে তাত কেনেকৈ উদ্যোগ আদি কৰিব পাৰি কি কি কেচা সামগ্ৰীৰ জৰীয়তে

কি কি উদ্যোগ কৰিব পাৰি সেই উদ্যোগ বিলাক কৰোতে কিমান কিমান মূলধনৰ প্ৰয়োজন হব এই সকলো কথা চিন্তা কৰি আমাৰ আচনি তৈয়াৰ কৰিব লাগে । এইবিলাক আচনি কৰি প্ৰচাৰ কৰিব লাগে। কেৱল উদ্যোগ কৰাৰ কথা চিন্তা কৰিলেই আমাৰ দেশত উদ্যোগ হব নোৱাৰে। গতিকে আমাৰ ৰাজ্যত কি কি উদ্যোগ হয়, কি কি বস্তুৰ পৰা কি কি উদ্যোগ হব এই সকলো কথা ভালকৈ চিন্তা কৰি আচনি তৈয়াৰ কৰিব লাগে। আমাৰ অসমত এই বিভাগে ক্ষুদ্ৰ উদ্যোগ, মজলীয়া উদ্যোগ বিশেষকৈ এই দুয়োটা উদ্যোগৰ বিষয়ে আমাৰ অসমৰ লৰা ছোৱালীক অবগত কৰাৰ কাৰণে এটা ভাল প্ৰচাৰ ফৰ্ট নাইটলি কৰি জনসাধৰণক আকৃষ্ট কৰিব লাগে। এই পৰামৰ্শটো আগবঢ়াই মই মোৰ বক্তব্য সামৰণি মাৰিলো ।

* মহম্মদ চামছুল হুদা :— মাননীয় চেয়াৰমেন মহোদয়, অসমৰ শিল্পৰ কথা উল্লেখ কৰোতে মনত পৰে যে যোৱা বছৰৰ কালছোৱাত আৰু স্বাধীনতাৰ পিচৰে পৰা শিল্প বিভাগে যিখিনি কাম কৰিছিল গোটেইখিনি কাৰ্য্যকলাপ ভাৰতবৰ্ষৰ দেশবিদেশৰ শিল্পপতি আৰু পুজিপতি সকলৰ স্বাৰ্থৰ কাৰণেই কৰিছিল। আৰু শিল্প প্ৰতিষ্ঠা কৰিবলৈ যাওতে নানান ৰকমৰ পশ্চাদঘাট মূলক কাম চলাইছিল । আৰু সাধাৰণতে দেখা যায়, ইয়াৰ ভিতৰত বৰমুৰীয়া কৰ্ম্মচাৰী সকলে সদায় ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত থকা দেশী—বিদেশী পুজিঁপতি সকলৰ পক্ষে আৰু প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে কাম কৰি আহিছে । সেই পদ্ধতি আজিলৈকে চলাইছে।

চেয়াৰমেন মহোদয়, আমৰ শিল্প যদি ইয়াত গঢ়ি তোলা নাযায়, তেনেহলে এনে এটা দিন আহিব যেতিয়া লাখ লাখ মানুহে ভাতৰ অভাৱত, অন্নৰ বস্ত্ৰৰ অভাৱত মৃত্যু বৰণ কৰিব লগা হব। অৱশ্যে জৰুলীকালিন অৱস্থাত বৰ্দ্ধিত জনসংখ্যাক শিল্প প্ৰতিষ্ঠা কৰি কৰ্ম্ম নিয়োগ

* Speech not corrected

কৰি দিব নোৱাৰা কাৰণে, জীৱন নিৰ্ব্বাহৰ পথ লৈ দিব নোৱাৰাৰ কাৰণে, কংগ্ৰেছ চৰকাৰে জন্ম নিয়ন্ত্ৰনৰ নামত বলপূৰ্ব্বক ভাবে মানুহৰ অনাগত সোত বন্ধ কৰিবৰ কাৰণে চেষ্টা চলাইছিল। তাৰ পৰিনাম আজি তেওঁলোকে পাইছে।

শ্ৰীইব্ৰাহিম আলি :— চেয়াৰমেন মাহোদয়, মাননীয় সদস্যই পৰিয়াল পৰিকল্পনাৰ বিৰোধিতা কৰিছে।

শ্ৰীচামচুল হুদা :— মই কোৱা কথাৰ তেখেতে ভালকৈ গবেষণা কৰিলেই উত্তৰ পাব। চেয়াৰমেন মহোদয়, এই চৰকাৰে যদি সতৰ্কতা মূলক ব্যৱস্থা নলয় তেনেহলে দেশত যে তেনে এটা অৱস্থা নহব সেইটো কব নোৱাৰো। সেয়েহে মানুহ নিবনুৱা সমস্যা দূৰ কৰাৰ কাৰণে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে আমাৰ শিল্পৰ উদ্যোগৰ ক্ষেত্ৰত চৰকাৰে এটা বলিষ্ঠ পদক্ষেপ লব লাগিব। আৰু আগৰ গতানুগতিক অভ্যাস আৰু ব্যৱস্থা পৰিহাৰ কৰিব লাগিব।

চেয়াৰমেন মহোদয়, আমি যদি আমাৰ ৰাজ্যখনক শিল্পায়ন কৰিব বিচাৰো তেনেহলে কৃষিৰ ওপৰত যিখিনি মানুহৰ আপত্তি আছে তাৰ পৰা অন্ততঃ তিনি ভাগৰ দুই ভাগক শিল্প লৈ দিনব নোৱাৰো আৰু নিয়োগ কৰিব নোৱাৰো তেনেহলে অতুৰ ভৱিষ্যতে এই ৰাজ্যত এটা ভয়াবহ অৱস্থাৰ সৃষ্টি হব। আৰু পঞ্জীভূত শিল্প অঞ্চল বিলাকত আজি দেখা দিয়া নিবনুৱা সমস্যা অতি সোনকালে সমাধান কৰাৰ কাৰণে এই চৰকাৰে চেষ্টা কৰিব লাগিব। আমাৰ যিমান বিলাক জাতীয়কৰণ কৰা বেংক আছে তাৰ পৰা আৰু অন্যান্য বেংকৰ পৰাও চৰকাৰে পুজি সংগ্ৰহ কৰিব লাগিব আৰু যদি তাত বাধা আহি পৰে তেনেহলে সেই বাধা চুৰমাৰ কৰি প্ৰয়োজন হলে আইন তৈয়াৰ কৰি আৰু তাতোকৈ প্ৰয়োজন হলে কেন্দ্ৰীয় চৰকাৰৰ পৰা ক্ষমতা গ্ৰহণ কৰি এইটো কৰিবলৈ মই চৰকাৰক

আহ্বান কৰিছো। শিল্প প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অধিকতৰ ক্ষমতা গ্ৰহণ কৰিবলৈ এই চৰকাৰক আমি দাবী জনালো।

যদি শিল্প প্ৰতিষ্ঠা অধিকতৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব নোৱাৰে তেনেহলে এই চৰকাৰ শিল্প প্ৰতিষ্ঠাত কৃতকাৰ্য্য নহব। আমাৰ ইয়াত বৃহত্ত শিল্প হব পাৰে মজলীয়া শিল্প হব পাৰে আৰু কুটীৰ শিল্প সম্প্ৰসাৰণ সাধন কৰিব পাৰে। কিন্তু এই ক্ষেত্ৰত যোৱা ৩১ বছৰে যি পশ্চাদঘাটি কাম চলি গৈছে—তাক শুনিলে চেয়াৰমেন মহোদয় আপুনি শুনিলে আচৰিত হব। যোৱা বছৰ জনতা চৰকাৰ অহাৰ লগে লগে আমি দেখিবলৈ পাইছো ১ কোটি ১৪ লাখ টকা চাৰেন্দাৰ কৰিছে। ভাৰত চৰকাৰে এ আই দি চি টকা দিছিল ১ কোটি ১৪ লাখ কিন্তু আমাৰ উদ্যোগ বিভাগে খৰছ কৰিব নোৱাৰি কেন্দ্ৰীয় চৰকাৰক ঘুৰাই দিছে—

শ্ৰীজগন্নাথ সিংহ :— কেতিয়া দিছিল ?

* মঃ চামচুল হুদা :— যোৱা বছৰ। এই এ আই দিচিত যথেষ্ট কাম আছে কিন্তু কেনো কামে হোৱা নাই। ইয়াৰ কাৰণ হৈছে এই নিগমত এজন এম ভি স্কুলৰ পণ্ডিতক ইয়াত মেনেজিং ডিৰেক্টৰ কৰা হৈছে। এই নিগমত সদায়ে নন টেকনিকেল বিষয়া নিযুক্তি দিয়া হয়। ইয়াত আই এ এচ নহলে কাম নহয় নেকি ? তেওঁলোকেও ইয়ালৈ আহি কামৰ একো উৰাদিহ নাপায় ভতাতৈয়াকৈ আতৰি যোৱাৰ চেষ্টা কৰে। উপাধ্যক্ষ মহোদয়, যোৱা তিনি মাহৰ ভিতৰত তিনিজন মেনেজিং ডিৰেক্টৰ বদলি হৈছে। শ্ৰীএ কে শইকীয়া, আই এ এচ এতিয়া দিল্লীত জিয়েদি বিভাগৰ কমিচনাৰ হৈ আছে, শ্ৰীএছ দি ফেনী, আই এ এচ ইতিমধ্যে

* Speech not corrected

চাৰি মাহ নৌহওঁতেই কমিচনাৰ অৱ প্লেইনচ হলগৈ, উদ্যোগ কৰিব পৰা অৱস্থা তেওঁৰ নাই। শ্ৰীপি এইচ ত্ৰিবেদী ১ মাহ হৈছে ইতিমধ্যে তেওঁ দিল্লীলৈ অহা যোৱা কৰিছেই পোষ্টিংৰ কাৰণে। গতিকে এই সকল নন টেকনিকেল মানুহক আই এ এচ হলেও দিয়াৰ ফলত এই উদ্যোগ বিভাগে উন্নতি কৰিব পৰা নাই। মই আপোনাৰ জৰিয়তে চৰকাৰক দাবী জনাইছো যাতে তাৰ সমাধান কৰে। চেয়াৰমেন মহোদয়, এটা আচৰিত কথা এই এ আই দি চিত কাৰীকৰী শিক্ষাত প্ৰশিক্ষণ দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৫ লাখ টকা দিছিল ২০০ জন যুবকক বিভিন্ন টেকনিকেল ট্ৰেইনিং দিবৰ কাৰণে, সাধাৰনতে ভাত মেট্ৰিক পাচ বা পিউ চায়েন্স পাচক সুবিধা দিব লাগে কিন্তু এই বিভাগে সেই ৫ লাখ টকাও খৰচ কৰিব নোৱাৰিলে আৰু শেষত গৈ ঘুৰাই দিলে। গতিকে ৰাজ্য চৰকাৰে কেনেকৈ শিল্প বিকাশ কৰিব খুজিছে আমি বুজি পোৱা নাই। সেই কাৰণে আমি কৈছো সচাকৈ যদি এই চৰকাৰে জণসাধাৰণক প্ৰতিশ্ৰুতি দিছে জনসাধাৰণৰ কিবা মঙ্গল কৰিব বুলি নিজৰ মন্ত্ৰী সভাও গঠন কৰিছে তেনেহলে বলিষ্ঠ পদক্ষেপ লওক আৰু উদ্যোগ বিকাশৰ কাৰণে আগবাঢ়ি আহক আমি আহ্বান জনাইছো।

চেয়াৰমেন মহোদয়, বৰ পৰিতাপৰ বিষয় আমাৰ চৰকাৰৰ দুৰ্ব্বলতাৰ কাৰণেই আজি অসমৰ সম্পত্তিৰ ওপৰত অসমৰ বাহিৰত শিল্প প্ৰতিষ্ঠা হৈছে। অথচ অসমত শিল্প হোৱা নাই। ধন্যবাদ দিছো পশ্চিমবঙ্গ চৰকাৰক। বিধান ৰায়ৰ চৰকাৰে ইমান শক্তিশালী আছিল যে সেই শক্তিশালি চৰকাৰ অসমত থকা হলে অসমত পেট্ৰোলিয়াম খনিজ তেলেৰে বাৰাউনীত শিল্প প্ৰতিষ্ঠা হব নোৱাৰে। আমাৰ মনত পৰে পশ্চিমবঙ্গত বিধান ৰায়ৰ চৰকাৰে লোহা তৈয়াৰ কৰা কাৰণে কেন্দ্ৰক পশ্চিমবঙ্গত উদ্যোগ কৰাৰ কথা কৈছিল—কিন্তু কেন্দ্ৰ মান্তি নোহোৱাত বিধান ৰায়ে কৈছিল 'নালাগে তোমালোকৰ ৰ মেটেৰিয়েল' আমি নিজে উদ্যোগ প্ৰতিষ্ঠা কৰিম। শেষত উপায়ন্তৰ হৈ সেই সময়ৰ প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে নিজে আহি হুকুম দিলে

আৰু টকাও দি থৈ গল। ঠিক তেনেধৰনৰ নেতৃত্ব আজি অসমত থকা হলে অসমৰ খাৰুৱা তেল বাহিৰত নি বিহাৰত শিল্প প্ৰতিষ্ঠা কৰিব নোৱাৰিলেহেতেন। ইয়াৰ ফলত আজি অসমে চেল টেক্স পোৱা নাই, অসমৰ লৰাই সংস্থাপন পোৱা নাই। আৰু তাৰ পৰা যিখিনি বাই প্ৰডাক্ট হ'লহেতেন তাৰ পৰা আৰু বিভিন্ন কাৰখানা প্ৰতিষ্ঠা কৰিব পাৰিলেহেতেন সেইখিনিও হোৱা নাই। এই কুদ অয়েল বা প্ৰেট্ৰোলিয়ামত ২৭২ টা বাই প্ৰডাক্ট আছে আৰু তাৰ পৰা ২৭২ টা প্ৰতিষ্ঠা হ'লহেতেন । আনহাতে এইখিনি বস্তুৰে অসমত এটা তেল শোধনাগাৰ ধুনীয়াকৈ হয়। সেই কাৰণে মই দাবী জনাইছো অসমৰ খাৰুৱা তেলেৰে অসমত শোধনাগাৰ কৰক—বাৰাউনীলৈ পাইপেৰে তেল যোৱা বন্ধ কৰক--বাৰাউনীয়ে হাৰদিয়াৰ নিচিনা ৰেলেগৰ পৰা মেটেৰিয়েলচ অনাৰ ব্যৱস্থা কৰক আৰু তাৰ কাৰণে কেন্দ্ৰক দাবী জনাওক আৰু তেওঁলোকক জনাই দিয়ক যে অসমৰ জনসাধাৰনে কৰা আৱশ্যকীয় আন্দোলন বিশ্বাসত লব লাগে। আজি আমি কিছুমান ক্ষেত্ৰত দেখিছো সামান্য টকা পইচা খৰচ কৰিলে শিল্প প্ৰতিষ্ঠা হব পাৰে। চেয়াৰমেন মহোদয়, আপুনি শুনি আচৰিত হব আজি মধ্য প্ৰাচ্যৰ দেশ বিলাক তেলেৰে চহকী হৈছে। আপোনালোকে জানে কুৱেট বুলি যিখন দেশ আছে তেওঁলোক বালিয়ে বালিয়ে ঘুৰি ফুৰিছিল অঘৰীৰ দৰে, বছৰত ১২ মাহেই বাহিৰত থাকে। সেই কুৱেটত আজি ঘৰে ঘৰে তিনিখনকৈ এম্বাচাদৰ গাড়ী কৰিছে। অথচ আজি অসমৰ তেল বাহিৰলৈ যায় আৰু অসমৰ মানুহ ভিক্ষাৰি হৈছে। আৰু খাৰুৱা তেলৰ শিল্প প্ৰতিষ্ঠা কৰি আজি কুৱাট ধনী দেশ। আজি অসমৰ লৰাই চাকৰি পোৱা নাই, অসমৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হোৱা নাই, সকলো টকা পইচা অসমৰ বাহিৰলৈ গৈছে । অথচ আজি সেই অসমৰ বনজ সম্পদেৰে বিৰলাই লণ্ডনত কোম্পানী খুলিছে। অসমৰ পৰা বোম্বেলৈ ট্ৰাকেৰে-একোখন ট্ৰাকত ৫ হাজাৰকৈ দি নিছে-- লৈ গৈ বোম্বেৰ পৰা সেই কাঠ বাহিৰলৈ নি তাত গৈ উদ্যোগ প্ৰতিষ্ঠা কৰিছে। আমি কিয় তাক

আজি অসমৰ বজাৰত বিক্রি কৰিব নোৱাৰো। গতিকে শিল্প প্রতিষ্ঠাৰ ক্ষেত্ৰত নিশ্চয় পশ্চাদঘাটি কৰিছে বুলি কব লাগিব।

পাৰাফিন ওৱাক্স আজি অসমৰ ভিতৰত যথেষ্ট উত্পাদন হয়। কিন্তু আজি ৩২ বছৰে কি হল? লাইচেন্স দিলে, ব্লেক মার্কেটিং কৰি অসমৰ বাহিৰলৈ নি শিল্প প্রতিষ্ঠা কৰিছে। ইয়াৰ দ্বাৰা বুটৰ পলিচ তৈয়াৰ কৰিব পাৰিলেহেতেন। কাগজৰ প্রলেপনত পাৰাফিন ওৱাক্স ব্যৱহাৰ হয়। কিন্তু এই বিলাক ব্লেক মার্কেটত বিক্রি হোৱাৰ ফলত পাৰাফিন ওৱাক্সৰ বিভিন্ন শিল্প প্রতিষ্ঠা কৰিব নোৱাৰিলে। অসমত কুহিয়াৰ উত্পাদনৰ বাবে উপযোগী মাটি আছে। এই কুহিয়াৰৰ দ্বাৰা আমি যথেষ্ট পৰিমাণৰ চেনী কল প্রতিস্থা কৰিব পাৰিলোহেতেন। বৰ্ত্তমান অসমত দুটা চেনিকল চলি আছে। আমাক তেনেবিধৰ আৰু ১৬ টা চেনিৰ কল লাগে। তাৰ যোখাৰে কুহিয়াৰ উত্তপাদন কৰিব পৰা মাটি অসমত আছে। কিন্তু ৩২ বছৰ কংগ্রেছৰ আমোলত চেনীকল প্রতিস্থা হল দুটা। সেই কাৰণে মই কৈছো বলিষ্ঠ পদক্ষেপ লৈ অন্ততঃ ১৮/২০ টা চেনীকল প্রতিস্থা কৰাৰ কাৰনে ব্যৱস্থা কৰক। আমাৰ ইয়াত পেপাৰ মিল তৈয়াৰ হবপৰা যথেষ্ট কেচামাল আছে। এই পেপাৰ মিল প্রতিস্থা কৰিব পাৰিলে আমাৰ নিবনুৱা যুবক সকলক কৰ্ম্ম সংস্থান দিব পৰা হলহেতেন আৰু তাৰ জৰিয়তে চৰকাৰৰ ভড়াললৈ ধন আহিলহেতেন। তত্থপৰি নিবনুৱা সকলৰ পৰিয়ালৰ অৱস্থা টনকিয়াল কৰিব পৰা হলহেতেন। তাৰোপৰি অসমৰ বাহিৰত তথা আন্তৰ্জাতিক ক্ষেত্ৰত বজাৰ দখল কৰিব পাৰিলোহেতেন। আমি তেলৰ ক্ষেত্ৰত দেখিছো সৰিয়হে আমাৰ চাহিদা পূৰণ কৰিব নোৱাৰে। আমাৰ ইয়াত নাৰিকল তেল উৎপাদন কৰা কাৰখানা নাই। নাৰিকল উৎপাদন কৰি তাৰ তেলৰ দ্বাৰা খোৱা তেলৰ অভাৱ পূৰণ কৰিব পৰা গ'লহেতেন। এই নাৰিকল তেল উৎপাদন কৰিব নোৱাৰালৈকে সৰিয়হৰ তেলে অসমৰ চাহিদা পূৰণ কৰিব নোৱাৰে। আমাৰ ইয়াত ৰাইচ ব্রেণ্ড প্রতিস্থা কৰা হৈছিল।

অসমৰ তেল বনোৱা মিলক ৰক্ষণা-বেক্ষণ দিব নোৱাৰাৰ কাৰণে ভাৰতৰ অন্যান্য ৰাজ্যত থকা ব্যৱসায়ী সকলে এই ৰাইচ ব্ৰেণ্ড অসমৰ বাহিৰলৈ লৈ গৈ বিদেশলৈ চালান দি বিদেশী মুদ্ৰা অৰ্জণ কৰিছে। তাৰোপৰি আমাৰ বিভিন্ন তেল ৰিফাইন কৰি খাদ্যৰ উপযোগী কৰিব পৰা হলে চিজ্জলা খাব লগা নহলহেতেন আৰু ভেজাল তেল খাব লগা নহলহেতেন। কিন্তু অসমত নাৰিকল তেল কৰিবৰ কাৰণে বা অন্যান্য তেল ৰিফাইন কৰিবৰ কাৰণে কাৰখানা নাই। এই বিলাক যেতিয়ালৈকে নহয় তেতিয়ালৈকে তেলৰ চাহিদা পুৰণ কৰিব পৰা নহব।

তাৰ পিচত অসমত কুটিৰ শিল্প পৃথিবীৰ ভিতৰতে বিখ্যাত। কুটিৰ শিল্প বস্তু সমূহ জীয়াই ৰখাৰ ব্যৱস্থা কৰিব পাৰিলে গৰীব জনসাধাৰণকো জীয়াই ৰখাৰ ব্যৱস্থা কৰিব পৰা যাব। অসমৰ কুটিৰ শিল্প এনেকুৱা কিছুমান আপুৰুগীয়া বস্তু তৈয়াৰ হয় যিবিলাক পৃথিবীৰ কোনো দেশতে নহয়। গতিকে এইবিলাকৰ দ্বাৰা বিদেশী মুদ্ৰা অৰ্জণ কৰিব পাৰো। আমি শিল্পৰ গুনগত অভ্যাস এৰি বলিষ্ঠ পদক্ষেপ লৈ শিল্প প্ৰতিষ্ঠা গঢ়ি তুলিব লাগিব। এই খিনিকে আহবান জনাই কৰ্ত্তণ প্ৰস্তাবটো দাঙি ধৰি মোৰ বক্তব্য সামৰিলো।

(At this stage Mr, Deputy speaker occupied the chair being vacated by the chairman.)

দেৱান জয়নাল আবেদিন :— উপাধ্যক্ষ মহোদয়, শিল্পৰ শিতানত যি কেইটা কৰ্ত্তণ প্ৰস্তাৱ অনা হৈছে তাক সমৰ্থন জনাই মই দুষাৰ কব খুজিছো। জনতা চৰকাৰ গাদীত বহাৰ আগত প্ৰতিশ্ৰুতি দিছিল যে ৰাজ্যখনৰ উদ্যোগ, অৰ্থনৈতিক অৱস্থা, নিবনুৱা সমস্যাৰ ক্ষেত্ৰত এটা আমূল পৰিবৰ্ত্তন আনিব। কিন্তু বাস্তত ক্ষেত্ৰত বিশেষকৈ শিল্পৰ বেলিকা সেই প্ৰতিশ্ৰুতি সমূলি ৰক্ষা

কৰা নাই। আমি হতাশ হৈছো যে আগৰ দৰে পুৰণা শিল্পবিলাক বন্ধ হৈ গৈ আছে। নতুন শিল্প উদ্যোগ গঢ়ি তোলাৰ বলিষ্ঠ প্ৰচেষ্টা চৰকাৰে হাতত লব পৰা নাই। যি বিলাক উদ্যোগ আগতে বন্ধ হৈ আছিল সেইবিলাক খোলাৰ কোনো প্ৰচেষ্টা কৰা নাই। আমি দেখি আছো যে চৰকাৰী বেচৰকাৰী উভয় খণ্ড শিল্প উদ্যোগ মৰি গৈ আছে। ক্লজাৰ হৈছে, লক আউট হৈছে আৰু ব্যাপক ভাবে শ্ৰমিক চাটাই হৈ আছে। ফলত শিল্প খণ্ডৰ উৎপাদন আগৰ দৰে ব্যাহত হৈ আছে। শিল্প উত্পাদন বৃদ্ধিৰ গতি এটা স্থবিৰ অৱস্থা আহি পাইছে। এই গতিৰ যদি পৰিবৰ্ত্তন কৰা নাযায় তেনেহলে ৰাজ্যখনৰ অৰ্থনীতিৰ ক্ষেত্ৰত কোনো উল্লেখ যোগ্য পৰিবৰ্ত্তন সাধন কৰাটো সম্ভৱ নহব। এই ক্ষেত্ৰত যি বলিষ্ঠ পদক্ষেপ আৰু দুৰদৃষ্টিৰ দৰকাৰ আছিল সেইটো শিল্প বিভাগত আমি দেখা নাই। অকল যে নতুন শিল্প খোলা হোৱা নাই সেয়ে নহয় পুৰণা শিল্প বন্ধ হৈ গৈ আছে আৰু যি খিনি শিল্প চলিয়েই আছে তাৰো উৎপাদন কাৰ্য্য লেহেম গতিত চলিছে। বাজেট ভাষণত আমাৰ বিত্ত মন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে অসমত অন্যান্য ৰাজ্যৰ দৰে শিল্প উদ্যোগ গঢ়ি তুলিবলৈ হলে বেচৰকাৰী খণ্ডই সহায় কৰিব নোৱাৰে চৰকাৰী খণ্ডই বলিষ্ঠ ভাৱে আগবাঢ়ি আহিব লাগিব।

Mr. Deputy Speaker : Order, order, it is 6 p.m. now, the Honourable member will resume his speech tomorrow. Before we go to item No. 3, I allow Biresh Misra to raise matter.

## MISELLANEOUS

শ্ৰীবীৰেশ মিশ্ৰ :— উপাধ্যক্ষ মহোদয়, আমি যে বিষয়টা উৎথাপন করতে যাচ্ছি সে বিষয়টি অত্যন্ত গুরুত্ব এবং এ সম্পর্কে আমি রাজস্ব

মন্ত্রী এবং মুখ্য মন্ত্রীর মনোযোগ আকর্ষণ করছি।

মহোদয় গত ২৭-২৮ ফেব্রুয়ারী তারিখে আমাদের কাবি আংলং জেলার বরবাড়ী অঞ্চলে প্রায় ৪০০ পরিবারকে উচ্ছেদ করা হয়। এর পর আবার এই ১৯ মার্চ তারিখে ঘর বাড়ী ভেঙ্গে এই উচ্ছেদ কার্য্য আরো গভীর ভাবে চলে এমন কি বুল ডোজারের সাহায্যে সমস্ত ঘরদোর ভেঙ্গে একেবারে সমতল ভূমির জমির সঙ্গে মিশিয়ে দিয়েছে। কাবি আংলং জেলায় এই কাজ হয়েছে। তারা যে অটোনোমাস্ ডিষ্ট্রিক্ট তাতে কোন সন্দেহ নাই। তাদেরকে আইন গত ভাবে দায়ী করছি না। কিন্তু ব্যাপারটা এইটুকুতেই শেষ হলে আজকে এইসদনে আমি এই প্রস্তাব তুলে ধরতাম না। এই ঘটনার পেছনে একটা করুণ ইতিহাস রয়েছে। সেটা মাননীয় সদস্যগণ নিশ্চই জানেন। যে লোকগুলিকে উচ্ছেদ করা হচ্ছে তারা স্বাধীনতার পূর্ব্বমূহূর্ত্তে নোয়াখালিতে যে রায়ট হয়েছিল তার ফলে সর্ব্বস্বান্ত হয়েছিলেন। এই লোকগুলির জীবন যাতে রক্ষা পায় তার জন্য স্বয়ং মহাত্মা গান্ধীও নোয়াখালি গিয়ে এই সমস্যার সমাধান করতে চেষ্টা করেছিলেন। যারা সেখানে (নোয়াখালীতে) কোনরকমে টিকতে পারেন নি তারাই আসামে এসে আশ্রয় নিয়েছিলেন তৎকালিন চীফ সেক্রেটারী কিডোয়াই সাহেবের সহায়তায় এই সমস্ত লোককে সেখানে আশ্রয় দেওরা সম্ভব হয়েছিল। এই অঞ্চল তখন নওঁগা জেলার অন্তর্গত ছিল। উপাধ্যক্ষ মহোদয়, যে অঞ্চলে তাদেরকে আশ্রয় দেওয়া হয়েছিল সেখানে আগে বাঘ ভালুক বাস করতো। আমাদের দেশ স্বাধীন হওয়ার পরে এই যে লোকেরা সেখানে বসতি করেছে তারা যতটা জমি রিক্লেমেশন করেছিল, সরকারী সাহায্য ব্যাতিরেকেই রিক্লেমেশন করেছে—৩২ বৎসরের ইতিহাসে সরকারী এবং বেসরকারী উদ্যোগে এই রকম জমি রিক্লেমেশন হয়। প্রায় ৫০ হাজার বিঘা জমি তারা আবাদ করে এবং প্রায় ২২০০ পরিবার সেখানে

তাদের প্রায় ৮ হাজার ঘর তৈরী করে সেখানে বসতি স্থাপন করে। তারপর এই অঞ্চল যখন ডিষ্ট্রিক্ট কাউন্সিলের হাতেগেল তখন আসাম সরকারও এই ডিষ্ট্রিক্ট কাউন্সিলের মধ্যে কথাবার্তা হয়। কিন্তু ডিষ্ট্রিক্ট কাউন্সিলের পক্ষথেকে সেখান থেকে সমস্ত পরিবারকে নির্মমভাবে উচ্ছেদ করা হয়। যার নজীর আসামের ইতিসাসে নাই। সেখানে প্রায় ২২০০ পরিবারের প্রায় ৮ হাজারটি ঘর পুড়ে ছাই করে দেওয়া হয়। হাতী দিয়ে উচ্ছেদ করলে নাকি সময় লাগবে—কাজেই তারা ৫০ হাজার বিঘা জমির উপর থেকে আগুন লাগিয়ে নির্মমভাবে উচ্ছেদ করেছে। কি ভয়াবহ পরিস্থিতি— আমি নিজে এই ঘটনার সময় সামনে উপস্থিত ছিলাম। একদিকে পুলিশ গুলি চালিয়েছে আর অন্যদিকে কার্বি আলং এর নিরীহ লোকেদেরে নিয়ে এসে এক যুদ্ধের মতো অবস্থায় সৃষ্টি সেখানে করা হয়েছিল। গুলিচালনার ফলে ৭ জন লোক সেখানে মারা যায় আর ১৮ জন লোক আহত হয়। তার পর তদানীন্তন গভর্নর শ্রীনাগেশর সঙ্গে যখন আমরা আলাপ করি তখন তিনি তদানীন্তন মুখ্যমন্ত্রীকে ডেকে এনে এইসব হতভাগ্য লোকেদের ব্যবস্থা করার জন্য আমাদের সামনে বলেছিলেন। কিন্তু এই শেষ নয়। এর জের আসাম সরকারের ঘাড়ে এসে পড়ে। ১৯৬১ ইংতে যখন এই সব লোকদের ব্যাপারে আসাম সরকার কোন ব্যবস্থা করতে পারলেন না তখন এই লোকগুলির মধ্যথেকে প্রায় ৪০০ পরীবার পশ্চিম বাংলায় জলপাইগুড়িতে গিয়ে জলপাইগুড়ি ক্যাম্পে বসবাস করতে লাগলো। কিছুদিন এদেরে থাকা খাওয়ার ব্যবস্থা করে তখনকার পশ্চিম—বাংলা সরকার আসাম সরকারের সঙ্গে যোগাযোগ করে আসামে যাবার ভাড়া দিয়ে বললেন যে তোমরা আসামে ফিরে যাও। আর যে জেলায় তোমরা থাকবে সেখানকার ডি সির সঙ্গে আমরা আলাপ করেছি—সেখানেই তোমাদের সুরাহা হবে। এর ফলে এই ৪০০ টি পরিবার ফিরে আসলো আর ২০০ টাকা

করে তাদেরে দিয়ে সেই যায়গায় বসানো হলো। আসামের তখনকার কংগ্রেস সরকার ডিস্ট্রিক্ট কাউন্সিলের সঙ্গে এই এগ্রিমেন্ট করেছিল যে তারা পরে এদেরে সরিয়ে নেবেন। ইতিপূর্বে জেলা কাউন্সিল মাত্র ৪৫০ টি পরিবারকে গ্রহন করেছিল। আর তারা অন্য লোককে স্থান দিতে রাজি হলো না। কিন্তু অতীব দুঃখের বিষয় যে কংগ্রেস সরকারের আমলে এতদিন গেল আর জনতা সরকারের ১ বৎসর হয়ে গেল কিন্তু এই লোকগুলিকে এই কার্বি আংলং থেকে ফিরিয়ে আনার কোন ব্যবস্থা করা হলো না। এখন ডিস্ট্রিক্ট কাউন্সিল এইসব লোক-দেরে গত ২৭।২৮ ফেব্রুয়ারী তারিখে উচ্ছেদ করেছে। সুতরাং আজ যে অবস্থা সেখানে দাড়িয়েছে তা অত্যন্ত ভয়াবহ। এই কার্বি আংলং এ কেবল বুলডজার দিয়ে ঘরবাড়ী ধ্বংস করেই তারা ক্ষান্ত থাকে নি—জলের কুয়ো পর্যন্ত তারা ভর্তি করে দিয়েছে। বুলডজার ও কার্বি আংলঙের নিরীহ লোকদের এই কাজে নিয়োগ করা হয়েছে।

মাননীয় উপাধ্যক্ষ :— শেষ করুণ।

শ্রীবীরেশ মিশ্র :— শেষ অধ্যায়। আজ ওখানে, ফরেষ্ট রিজার্ভে এক সাইবোর্ড লাগিয়ে দিয়ে তাদেরে তার ভিতরে যেতে দি'চ্ছ না। তাদের যে সমস্ত অস্থাবর সম্পত্তি ছিল এই গুলি আনার জন্যও তারা সেখানে যেতে পারছে না আর পানীয় জলের অভাবে এবং মুক্ত আকাশের নিচে পড়ে থেকে ওদের মধ্যে কলেরা, হমল পক্স ইত্যাদি ব্যাধি দেখা দিচ্ছে। গত ২.১ দিন আগে ১টি লোক এই ব্যাধিতে মারা গিয়েছে এবং আরও বহু লোক মৃত্যুর অপেক্ষায় রয়েছে। এখন তাদের এক বিন্দুও খাবার জল নাই। এই পরিস্থিতিতে আমি আপনার মারফৎ আমাদের মুখ্যমন্ত্রী এবং রাজস্ব মন্ত্রী মহোদয়কে মানবতার দিক থেকে বিচার করে কি ভাবে এই লোকগুলিকে বাচানো যায় এবং যে অবস্থার জন্য তারা দায়ী নয়,

সেই সময়ের চুক্তি অনুযায়ী এই ৪০০ শত পরিবারের দুই হাজার লোককে ফিরিয়ে আনার জন্যই আজ তারা নিঃশেষ হতে চলেছে। এই অবস্থা উপস্থিত করার জন্য, উপাধ্যক্ষ মহোদয়, আমি আপনার অনুমতি চেয়েছিলাম। আপনাকে ধন্যবাদ—আমাকে আপনি সুযোগ দিয়েছেন ওদের কথা বলার জন্য। আর আপনার মাধ্যমে আমি মন্ত্রী মহোদয়ের নিকট থেকে তাদের বক্তব্য শুনতে চাই। আমি এই নোটীশ এবং বিবরন মখ্যমন্ত্রীর কাছে দিয়ে যেতে চাই।

আর একটা পয়েন্ট, এই ব্যাপারে মুখ্যমন্ত্রীর সঙ্গে আমার আলাপ হয়েছিল। তিনি বলেছিলেন যে গত ২-৩ দিন আগে ডিস্ট্রিক্ট কাউন্সি-লের মেম্বাররা তার কাছে যখন আসবেন তখন তিনি এই ব্যাপারে তাদের সঙ্গে আলোচনা করে ব্যবস্থা করবেন। আমি জানিনা তিনি তাদের সঙ্গে কিছু আলাপ করতে পেয়েছেন কিনা। যদি করে থাকেন তা হলে তার রেজাল্ট তিনি নিশ্চয়ই আমাদেরে জানাবন।

* শ্ৰীপোলাপ বৰবৰা :— উপাধ্যক্ষ মহোদয়, বৰবৰা গাওঁৰ ঘটনা সম্পৰ্কত যিটো কথা মাননীয় সদস্য শ্ৰীবীৰেশ মিশ্ৰই কৈছে এইটোত এটা করুণ পশ্চাতভূমি আছে। কাৰণ বহু বছৰ আগতে যেতিয়া তাত মানুহ আহি উপস্থিত হৈছিল আৰু বহিছিল তেতিয়া কাৰবি আংলং জিলাৰ সীমা নিৰ্দ্ধাৰণ হোৱা নাছিল। তেতিয়া চৰকাৰে ব্যৱস্থা ইত্যাদিৰ যোগেদি কিছু-সংখ্যক মানুহক তাত বহুৱাইছিল। কিন্তু তাৰ পিছত দুৰ্ভাগ্য বিষয় যে সেই অঞ্চলটো কাৰবি আংলং জিলাত পৰিল। আৰু ষষ্ঠ অনুসূচীৰ যিটো ব্যৱস্থা সেই ব্যৱস্থা মতে সেই জিলাৰ বাহিৰে অন্য মানুহে মাটি পোৱাৰ অসুবিধা। সেই কাৰণে তাত আমাৰ চৰকাৰৰ

* Speech not corrected

তৰফৰ পৰা বসবাস কৰিবলৈ বা স্থায়ী বসবাস কৰিবলৈ দিব পৰাটো সন্তুৰপৰ নহয়। এইদৰে বহু বছৰ উকলি গ'ল। ইয়াৰ ভিতৰতে আন ঠাইত বিকল্প ব্যৱস্থা কৰাৰ সুবিধা আছিল সেইটোও নহল। এতিয়া এই সমস্যাটো আমাৰ আগত আহি উপস্থিত হৈছেহি। এইসকল মানুহক সদ্যহতে কি সুবিধা দিব পৰা যায় আৰু ভবিষ্যতে আন ঠাইত পুনৰ বসতিৰ ব্যৱস্থা কি কৰিব পৰা যায় এই সম্পৰ্কত নিশ্চয় সহানুভূতিৰে বিবেচনা কৰা যাব।

শ্ৰীবীৰেশ মিশ্ৰ :– ডিষ্ট্ৰিক্ট কাউন্সিলৰ অভিমত কি ?

শ্ৰীগোলাপ বৰবৰা :— দুৰ্ভাগ্যবশতঃ সেই সময়ত মই অসুস্থ হৈ থকাৰ কাৰণে তেখেত সকলে স্মাৰক পত্ৰ দি গুচি গ'ল।

* শ্ৰীছামচুল হুদা :— উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে কিছুদিনৰ আগতে চৰকাৰে ঢাক-ঢোল কোবাই চাৰ্ভিচ ভলন্টিয়াৰ স্কীম লৈ বহুত নিবনুৱাক সংস্থাপন কৰিছিল। এতিয়া সেই সকলক জাননী দি কামৰ পৰা খেদাই দিছে। ইয়াৰ ফলত তিনি শ মান কৰ্মচাৰী নিবনুৱা হৈছে। মই এই গুৰুত্বপূৰ্ণ বিষয়টো লৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

Shri Lakhyadhar Choudhury :— Sir, Govt. of India drawn up a scheme in the year 1974 called Notional Survice Voluntears Schemes. The objectives of the schemes was to provide adequate opportunities to the graduates volunteers for participation in rural development under these schemes. It was envisaged

* Speech not corrected

to recruit the volunteers for a year including period of orientation training in rural areas on specified programs like Adult Education, Non—Formal Education, Elementary Education etc. Accordingly, State Govt. adopted a schme and this deptt. chalked out three specific programmes viz (i) Primary Education, (2) Adult Literary and sports and games and (3) Mobile Library Service. It was intended to recruit one volunteer in each block under each scheme. First scheme was implemented through the Director of Elementary Educotion while the two schemes were implemented through the Social Education Wing of D. P. I. Under Primary Education, as many as 121 volunteers are recruited covering all Districts of plains Dist. The volunteers could not be paid their stipends of Rs. 175/ p. m. as there is no budget provision under appropriate Head of Accounts. The required amount was provided by supplementary Demand and sanction had already been issued. As the vounteers are to be engaged for one year only as per Govt. of India's scheme, their services shall stands terminated on completion of one year.

* শ্ৰীছামচুল হুদা :— এই নবা বিলাকক লোৱাৰ সময়ত স্থায়ী ভাবে নিযুক্তি দিয়া হব বুলি কৈছিল। এতিয়া যিহেতুকে তেওঁলোক

* Speech not corrected

নিবনুৱা হ'ল সেই কাৰণে এই বিভাগতে নহলে অন্য বিভাগত হলেও সংস্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীলক্ষ্যধৰ চৌধুৰী :— আমাৰ সকলো নিবনুৱাৰ প্ৰতিয়ে সহানুভূতি আছে। এইসকলক এক বছৰৰ কাৰণে লোৱা হৈছিল আৰু তেওঁলোকে এবছৰ কাম কৰিলে। তেওঁলোকক এই এবছৰৰ টকাকে দিব পৰা নহৈছিল। চাপ্লিমেণ্ট বী ডিমাণ্ড পাচ কৰিহে দিয়া হৈছে।

* শ্ৰীহৰেন্দ্ৰ গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, এমাহ মান আগতে গাড়ীগাওঁত ২০-২৫ ঘৰ মানুহৰ ঘৰ পুৰি শেষ হৈ গল। এই মানুহখিনিয়ে উপায়ুক্তক দৰ্খাস্ত দিছিল যদিও তিনি শ টকা, এশ টকাৰ কথাই নাই ২৫ টকাকৈয়ো দিয়া নাই। গতিকে উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে অলপ ব্যৱস্থা কৰে।

শ্ৰীলক্ষেশ্বৰ গোঁহাই :— যিহেতুকে এই কথাটো এতিয়াহে আমাৰ দৃষ্টিলৈ আহিছে সেই কাৰণে এই সম্পৰ্কত ব্যৱস্থা কৰা হব।

* শ্ৰীএ,এন, আক্ৰাম হুচেইন :— মাননীয় উপাধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপৰ বকো সমষ্টিৰ উত্তৰ-পশ্চমে ১৫ মাইল দূৰত নামদাং, নালাপাৰা আৰু ৰাটাইকুছি অঞ্চলত কিছুদিনৰ পৰা অস্বাভাৱিক উত্তাপৰ ফলত গৰু ম'হ ৰব নোৱাৰা হৈছে। আনকি বন্য জন্তুও তাত থকা তিনিখন পাহাৰৰ পৰা পলাই গৈছে। তাত বহুতো শিয়ালো মৰিছে। অলপতে এই অঞ্চলত সপ্তাহত চাৰিবাৰ ভূমিকম্প হৈছে। আৰু এইটো ১৯৮০ চনৰ ভূমিকম্পৰ আগজাননী বুলি মানুহ আতংকগ্ৰস্ত হৈ পৰিছে। এতেকে মই অপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব খুজিছো।

* Speech not corrected

কোনো বিশেষজ্ঞ দলৰ দ্বাৰা এই অঞ্চলটো তদন্ত কৰাৰ ব্যৱস্থা কৰিব। ইয়াৰ ওচৰত চুণৰ খনিও আছে। সেইকাৰণে মানুহে বেছি ভয় খাইছে।

Shri A. F. Golam Osmani :— Hon'ble Deputy Speaker, Sir, on receipt of this information I consulted with the D. G. M. this afternoon and he assured me that so far as geological aspect is concerned there is nothing to worry. This type of thing can be very well said as natural phenomenon. Anyway, as the hon'ble members have expressed concern, we have requested him to make further enquiry into the matter.

শ্ৰীশূল বৰা :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা কেইদিন মানৰ আগতে উত্তৰ লক্ষীমপুৰ মহকুমাৰ বৰচলা গাওঁত কেইঘৰমান মানুহৰ ঘৰ জুই লাগি বিধ্বস্ত হৈছিল আৰু তাৰ বাহিৰেও উত্তৰ লক্ষীমপুৰ মহকুমাৰ ৰাজখোৱা গাওঁত ১৩ ঘৰ মানুহৰ ঘৰ অগ্নি কাণ্ডত সম্পূৰ্ণৰূপে ধ্বংস হৈছে। গতিকে বিষয়টো ৰাজহ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছো। এই লোক সকলৰ পুনৰ সংস্থাপনৰ কাৰণে কাৰ্য্য ব্যৱস্থা লবলৈ অনুৰোধ কৰিলো আৰু বৰচলা গাওঁত যি বিশ ঘৰ মানুহৰ সব ভস্মীভূত হল সেই সম্পৰ্কে অনুসন্ধান কৰি এটা বিবৃতি সদনত দিবলৈ অনুৰোধ কৰিলো।

শ্ৰীলক্ষেশ্বৰ গোহাঁই :— উপাধ্যক্ষ মহোদয়, বৰচলা গাওঁত ২০ ঘৰ আৰু ৰাজখোৱা গাওঁত ১৩ ঘৰ মানুহৰ ঘৰ ভস্মীভূত হোৱা যিটো কথা উত্থাপন কৰিছে সেই সম্পৰ্কে অনুসন্ধান কৰি পুনৰ সংস্থাপনৰ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰা হব।

Mr. Deputy Speaker :— Now item No. 3 - Shri

Hemen Das.

## CALLING ATTENTION

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত কটন কলেজ শিক্ষক সন্থাৰ চৰম পত্ৰ শীৰ্ষক বাতৰিটোলৈ শিক্ষামন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

* শ্ৰীলক্ষ্যধৰ চৌধুৰী :— মাননীয় উপাধ্যক্ষ মহোদয়; ১৯৭৯ চনৰ ২১।২।৭৯ তাৰিখে " দৈনিক অসম " বাতৰি কাকতত প্ৰকাশিত কটন কলেজ শিক্ষক সন্থাৰ " চৰম পত্ৰ " শীৰ্ষক সংবাদটোৰ সন্দৰ্ভত মই জনাব খোজো যে উক্ত শিক্ষক সন্থাৰ ১৬।২।৭৯ তাৰিখে বহা জৰুৰী সভাত উল্লেখিত দুটা দাবীৰ পৰিপ্ৰেক্ষিতত ২৫।১।৭৯ তাৰিখৰ আগতে চৰকাৰে তেওঁলোকৰ সিদ্ধান্ত ব্যক্ত নকৰিলে আন্দোলনৰ পথ গ্ৰহন কৰিব বুলি এটা প্ৰস্তাৱ লৈ চৰকাৰৰ দৃষ্টি গোচৰ কৰিছিল। এই দাবী দুটাৰ সন্দৰ্ভত চৰকাৰে সন্থাক আন্দোলনৰ পথ গ্ৰহন নকৰিবলৈ আৰু বিদ্যালয়ৰ স্বাভাৱিক অৱস্থা ব্যাহত ৰাখিবলৈ ১।৩।৭৯ তাৰিখে লিখিত ভাৱে শিক্ষাধিকাৰক কৰ্ত্তৃত্ব দিয়ে আৰু ইয়াৰ প্ৰতিলিপি কটন কলেজৰ অধ্যক্ষলৈকো পঠোৱা হয় আৰু শিক্ষাধিকাৰে সেই মৰ্ম্মে কলেজৰ অধ্যক্ষকে চৰকাৰৰ প্ৰতিশ্ৰুতিৰ পৰিপ্ৰেক্ষিতত সন্থাক তেওঁলোকৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ জনায়। ২।৩।৭৯ তাৰিখৰ সন্থাৰ চিঠিৰ মৰ্ম্মে ৫।৩।৭৯ তাৰিখৰ আগতে চৰকাৰৰ সিদ্ধান্ত ব্যক্ত নকৰিলে আগেয়ে লোৱা সিদ্ধান্ত বাহাল থাকিব বুলি সন্থাই চৰকাৰক জনায় আৰু তেওঁলোকৰ ১৯।৩।৭৯

* Speech not corrected

তাৰিখৰ চিঠিৰ দ্বাৰা পুনৰ স্পষ্টীকৰণ বিচাৰে। ইয়াৰ উত্তৰলৈ অপেক্ষা নকৰি ২০।৩।৭৯ তাৰিখত বহা জৰুৰী সভাত সন্থাই ২২।৩।৭৯ তাৰিখৰ পৰা সাধাৰণ কাম কাজৰ পৰা বিৰত থাকিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। সন্থাক পুনৰ চৰকাৰৰ ফালৰ পৰা আন্দোলন নকৰিবলৈ অনুৰোধ কৰা হয় যিহেতু তেওঁলোকৰ দাবী সমূহ চৰকাৰৰ বিবেচনাধীন হৈ আছে। এই সন্দৰ্ভত চৰকাৰে ইতিমধ্যে সিদ্ধান্ত লৈছে যে u. g. c. নিৰ্দ্ধাৰিত বেতন চৰকাৰী কলেজৰ শিক্ষক সকলক দিয়া হব। Encadermentৰ বিষয়ত চৰকাৰৰ সিদ্ধান্ত পৰিবৰ্ত্তন নহয়।

শ্ৰীহেমেন দাস :— উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। এই যে এনকেডাৰমেণ্ট কৰা সম্পৰ্কে কলে এই সম্পৰ্কত কি পলিচি লৈছে সেইটো শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— এই শিক্ষক সকলক এটা কেডাৰত আনিবলৈ জনতা চৰকাৰে এটা সিদ্ধান্ত লৈছে আৰু উচ্চ নীচ সকলোকে সম পৰ্য্যায়ৰ কৰাৰ কাৰণে এইটো এনকেডাৰমেণ্ট কৰা হৈছে আৰু তেনেধৰণেৰে ব্যৱস্থা লবলৈ ঠিক কৰা হৈছে। আগৰ পে কমিশ্যনৰ ৰিপোৰ্ট মতে সকলো শিক্ষকৰে সুবিধা হব বুলি ভাবিয়েই সেইটো কৰা হৈছে।

শ্ৰীঅজয় দত্ত :— শিক্ষা মন্ত্ৰী মহোদয়ে ইউ-জি-চি স্কেল দিয়াৰ কথা কৈছে সেইটো সকলোৱে ভাল পাব কিন্তু এই যে এনকেডাৰ কৰা হল তেনে ক্ষেত্ৰত টেকনিকেল আৰু নন্ টেকনিকেল কলেজে সমান সুবিধা পাব আৰু ডিফু বা হাফলং কলেজ আদিয়ে বেছি অসুবিধা পাব। এই ক্ষেত্ৰত আগৰ চৰকাৰে যিটো ব্যৱস্থা কৰিছিল সেইটো অন্যায় আছিল। যোৱা বছৰৰ পৰা সেই ব্যৱস্থাৰ পৰিবৰ্ত্তন হৈছে গতিকে আশাকৰো শিক্ষা মন্ত্ৰী মহোদয়ে এইকথা পুনৰ বিবেচনা কৰিব।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— পুনৰ বিবেচনা কৰা নহব। স্থিৰ সিদ্ধান্ত কৰা হৈছে, সমাজবাদী ভেটিত শিক্ষকসকলক আগুৱাই নিয়াৰ কাৰণেই এই কাম কৰা হৈছে।

শ্ৰীবানেশ্বৰ শইকীয়া :— এনকেডাৰমেণ্টৰ পলিচি সম্পৰ্কে শিক্ষা-মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। এই ক্ষেত্ৰত কটন কলেজ আৰু আন টেকনিকেল কলেজৰ শিক্ষকে একেই সুবিধা পাবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— সম্পূৰ্ণ ৰকমে ৰক্ষা কৰা হব। সম্পূৰ্ণ ৰকমে ৰক্ষা কৰা হব। মই দুবাৰ দোহাৰিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— টেকনিকেল কলেজৰ শিক্ষক সকলেও ইউ জি চি স্কেল পাব নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— পোৱাৰ দিহা কৰি থকা হৈছে।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— উপাধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে দিয়া বিবৃতিৰ আধাৰত দুই এটা স্পষ্টীকৰণ বিচাৰিছো। ইউ-জি-চি স্কেল দিব নোৱাৰিলে অন্ততঃ মাৰ্চৰ ভিতৰত দিব নোৱাৰিলে গাদী ত্যাগ কৰিব বুলি মন্ত্ৰী মহোদয়ে কৈছিল আৰু একত্ৰিশ মাৰ্চৰ ভিতৰতে ঘোষণা কৰাত আমি সন্তোষ পাইছো। পুনৰ বিবেচনা কৰা নহয় বুলি যিটো কথা কৈছে সেইটো হৈছে এনকেডাৰমেণ্ট সম্পৰ্কে। চৰকাৰে এটা দিশৰ কথাহে বিবেচনা কৰিছে। টেকনিকেল আৰু কটন কলেজৰ শিক্ষকসকলক একে পৰ্য্যায়ৰ সুবিধা দিয়া হল। ইতিমধ্যে মাননীয় সদস্য কেবাগৰাকীয়ে কৈছে যে ইঞ্জিনীয়াৰিং কলেজ আদি ইউনিভাৰ্চিটি গ্ৰেণ্ট কমিশ্যনে কন্ট্ৰোল নকৰে আৰু কটন কলেজ আদি ইউনিভাৰ্চিটি গ্ৰেণ্ট কমিশ্যনে কন্ট্ৰোল কৰিব। এই ক্ষেত্ৰত অসুবিধা আছে। এনকেডাৰমেণ্টৰ ক্ষেত্ৰত সকলো চাকৰিয়ালকে

একত্ৰীকৰণ কৰাৰ ফলত সেই শিক্ষক সকলৰ কথা চিনিয়ৰিটিৰ এটা কথা আহিব। সেইকথা চৰকাৰে বিবেচনা কৰিছেনে নাই মই নাজানো কিন্তু এইক্ষেত্ৰত চৰকাৰে এটা কঠোৰ মনোভাৱ নলৈ যিবিলাক আপত্তি উঠিছে সেই বিষয় বিলাক চৰকাৰে পুনৰ বিবেচনা কৰি সেই মতে ব্যবস্থা লোৱা উচিত বুলি মই বিবেচনা কৰো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— কঠোৰ মনোভাৱ লোৱা নাই। আমাৰ জনতা চৰকাৰৰ নীতি অনুযায়ী সকলো কলেজকে ডিফু আদি সকলোকে একে পৰ্য্যায়লৈ, সম পৰ্য্যায়লৈ আনিবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীঅজয় দত্ত :— ইয়াৰ ভিতৰত ইঞ্জিনীয়াৰিং ইনষ্টিটিউট পৰিব নেকি ?

(উত্তৰ নাই)

## MATTER UNDER RULE 301

Mr. Deputy Speaker :— Now item No. 4 - Shri Ramendra De.

Shri Ramendra De :— Sir, I beg to raise a matter under Rule 3o1 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in "Assam Darpan", 25th February, 1979 under the caption.

"পাক্কা খতিয়ান প্রাপ্ত চাবাগান প্রজাদের উপর উচ্ছেদের নোটিশ"

উপাধ্যক্ষ মহোদয়, আসাম রাজ্য সরকার নিয়ন্ত্রিত কোঃ অপারেটিভ পরিচালিত চেংকুৰী চা বাগানের পরিচালক বর্গ ইদানিং সরকারী পাক্কা খতিয়ান প্রাপ্ত শ্রীপ্রমোদ রঞ্জন দত্ত, সুরেন্দ্র দাস ও প্রায় ৪০।৫০ জন প্রজার বিরুদ্ধে তাহাদের কেন জমি থেকে উচ্ছেদ করা হবে না, তার কারণ দর্শাবার জন্য কোর্ট কেইস দায়ের করেছেন। পক্কা খতিয়ান প্রাপ্ত কয়েকজন কৃষকের খতিয়ান নং যথাক্রমে— ৬, ১৫, ১৪ প্রভৃতি। একজন কৃষকের ৭৭ নং কাচা খতিয়ানে জমির যে পরিমান ছিল পাকা খতিয়ানে একতরফ ভাবে কমিয়ে দেওয়া হয়েছে।

সংবাদে আরো বলা হয়েছে, প্রজাদের উপর কোর্ট কেইস দায়ের করার পূর্ব্বে চেংকুরা চা বাগান অঞ্চলে, পঞ্চয়েত নির্ব্বাচন মুহূর্ত্তে জমি সংক্রান্ত বিরোধ নিয়ে কৃষকদের মধ্যে এক সংঘর্ষের ফলে— একজন কৃষকের মৃত্যু ঘটে ও কয়েকজন আহত হয়। কৃষকদের মধ্যে বিভেদ সৃষ্টি করে প্রজা উচ্ছেদ পৰিকল্পনা কার্য্যকরীর প্রচেষ্টায় উক্ত মর্ম্মান্তিক ঘটনা ঘটেছে বলে আশংকা করা হচ্ছে। এবং উক্ত ঘটনাবলির সঙ্গে নির্দিষ্ট বাগান পরিচালক বর্গের হাত আছে সেজন্য আমি সরকারের দৃষ্টি আকর্ষণ করছি।

**Mr. Deputy Speaker** :— You are only to raise a matter and nothing move.

* শ্রীলক্ষেশ্বৰ গোহাঁই :— মাননীয় উপাধ্যক্ষ মহোদয়, সংবাদ-টোত কোৱা হৈছে যে কাছাৰ জিলাৰ ছেকুৰী চাহ বাগানৰ কৰ্ত্তৃপক্ষই উক্ত ৰাগানৰ মাটিৰ ৰায়ত আৰু পকা খতিয়ান পোৱা প্ৰায় ৪০।৫০ জন লোকক উচ্ছেদ কৰাৰ কাৰণে কাছাৰিত গোচৰ তৰিছে। তাৰোপৰি এজন ৰায়তৰ কেচা খটিয়ানত যি পৰিমানৰ মাটি আছিল সেই মাটি

* Speech not corrected

এক তৰফীয়াভাৱে ৰায়তৰ অজ্ঞাতে কমাই দিয়া হৈছে। বাতৰিটোত আৰু প্ৰকাশ যে, এই গোচৰ তৰাৰ পূৰ্ব্বে পঞ্চায়ত নিৰ্ব্বাচনৰ সময়ত মাটিৰ কাজিয়া লৈ ৰায়ত (কৃষক) সকলৰ মাজত এক সংঘৰ্ষৰ সৃষ্টি হয়। তাৰফলত এজন কৃষকৰ মৃত্যু আৰু কেইবাজনো আহত হয়।

উক্ত বাতৰিটোৰ সন্দৰ্ভত চৰকাৰৰ তৰফৰ পৰা কবলগীয়া এয়ে যে ছেনকুতি চাহ বাগানৰ ৰায়তৰ বিৰুদ্ধে কোনো উচ্ছেদৰ গোচৰ তৰা হোৱা নাই। বাগানৰ কৰ্ত্তৃপক্ষই অসম ৰায়তী স্বত্ব নিয়মাৱলীৰ ৩৭ ধাৰাৰ অধিনত কেইজনমান ৰায়তৰ খটিয়ান নাকচ কৰাৰ অৰ্থে ৪৩ খন আৰ্জি কাছাৰৰ বন্দবস্তি প্ৰাধিকাৰীৰ ওচৰত দাখিল কৰিছে। সেই গোচৰৰ শুনানিৰ বাবেহে আইন অনুসৰি অপৰ পক্ষক অৰ্থাৎ সংশ্লিষ্ট ৰায়ত সকলৰ ওপৰত নোটিচ জাৰি কৰা হৈছে। গতিকে বাতৰিটোত কোৱাৰ দৰে ৰায়তৰ উচ্ছেদৰ নোটিচ দিয়া কথা সত্য নহয়।

ছেনকুৰী চাহ ৰাগানৰ ৰায়তৰ দখলি স্বত্ব নিৰ্ণয় কৰিবৰ বাবে অসমৰ ৰায়তী স্বত্ব আইন আৰু নিয়মাৱলী অনুসৰি এটা প্ৰাৰম্ভিক জৰীপ চলোৱা হয়। এই জৰীপৰ পিছত ৩৩০৬ বিঘা ৮ ছটাক মাটিৰ ওপৰত ৰায়তৰ দখল পাই ৬১০ খন খচৰা খটিয়ান ৰায়তক দিয়া হয়। ইয়াৰ পিছত এটা চিলিং গোচৰত উক্ত বাগানৰ ৮০৪৬ বিঘা ২ কঠা ১২ ছটাক মাটি চিলিংৰ উদবৃত মাটি হিচাবে ঠিৰাং কৰা হয় আৰু এই মাটি অধিগ্ৰহন কৰি চৰকাৰৰ হাতলৈ অনা হয়। এনেদৰে অধিগ্ৰহণ কৰা কিছুমান মাটি ৰায়তৰ দখলত আছিল। এই ৰায়তসকলে আইন অনুসৰি আবন্তনৰ প্ৰমাণ পত্ৰ পায় আৰু যথাসময়ত তেওঁলোকক মাটিৰ মালিকী স্বত্ব দিয়া হব। চৰকাৰৰ হাতত ন্যস্ত হোৱা মাটিৰ ওপৰত থকা ৰায়তসকলক সেইবাবে পাকৃকা খাটিয়ান দিয়া প্ৰশ্নটো এতিয়া নুঠে। অধিগ্ৰহণ নকৰা অঞ্চলত ৰায়তৰ দখলত থকা ৩৬১ বিঘা ৩ কঠা ৫

ছটাক মাটিৰ বাবে এতিয়ালৈকে ১১৭ খন পাকৃকা খটিয়ান দিয়া হৈছে।

যোৱা ২৮।৯।৭১ তাৰিখে ছেংকুৰী বাগানৰ কৰ্তৃপক্ষই চিলিং গোচৰটোৰ বিৰুদ্ধে এটা আপীল কৰে। চৰকাৰে এই আপীলৰ পৰি প্ৰেক্ষিতত চিলিং গোচৰটো পুনৰ বিবেচনাৰ বাবে শিলচৰ সমাহৰ্ত্তালৈ পঠিয়ায়। আপীলৰ ফলাফল যিয়েইকি নহওক কোনো ৰায়তেই তেওঁলোকৰ মাটিৰ দখলৰ পৰা বঞ্চিত নহয়।

বাৰ্ত্তাটোত উল্লেখ কৰা হৈছে যে ৭৭ নংত খচৰা খাতিয়ানৰ মাটি এক তৰপীয়া ভাৱে কমাই দিয়া হৈছে। এই সন্দৰ্ভত মাননীয় সদস্য জনক জনাব খোজো যে এই খচৰা খতিয়ান খন মুঠতে ৯ টা দাগত ১৫ বিঃ ১০ কঃ৮ছঃ মাটিৰ বাবে শ্ৰীপ্ৰমোদন ৰঞ্জন দত্তৰ নামত দিয়া হৈছিল। চিলিং গোছৰত মাটি অধিগ্ৰহণ কৰোতে উক্ত মাটিৰ ভিতৰত ১৪ বিঃ ৮কঃ ৮ছঃ মাটিও চামিল হৈ চৰকাৰী হয়। উক্ত কাৰণে শ্ৰীদত্তক কেৱল ১ বিঃ ২ কঃ মাটিৰ বাবেহে পক্কা খতিয়ান দিয়া হৈছে। যদিও চৰকাৰে ১৪ বিঃ ৮ কঃ ৮ ছঃ মাটি চিলিঙত অধিগ্ৰহণ কৰিছে সেই মাটিৰ ৰায়তী স্বত্ব আৰু দখলৰ পৰা শ্ৰীদত্ত বঞ্চিত হোৱা নাই। আগতে কৈ অহাৰ দৰে থকা সময়ত তেওঁক উপৰক্ত মাটিৰ মালিকী স্বত্ব প্ৰদান কৰা হ'ব।

বাতৰি কাকতৰ সংবাদটোত মাটিৰ কাজিয়াৰ হেতু এজন কৃষকৰ মৃত্যু হোৱা আৰু কেইবাজনো আহত হোৱাৰ কথা উল্লেখ কৰা হৈছে। এই সন্দৰ্ভত মাননীয় সদস্যজনক জনাব খোজো যে ১২।১।৭৯ তাৰিখেই চৰকাৰে চিলিং গোচৰৰ অধিগ্ৰহণ কৰা এটুকুৰা মাটি লৈ পশ্চিম ৰিকোইন হতৰ বোলা এঠাইত দুটা দলৰ মাজত এক সংঘৰ্ষৰ সৃষ্টি হয়। এই সংঘৰ্ষৰ ফলত শ্ৰীমনি সিং বোলা এজন মানুহৰ মৃত্যু হয়। প্ৰাপ্ত

সংবাদমতে মনি সিং ৰায়ত কিম্বা ছেংকুৰী বাগানৰ বনুৱা নাছিল। ভাৰতীয় দণ্ড বিধিত ২৩। ৩৪। ৩০২ ধাৰাৰ অধীনত পুলিচে এই সংক্ৰান্তৰ এটা গোচৰ ৰুজু কৰিছে। গোচৰৰ নং হ'ল ৪০ (১)। ৭৯। শ্ৰীগোবিন্দ সিংহ নামৰ এজন মানুহৰ এজাহাৰৰ ভিত্তিত এই গোচৰ তৰা হয় আৰু এতিয়ালৈকে শ্ৰীকুকা দাস আৰু শ্ৰীপবিতোষ দেৱ নামৰ দুজন মানুহক পুলিচে গ্ৰেপ্তাৰ কৰিছে।

Mr. Deputy Speaker :— Before adjournment. Minister, Labour will make a statement in the House.

## STATEMENT BY MINISTER

* Shri Jagannath Sinha :— Mr. Deputy Speaker, Sir, the Kamrup Flour Mills is a private conern which grinds wheat on behalf of the army authorities on payment of the grinding charges under contract with the said authorities. Wheat ground in this mill meets the army's requirement through out the North Eastern Region, namely, the whole of the old Assam State and the North Bengal areas. The defence Authorities bring the wheat themselves to the factory and take back the ground wheat from the factory on their own The mill does no other business. The Defence authoritier have also two offices in the mill's permises, namely, Office of the officer Incharge, Defene Grinding and the office of the officer Incharge, Food Inspection

* Speech not corrected

Unit, Gauhati. 24 (twenty four) Army personnal are in employment in these two offices and they supervise the whole operation on behalf of the defence authorities.

Immediately before the workers went on strike, the mi l was run with the help of 47 direct employees and 70 workers employed through two contractors.

Now the workers of the mill numbering 96 (26 direct employees and 70 contractors' workers) went on strike with effect from 19,2 79 on the plea that the mill authorities refused work to two of them and was not responding to the workers' call for fulfilment of their 11 points Charter of Demand. The striking workers are led by the All Assam Mill Mazdoor Union ( affiliated with Indian Federation of Trade Unions. which has its office at Basistha Road, Gauhati) The union is not a registered one. Another worker joined the strikers a few days later bringint the total number of striking workers to 97.

The union did not serve any notice before going on strike. The flour mills have already been declared as public utility service within the meaning of the Industrial Disputes Act, 1947 in this State and under the provisions of section 22 of that Act, no person employed in public utility service can go on strike in

breach of contact without giving to the employer notice of strike in the prescribed manner within six weeks before striking or within 14 days of giving such notice. If they do so, the strike will be illegal within the meaning of section 24 of the Act for which action can be taken against the striking workers and persons instigating them to go on strike under section 26 and 27 of the Act. Any person rendering financial aid to illegal strikers are also liable to be punished under section 28 of the Act.

On receipt of the information from the management on 19. 2. 79 that the workers of that mill had gone on lighting strike with effect from 8. 00 A. M. of that day without giving any notice as required under section 22 of the Industrial Disputes Act. 1947, the Labour Officer, Gauhati intervened in the dispute in a bid to settle it and failing to do so, submitted a report under secton 12 ( 4 ) of the Industrial Disputes Act, 1947 to Government. The Government considered the report as submitted by the Labour Officer, Gauhati and referred the question of the justification or otherwise of the workers' going on strike for adjudication to the Presiding Officer, Labour Court, Gauhati on the 28th February 1979.

Now as regards the unions allegation that two

workers were refused employment by the management, they denied that they had refused work to any worker. What happened, it appears, was that two cleaners who worked upstairs were asked to work down stairs in the same capacity and they neither carried out the order nor did they report for work thereafter.

Now there is a notification issued by the Labour Cemmissioner, Assam in exercise of the powers given to him under the contract Labour ( Abolition & Regulation ) Act, 197) governing the demand Nos. 4, 5, 6 and 7. Enquiries were made earlier also and it could not be establish that the workers have not been provided with those facilities. Demand No. 2 is covered by an award which was given by the presiding officer, Industrial Tribunal, Gauhati in Reference No. 2 of 1975 and no demand on it could be raised again until a period of 2 months has elapsed from the date on which the notice is given by any party bound by the award to the other party or parties intimating its intention to terminate the award. In this case there was no notice from any party intimating its intention to terminate the award. It may be said here by the by that the award is binding on all persons who were employed in the establishment or part of the establishment, as the case may be, to which the disputes

relates on the date of the dispute and all persons who subsequently become employee in that establishment or part thereof. The fact that the workers concerned with the reference have joined another union now does not make any difference in this position in law.

The District Magistrate, Kamrup, Gauhati and the Superintendent of police Kamrup, Gauhati had intervened to keep production runnig in the mill on a request made to them by the Officer Incharge, Defence Grinding, Kamrup Flour Mills on the 24 th February, 1979 under instructions from his uperiors. As the Defence authorities were wholly dependant on this factory for grinding of their wheat for supply to the entire Nort Eastern Region and as the stock position of Atta in their supply Depots became precarious, they made this request and appropriate action was taken by the District authorities to avoid break down in Defence suplies.

The mill is running now with 20 of their old staff and 12 new temporary recruits. They have also engage another contractor with effect from 3. 3. 79 and there are 28 people working under that contractor at the moment.

Nobody approached the Labour Commissioner, Assam to declare the strike illegal and he did not also make any such declaration. The strike is illegal within the meaning of section 24 of the Industrial Disputes Act, 1947 for the resons stated earlier.

It may be said here by the by that the All Assam Mill Mazdoor Union being an unregistered one, its members and office bearers are not immune from civil and criminal suits for breach of contract as provided for in the Trade Union Act, 1926.

Mr. Deputy Speaker :— The House stands adjourned till 10 A. M. tomorrow, the 27th March, 1979.

## ADJOURNMENT

The House then rose at 6-43 P. M. and stood adjourned till 10 A.M. on Tuesday, the 27th March, 1979.

DISPUR : P. D. BARUA,
The 26th March, 1979. Secretary,
Assam Legislative Assembly